# B.H.B. COLLEGE, SARUPETA

P.O. : Sarupeta, Dist : Barpeta (Assam)

ভবানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়, সৰুপেটা

বছৰেকীয়া আলোচনী

# আলোক

২০১৬-২০১৭ শিক্ষাবৰ্ষ

SESSION : 2016-2017

সম্পাদক
অভিজিৎ তালুকদাৰ

তত্ত্বাৱধায়ক
ড° কল্পনা বৈশ্য



বছৰেকীয়া আলোচনী

# আলোক

শিক্ষাবৰ্ষঃ ২০১৬-১৭

সংখ্যা ৩৪

বি. এইচ. বি. মহাবিদ্যালয়ৰ

ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত

প্ৰীতি আৰু শুভেচ্ছাৰে-

প্ৰতি..........................................................................................

..........................................................................................


তত্ত্বাৱধায়ক

ড° কল্পনা বৈশ্য

সম্পাদক

অভিজিৎ তালুকদাৰ

# আলোক

# *Alok*

Annual Magazine of Students' Union, B. H. B. College , Edited by Abhijit Talukdar under guidance and supervision of Dr. Kalpana Baishya ,Printed at Chitralekha Graphics, Sarupeta-781318 , Barpeta

34th Issue, 2016-17


| সম্পাদনা সমিতি ঃ | Editorial Board : |
| --- | --- |
| ড° বিৰিঞ্চি কুমাৰ দাস, সভাপতি | Dr. Birinchi Kr. Das, President |
| ড° কল্পনা বৈশ্য, তত্ত্বাৱধায়ক | Dr. Kalpana Baishya, Prof.- In-charge |
| ৰীণা ৰাণী ডেকা, উপদেষ্টা | Rina Rani Deka, Advisor |
| ড° দুৰ্গেশ্বৰ বৰ্মন, উপদেষ্টা | Dr. Durgeswar Barman, Advisor |
| ড° দিপুল তালুকদাৰ, উপদেষ্টা | Dr. Dipul Talukdar, Advisor |
| ড° নমিতা দাস গুৰুং, উপদেষ্টা | Dr. Namita Das Gurung, Advisor |
| অভিজিৎ তালুকদাৰ, সম্পাদক | Abhijit Talukdar, Editor |
| ৰূপাংকন দাস, সদস্য | Rupangkan Das, Member |
| দেৱজিৎ তালুকদাৰ, সদস্য | Dabajit Talukdar, Member |
| প্ৰণব কলিতা, সদস্য | Pranab Kalita, Member |


বেটুপাতৰ কলাকৰ্ম আৰু সজ্জাঃ বিজয় দাস আৰু ৰাজীৱ ভৰালী

অক্ষৰ বিন্যাস আৰু অলংকৰণঃ কাকলি দাস

প্ৰকাশকঃ ভৱানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়, ছাত্ৰ একতা সভা, ২০১৬-১৭ বৰ্ষ

মুদ্ৰণ ঃ চিত্ৰলেখা গ্ৰাফিক্‌চ, সৰুপেটা- ৭৮১৩১৮, বৰপেটা

ফোন নং- ৯৭০৬৮-৫১৬৩৬, ৮৬৩৮৩-৯৭৮৩৭

Disclaimer

The Editor or the Editorial Board and the publisher are not responsible for the views expressed by the authors. The responsibility of the originality of the articles, other creative writings and views expressed by the authors are absolutely of their own.

# উছৰ্গা

আৰম্ভণীৰ পৰা বৰ্তমানলৈ যিসকল পথিকৃৎ ব্যক্তিৰ আদৰ্শ আৰু ত্যাগৰ বিনিময়ত বি. এইচ্. বি. মহাবিদ্যালয়খন গঢ়ি উঠিছিল, আমাৰ মাজৰ পৰা হেৰাই যোৱা সেই নমস্য ব্যক্তিসকলৰ শ্ৰীচৰণত এই আলোচনীখন উছৰ্গা কৰিলোঁ।

# শ্ৰদ্ধাঞ্জলি

বি. এইচ্. বি. মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতিয়ে বিগত সময়ছোৱাত প্ৰত্যক্ষ বা পৰোক্ষভাবে মহাবিদ্যালয়ৰ সেৱা আগবঢ়াই যোৱা অথচ আজি চিৰকালৰ বাবে আমাৰ মাজৰ পৰা হেৰাই যোৱা জ্ঞাত-অজ্ঞাত ব্যক্তিসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

বি. এইচ্. বি. মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত নগেন ঠাকুৰীয়াদেৱ, ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক শ্ৰীকান্ত কৰ্মকাৰ দেৱৰ লগতে বি. এইচ্. বি. মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সুৰজিৎ তালুকদাৰ, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ কংকণ তালুকদাৰ আৰু মৰমৰ ছাত্ৰী পাৰবীন চুলতানাৰ করুণ মৃত্যুৱে মহাবিদ্যালয়ক শোকাহত কৰি তোলে।


সেয়েহে এই ছেগতে আটাইকেইজন ব্যক্তিৰ স্মৃতিচাৰণ কৰি বি. এইচ্. বি. মহাবিদ্যালয় পৰিয়ালৰ হকে সম্পাদনা সমিতিৰ তৰফৰ পৰা গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

# কৃতজ্ঞতা স্বীকাৰ

বি. এইচ্. বি. মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধেয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, শুভাকাংক্ষীসকল, লেখক-লেখিকাবৃন্দ, বেটুপাত তথা স্থিৰচিত্ৰ, স্কেচ অংকণ কৰা মাননীয় শিল্পীসকল, চিত্ৰলেখা গ্ৰাফিক্‌চৰ স্বত্বাধিকাৰী আৰু কৰ্মকৰ্তাসকলৰ প্ৰতি বি. এইচ্. বি. মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সিদ্ধাৰ্থ ভট্টাচাৰ্য্য
Siddhartha Bhattacharya M.A. L.L.B.
Cabinet Minister
Department of Education
Guwahati Development Department
Department of Law and Justics
Goverment of Assam

Block D,4th Floor
Assam Secretariat
Dispur, Guwahati-781006, Assam
Tel. No. 0361-2237267
Mobile No. - 94350 10789
Email : siddharthabhatt.@gmail.com
ministeredu26@gmail.com



# শুভেচ্ছাবাণী

বি.এইচ্. বি. মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ আলোচনী "আলোক" প্ৰকাশ পাব বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছো। মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে এখন আলোচনী প্ৰকাশৰ উদ্যোগ লোৱাটো সঁচাকৈ এক আদৰণীয় প্ৰচেষ্টা।

ৰৰপেটা জিলাৰ ঐতিহ্যপূৰ্ণ বি.এইচ্.বি. মহাবিদ্যালয়ে অসমৰ শিক্ষা জগতত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিগত বছৰৰ দৰে এইবেলিও প্ৰকাশ পাবলগীয়া বাৰ্ষিক আলোচনী "আলোক"ত প্ৰকাশিত বিভিন্ন লিখনিয়ে মহাবিদ্যালয়খনৰ লগত জড়িত শুভাকাংক্ষী, ছাত্ৰ-ছাত্ৰীৰ লগতে পঢ়ুৱৈ সমাজক উপকৃত কৰিব বুলি আশা কৰিলোঁ।

মহাবিদ্যালয়খনৰ মহৎ প্ৰচেষ্টাৰ সফলতা কামনা কৰি প্ৰকাশ পাবলগীয়া আলোচনীখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

(সিদ্ধাৰ্থ ভট্টাচাৰ্য্য)

# অধ্যক্ষৰ কলম



ড° বিৰিঞ্চি কুমাৰ দাস
অধ্যক্ষ
বি. এইচ. বি. মহাবিদ্যালয়,
সৰুপেটা

অধ্যক্ষৰ কলম

ভবানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০১৬-১৭ বৰ্ষৰ আলোচনী সম্পাদক শ্ৰীমান অভিজিৎ তালুকদাৰৰ অনুৰোধ মৰ্মে দুআষাৰ লিখিবলৈ লৈছোঁ। এই আলোচনীখন যি সময়ত ওলাব লাগিছিল, সেই সময়ত মই এই মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বত নাছিলো যদিও অনিবাৰ্য কাৰণবশতঃ অলোচনীখন নিৰ্দ্ধাৰিত সময়তকৈ পলমকৈ প্ৰকাশিত হোৱা বাবে অধ্যক্ষ হিচাপে ময়েই কিছু কথা লিখাৰ সুযোগটো পালো।

ভবানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়ে ইতিমধ্যে ৪৮ টা গৌৰৱময় বছৰ অতিক্ৰম কৰিলে আৰু যি মহান উদ্দেশ্য আগত ৰাখি ইয়াৰ স্বপ্নদ্ৰষ্টা প্ৰতিস্থাপকসকলে অতিশয় কষ্ট আৰু ত্যাগৰ বিনিময়ত বজালী মফঃস্বলৰ অগ্ৰণী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানখনক গঢ়ি তুলিছিল, সেই উদ্দেশ্য ফলৱতী কৰাৰ দিশত মহাবিদ্যালয়খনে ইয়াৰ যাত্ৰা অব্যাহত ৰাখিছে। এইখন মহাবিদ্যালয় ঐতিহাসিক আৰু সাংস্কৃতিক দিশৰ পৰা তাৎপৰ্যপূৰ্ণ অথচ অৰ্থনৈতিকভাৱে এটা অঞ্চলত অবস্থিত আৰু ইয়াত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ অধিকাংশ অৰ্থনৈতিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ পৰা অহা। কিন্তু এই অনগ্ৰসৰতা নেওচিও ইয়াৰ এই শিক্ষাৰ্থীসকলে জীৱন যুঁজত সফল হোৱাৰ সামৰ্থ্য যে ৰাখে, সেইটো মৰ্মে মৰ্মে উপলব্ধি কৰাটো আৰু সেইমতে নিজকে গঢ়ি তোলাটো অত্যন্ত প্ৰয়োজনীয় কথা। তাৰো উপৰি বিভিন্ন ভাষিক,ধৰ্মীয় আৰু নৃগোষ্ঠীয় পৰিচয়ৰ শিক্ষাৰ্থীয়ে শান্তি-সম্প্ৰীতিৰে অধ্যয়ন কৰি থকা এই মহাবিদ্যালয়খনৰ সম্প্ৰীতি আৰু সংহতিৰ পৰম্পৰা পৰৱৰ্তী সময়তো অটুট ৰাখি সমগ্ৰ অসমৰ বাবে এক আৰ্হি তৈয়াৰ কৰক, সেয়াও আমাৰ সকলোৰে কাম্য। আগত দিনবিলাকত এই মহাবিদ্যালয়খন সকলো ধৰণেৰে আলোকিত হৈ উঠক আৰু 'আলোক' নামৰ আলোচনীখনেই এই আলোকৰ বাৰ্তা মহাবিদ্যালয় পৰিয়ালৰ সকলোৰে মনগহনত বিয়পাই দিয়ক তাকে কামনা কৰিছোঁ।



# তত্ত্বাৱধায়কৰ কলম




ড° কল্পনা বৈশ্য
তত্ত্বাৱধায়ক,
বাৰ্ষিক আলোচনী ২০১৬-১৭ বৰ্ষ
বি.এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা


বৃহত্তৰ সৰুপেটা অঞ্চলৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান বি. এইচ্. বি. মহাবিদ্যালয়ৰ ২০১৬-২০১৭ ইং বৰ্ষৰ আলোচনীখনৰ প্ৰকাশ ছাত্ৰ-ছাত্ৰী সকলৰ জ্ঞানৰ বীজ অংকুৰণৰ এক সুন্দৰ পৰিস্ফুৰণ বুলি ক'ব পাৰি। কাৰণ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ কঠীয়াতলী ঘৰখনত লাভ কৰা জ্ঞানৰ বন্তিগছিয়ে বিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষাৰ জৰিয়তে লাহে লাহে পোহৰ হ'ব ধৰা কোঠাৰ দৰে মহাবিদ্যালয়ত নিজস্ব ভাবে চিন্তা আগবঢ়াই সূৰ্য্যৰ পোহৰে এন্ধাৰ নাশ কৰাৰ দৰে পৈণত জ্ঞান, চিন্তাই চৌদিশে উদ্ভাসিত কৰি তোলে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বাৰ্ষিক আলোচনীখনো এক প্ৰাৰম্ভিক মঞ্চ সদৃশ। নিজস্ব চিন্তা-চৰ্চাক উদ্ভাসিত কৰি তোলাত আলোচনীখনে যথেষ্ট তাৎপৰ্য বহন কৰে । তেনে উদাহৰণ বিশিষ্ট সাহিত্যিক সকলৰ জীৱনীৰ পৰাই পাব পাৰি।

সাহিত্য হ'ল সমাজৰ দাপোণ। সাহিত্যই জনতাক সদায় একগোট কৰি তোলে। সাহিত্য আৰু সাহিত্যিকৰ বৈচিত্ৰ্যতা নাশ কৰি এক ঐক্য ভাব গঢ়ে সাহিত্যই। সেয়েহে ক'ব পাৰি যে সাহিত্য-সংস্কৃতি হ'ল ঐক্য কাৰ্য্য আৰু ইয়ে সমাজৰ অমোঘ শক্তি।

আমাৰ মহাবিদ্যালয়ৰ ২০১৬-২০১৭ ইং বৰ্ষৰ আলোচনীখনত ছাত্ৰ-ছাত্ৰী সকলৰ ন ন চিন্তাৰ জৰিয়তে সৃষ্টি হোৱা সাহিত্যই ভাষা-সাহিত্য-সংস্কৃতিৰ বৰ ভেটি নিৰ্মাণত অৰিহণা যোগাই উচ্চ-নীচৰ ভেদাভেদ নাইকীয়া কৰি ঐক্যভাব আৰু ভাতৃত্ববোধৰ এনাজৰী ডালেৰে বান্ধ খাই সমাজ তথা দেশ আৰু দহৰ উন্নতি সাধন কৰক তাৰেই কামনা কৰিছোঁ।

আলোচনীখনৰ তত্ত্বাৱধায়কৰ দৰে গুৰু দায়িত্বত থাকি মহাবিদ্যালয়ৰ অনুভৱশীল আৰু জ্ঞানলব্ধ সাহিত্য অনুৰাগী ছাত্ৰ-ছাত্ৰী সকলৰ সম্ভাৱনীয় ভুল-ক্ৰটি আঙুলিয়াই দি আগুৱাই যোৱাৰ ক্ষেত্ৰত পাৰ্যমানে সহযোগিতা আগবঢ়াইছোঁ।

ভৱিষ্যতেও ছাত্ৰ-ছাত্ৰীসকলৰ এই অংকুৰিত জ্ঞানৰ বীজে আৰু বেছি ফল-ফুলেৰে জাতিস্কাৰ হৈ অসমী আইৰ সু-সন্তান ৰূপে নিজক প্ৰতিষ্ঠা কৰি সেন্দুৰীয়া বাটেৰে অতিক্ৰমি মহান সাহিত্য সৃষ্টি কৰক এয়াই আশা কৰিছোঁ।

# সম্পাদকীয়



মোৰ সম্পাদকীয়ৰ আৰম্ভণীতে বি এইচ বি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা উন্নতিৰ ক্ষেত্ৰত যি সকল মহান ব্যক্তিৰ শ্ৰম আৰু প্ৰচেষ্টাৰ বাবে আমি আজি এটা পৰ্যায়লৈ উন্নীত হ'ব পাৰিছো তেখেত সকলক মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৰে জ্ঞান বৃদ্ধি বিকাশৰ স্থল মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ পোৱাটো মোৰ বাবে সৌভাগ্যৰ কথা বুলি ভাবো আৰু যি সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে ২০১৬-১৭ চনৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদক পদত থাকি সেৱা আগবঢ়াই সহায় কৰিছে সেই সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

আমাৰ মহাবিদ্যালয়খনৰ ইতিহাস ইফাল-সিফাল কৰি আহৰণ কৰা মোৰ কিছু অভিজ্ঞতাৰে এই মহাবিদ্যালয় খনৰ নাম তিনিখন মৌজাৰ নামেৰে নামাকৰণ কৰা হয়। ভবানীপুৰ মৌজা, হস্তিনাপুৰ মৌজা, বিজনী মৌজা।

সেয়েহে মহাবিদ্যালয়খনৰ নাম "ভবানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়", তিনিও মৌজাৰ মধ্যস্থান সৰুপেটাত ১৯৭১ চনৰ ১ জুলাইত স্থাপন কৰা হয়।

আমাৰ মহাবিদ্যালয়খনৰ প্ৰথমে আৰম্ভ কৰা হয় সৰুপেটা হাইস্কুলৰ সন্মুখৰ জামগছৰ ওচৰত থকা হোষ্টেলৰ এটা কোঠাত। হোষ্টেলৰ কোঠাটো বেছি ডাঙৰ নাছিল। ক্ৰমান্বয়ে ছাত্ৰ-ছাত্ৰী বাঢ়ি যোৱাত তেতিয়া মহাবিদ্যালয়খনৰ শ্ৰেণীকোঠা হিচাপে লোৱা হয়। সৰুপেটা হাইস্কুলৰ বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি কোঠাটো আৰু তাতেই সম্পূৰ্ণ বছৰটো ক্লাছ হয়।

তাৰ পিছত মহাবিদ্যালয়খন স্থানান্তৰিত হয় বৰ্তমান স্থানলৈ আৰু সেই সময়ৰ ভবানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল প্ৰয়াত ৰজনী কান্ত চৌধুৰী। তেখেতে অশেষ কষ্ট কৰি যি আমাক বৃহত্তৰ ভবানীপুৰ সমষ্টিবাসীক বি. এইচ. বি. মহাবিদ্যালয়খন উপহাৰ দি গ'ল, এই উপহাৰ আমি চিৰকাল সৰ্বাংগ সুন্দৰ কৰি ৰাখিম বুলি প্ৰতিশ্ৰুতিৰে প্ৰতিটো মুহূৰ্ত্ততে মহাবিদ্যালয়ৰ হকে প্ৰাণ আহুতি দিয়া নমস্য ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি মোৰ সম্পাদকীয় লিখনি সামৰিবলৈ ওলাইছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত ছাৰ-বাইদেউ তথা বন্ধু-বান্ধৱী সকলোৰে পৰা যথেষ্ট সহায়-সহযোগিতা লাভ কৰিছোঁ। তাৰ বাবে মই সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোক প্ৰতিটো খোজত সহায়-সহযোগিতা আগবঢ়োৱা তত্বাৱধায়িকা ড° কল্পনা বৈশ্য বাইদেউ যিয়ে মোক প্ৰতিটো ক্ষণতে সুন্দৰ ব্যৱহাৰেৰে প্ৰতিটো মুহূৰ্ত্ততে সহাঁৰি দি আহিছে।

আলোচনীখন আটক ধুনীয়া কৰি আপোনালোকৰ হাতত দিব যাওঁতে অজ্ঞাতে হৈ যোৱা ভুলক্ৰটিবোৰ সহানুভূতিৰে বিবেচনা কৰাৰ আশা কৰিছোঁ আৰু আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰা লেখক/ লেখিকাসকলক এই মুহূৰ্ত্তত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বি. এইচ. বি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় কলম সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে -
অভিজিৎ তালুকদাৰ





# সূচীপত্ৰ

## অসমীয়া বিভাগ

### চিন্তা শিল্প/১৬-৫১


- মুকলি বিহু ( ডেকা-গাভৰু বিহু) প্ৰতিযোগিতাৰ চমু নিয়মাৱলী— *হৰেকৃষ্ণ তালুকদাৰ/১৬*
- ভূপেন হাজৰিকাৰ গীতত দেশ, মাটি আৰু মানব প্ৰেম : এক পৰ্যালোচনা— *ড° কল্পনা বৈশ্য/২৩*
- 'জীৱনৰ যুঁজ, চ'চিয়েল মিডিয়া আৰু যুৱ প্ৰজন্ম'— *মিনাক্ষী দাস/২৯*
- বৰপেটা জিলা পতঞ্জলি যোগ সমিতিৰ উদ্যোগত আৰু বি. এইচ্. বি. মহাবিদ্যালয় যোগ সমিতিৰ সহযোগত এমহীয়া সহঃযোগশিক্ষক প্ৰশিক্ষণ শিবিৰ (২৮ চেপ্তেম্বৰৰ পৰা - ২২ অক্টোবৰ, ২০১৬, বি. এইচ্. বি. মহাবিদ্যালয়, ইন্দ'ৰ ষ্টেডিয়াম) কিছু অনুভৱ— *পুলকেশ দাস/৩২*
- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শৈশৱৰ কিছু কথা— *চুমি দাস/৩৭*
- শিক্ষা সংগ্ৰাম— *অৰুণ বৰ্মন/৪০*
- শিক্ষা ব্যৱস্থা আৰু শিক্ষাৰ্থীসকলৰ মানসিকতা— *দ্বীপজ্যোতি বৈশ্য/৪৩*
- বৰপেটা জিলা পতঞ্জলি যোগ সমিতিৰ উদ্যোগত আৰু বি. এইচ্. বি. মহাবিদ্যালয় যোগ সমিতিৰ সহযোগত এমহীয়া সহঃযোগ শিক্ষক প্ৰশিক্ষণ শিবিৰৰ প্ৰতিবেদন— *ৰুপা তালুকদাৰ/৪৪*
- শিক্ষা আৰু জ্ঞান— *কাকলি দাস/৫১*


### শব্দ শিল্প/৫৩-৯০


স্বাধীনতা, পক্ষী মই, প্ৰকৃতিৰ নিয়ম, প্ৰকৃতি, সময়, অসমী আই চিৰযুগমীয়া, ত্যাগ, বসন্তৰ গান, মোৰ মন যায়, জীৱন, ক'ত থম মোৰ দুখ, শিকলি, সংকেত, এজাক ধুমুহা, জ্ঞানৰ সাগৰ, বান্ধৱীলৈ বুলি দুআষাৰ, মিছা আৱৰণ,পূৰ্ণিমাৰ অমানিশা, ভৱানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়, শংকৰদেৱ, জীৱনৰ স্মৃতি, হেৰুৱাৰ বেদনা, ভাগৰুৱা, অসুখী, ৰূপহী অসম, মোৰ গাঁও, মাঁ, যুৱৰাজৰ স্মৃতিত, অভিশপ্ত জীৱন মোৰ, জীৱন এনেকুৱাই, প্ৰেম, প্ৰত্যাশা, তুমি নুবুজিলা মোৰ মৰমৰ ভাষা, বি. এইচ্. বি. কলেজ, হেৰুৱাৰ বেদনা, বন্ধ দুৱাৰৰ বাহিৰত ভোকাতুৰ সিহঁত, মিচ্ পিংকী মনি চলিহা



# সূচীপত্ৰ


**অনুবাদ গল্প : /৯১-৯৬**

[illegible] /৯৩

**নীলাখামৰ চিঠি : /৯৭-১০০**

[illegible] /৯৯

[illegible] /১০০

**কথা শিল্প : /১০১-১০৬**

[illegible] /১০৩

## সম্পাদকীয় প্ৰতিবেদন : /

১। উপ-সভাপতি

২। সাধাৰণ সম্পাদক

৩। সহঃ সাধাৰণ সম্পাদক

৪। আলোচনী সম্পাদক

৫। সাংস্কৃতিক সম্পাদক

৬। গুৰু খেল সম্পাদক

৭। লঘু খেল সম্পাদক

৮। সমাজ সেৱা সম্পাদক

৯। তৰ্ক বিভাগৰ সম্পাদক

১০। ছাত্ৰ জিৰণি কোঠা সম্পাদক

১১। ছাত্ৰী জিৰণি কোঠা সম্পাদিকা

**ইংৰাজী বিভাগ : [English Section-] 107-112**

TRANSLATIONS OF A FEW ASSAMESE POEMS

Translator Dr. Birinchi Kumar Das/109

I want to be Silpa Pathak/112

**বড়ো বিভাগ : / [Bodo Section-] 113**

[illegible] Krishna Kachary/114

[illegible] Ranumai Daimary/114

[illegible] Priyanka Gayari/115

[illegible] Nipwan Boro/115

[illegible] Ajay Swargiary/116

[illegible] Dhrubajit Daimary/116

[illegible] Dhanjit Kalita/117

[illegible] Tridip Boro/118

# চিন্তাশিল্প



চিন্তা হ'ল আত্মাই নিজৰ
সতে পতা কথা বতৰা।
—প্লেটো

# চিন্তা শিল্প/১৬-৫১

## চিন্তা শিল্প/১৬-৫১


- মুকলি বিহু (ডেকা-গাভৰু বিহু) প্ৰতিযোগিতাৰ চমু নিয়মাৱলী— *হৰেকৃষ্ণ তালুকদাৰ/১৬*
- ভূপেন হাজৰিকাৰ গীতত দেশ, মাটি আৰু মানব প্ৰেম : এক পৰ্যালোচনা— *ড° কল্পনা বৈশ্য/২৩*
- 'জীৱনৰ যুঁজ, চ'চিয়েল মিডিয়া আৰু যুব প্ৰজন্ম'— *মিনাক্ষী দাস/২৯*
- বৰপেটা জিলা পতঞ্জলি যোগ সমিতিৰ উদ্যোগত আৰু বি. এইচ্. বি. মহাবিদ্যালয় যোগ সমিতিৰ সহযোগত এমহীয়া সহঃযোগশিক্ষক প্ৰশিক্ষণ শিবিৰৰ (২৮ চেপ্তেম্বৰৰ পৰা - ২২ অক্টোবৰ, ২০১৬, বি, এইচ্, বি, মহাবিদ্যালয়, ইন্দ'ৰ ষ্টেডিয়াম) কিছু অনুভৱ— *পুলকেশ দাস/৩২*
- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শৈশৱৰ কিছু কথা— *চুমি দাস/৩৭*
- শিক্ষা সংগ্ৰাম— *অৰুণ বৰ্মন/৪০*
- শিক্ষা ব্যৱস্থা আৰু শিক্ষাৰ্থীসকলৰ মানসিকতা— *দ্বীপজ্যোতি বৈশ্য/৪৩*
- বৰপেটা জিলা পতঞ্জলি যোগ সমিতিৰ উদ্যোগত আৰু বি. এইচ্. বি. মহাবিদ্যালয় যোগ সমিতিৰ সহযোগত এমহীয়া সহঃযোগ শিক্ষক প্ৰশিক্ষণ শিবিৰৰ প্ৰতিবেদন— *ৰূপা তালুকদাৰ/৪৪*
- শিক্ষা আৰু জ্ঞান— *কাকলি দাস/৫১*

# মুকলি বিহু (ডেকা-গাভৰু বিহু) প্ৰতিযোগিতাৰ চমু নিয়মাৱলী

হৰেকৃষ্ণ তালুকদাৰ,
প্ৰাক্তন ছাত্ৰ, সাংস্কৃতিক কৰ্মী
জ্যেষ্ঠ শিক্ষক
কিশলয় শিশু নিকেতন, সৰুপেটা



চ'ত অহাৰ লগে লগে গছৰ লঠঙা ডালত কুঁহিপাত মেলে। এজাৰ গছেও বেজাৰ সামৰে। তাঁত শালৰ খিট্‌খিটনিৰ শব্দত, গৰকাৰ দপ্‌দপনিত, ঢেঁকীশালৰ শবদত দুপৰীয়াৰ নিৰ্জনতা ভাঙে। মৰা গৰুৰ ছালে দাঁও দাঁও শব্দ কৰে। সমগ্ৰ অসমবাসীয়ে মনপ্ৰাণ সপি দিয়াৰ সময় আহিল বুলি বুজি পালে। এয়া যেন আশাৰ জীপাল উৎসৱ আমাৰ মাজলৈ লৰি-ঢপলিয়াই আহিল ব'হাগ বিহু। আহক আমি সকলোৱে মিলি জাতি-ৰক্ষাৰ বাবে এক সোণালী সপোন ৰচোঁ। কোমল কুঁহি পাতৰ

আচ্ছাদনেৰে প্ৰকৃতিয়ে অসমী আইক সুশোভিত কৰি অসমীয়াক বছৰে বছৰে চপাইছে, কপৌফুলৰ মধুৰ আস্ফালনে দেহ-মন পুলকিত কৰিবলৈ ব'হাগ আহিল বুলি কুলি-কেতেকীয়ে গছৰ জোপাত গীত জুৰিলে। আমি এই মধুৰ আলোড়নৰ ঐকতানৰ পৰম্পৰাক আৰু অধিক কটকটীয়া কৰি বাপতি সাহোন বিহুটিক নতুন সাজেৰে উদ্‌যাপন কৰিবলৈ লৈছোঁ।

বিহু দল সমূহলৈ আমাৰ বিশেষ কেইটিমান নিয়মাৱলী জনোৱাৰ প্ৰয়াস কৰিছোঁ। ব'হাগ বিহুৰ লগত আমিও বহু বছৰ ধৰি ওতঃপ্ৰোতভাৱে জড়িত হৈ ডেকা-গাভৰুৰ লগত অসমৰ বিভিন্ন বিহুতলীত বিহু প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি কিছু মিঠা-কেঁহা অভিজ্ঞতা পুঁজি জ্ঞানেৰে আপোনালোকক বিহু সম্পৰ্কে কিছু অভিজ্ঞতা জনাবলৈ ওলাইছোঁ। ভুল-ত্ৰুটি মাৰ্জনা কৰিব।

১। মুকলি বিহু প্ৰতিযোগিতাত উদ্‌যাপন সমিতিয়ে বান্ধি দিয়া সময়মতে বিহু দল সমূহে বিহুবাকৰিত প্ৰৱেশ কৰিব লাগে। তাকে নকৰি বহু বিহুদলে বহু পলমকৈ বিহুতলীত প্ৰৱেশ কৰি উদ্‌যাপন সমিতিক বিমোৰত পেলায় আৰু উদ্‌যাপন সমিতিয়ে দৰ্শক শ্ৰোতাক ইয়াৰ প্ৰত্যুত্তৰ দিব নোৱাৰি বহু ঠাইত শান্তি শৃংখলা বজাই ৰাখিবলৈ অবাধ্য হৈ পৰে। সেয়েহে আমাৰ বিনম্ৰ অনুৰোধ প্ৰত্যেক বিহু দল সমূহে মুকলি বিহু প্ৰতিযোগিতাত নিৰ্দ্ধাৰিত সময়ত উপস্থিত হৈ উদ্‌যাপন সমিতি আৰু দৰ্শক শ্ৰোতাক বিহু উপভোগ কৰিবলৈ সুবিধাকণ দিয়ে যেন। তাৰোপৰি কিছুমান দলে মাইক্ৰোফোনত দলৰ নাম ঘোষণাৰ পিছতো বাহিৰত ঢোল-তাল বজাই অবাবতে সময় নষ্ট কৰা দেখা যায়। এনেকুৱা নকৰিবলৈও বিহু দলসমূহক অনুৰোধ জনোৱা হ'ল।

২। মুকলি বিহু প্ৰতিযোগিতাত নাম ঘোষণাৰ লগে লগে আঠ-দহটা বিহু ঢোল বজাই শব্দ প্ৰদূষণ কৰা দেখা যায়। চাৰিৰ পৰা পাঁচটা ভাল বিহু ঢোল বজালে বিহুখন যথেষ্ট শুৱলা হোৱা দেখা যায়।

৩। মুকলি বিহু প্ৰতিযোগিতাত পেঁপাদাৰিয়ে (ভালে সংখ্যক বিহু দলত) যুৰীয়া ম'হৰ শিঙৰ পেঁপা বজায়। বিহু সুৰক্ষা সমিতিয়ে বান্ধি দিয়া নিয়মমতে যুৰীয়া ম'হৰ শিঙৰ পেঁপা এটাৰ মূল্য নিম্নতম ছয় হাজাৰ টকা হ'ব পাৰে। ইতিমধ্যে ওটীয়া ম'হৰ শিঙৰ পেঁপা এটাৰ দাম নিম্নতম মূল্য তিনিহাজাৰ টকা হ'ব পাৰে। গতিকে দুৰীয়া শ্ৰেণীৰ বিহুৱাই অত্যাধিক দামৰ পেঁপা নবজাই

কম বয়সৰ পেঁপা বজালেও বাপতি সাহোন বিহুটি ৰক্ষা কৰিব। নতুবা বীন বজাই বিহুটি অৰ্থৰ অভাৱত বিহুৰ পৰা অব্যাহতি ল'ব লাগিব। তাৰোপৰি পেঁপাবাদকিয়ে মুকলি বিহু প্ৰতিযোগিতাত আঠুকাঢি পেঁপা বজোৱা নিষিদ্ধ। কাৰণ পেঁপা হৈছে চুতিয়াসকলৰ অৱদান। লোক-বিশ্বাস মতে চুতিয়াসকলৰ ভগবানক 'তি' নামেৰে অভিহিত কৰা হয় আৰু ভগবান তেওঁলোকৰ উপাস্য দেৱতা আকাশত থকা বুলি বিশ্বাস কৰে। সেয়েহে পেঁপা বজাওঁতে ওপৰমুখ কৰিহে বজাব লাগে। পেঁপাবাদকি সকলে পেঁপা বাদনত তিহিতি টিলৌ শব্দেৰে বজাব লাগে।

৪। টঙালী সম্পৰ্কেও বিহুৱা সকলে কিছু কথা জনা উচিত। টঙালীখন ৰঙা ৰঙৰ আৰু গাত বগা নাইবা হালধীয়া ৰঙৰ বুটা বছা হ'ব লাগে। টঙালীখন কঁকালতহে মাৰিব লাগে। টঙালীৰ দুই মূৰত ভমকা ফুল, আগত দহি থাকিব লাগে। টঙালীখন সোঁফালে বা বাঁওফালে সুবিধা অনুযায়ী মাৰিব পাৰে। আজি কালি প্ৰতিযোগীসকলে একেবাৰে ঠেক প্ৰস্থৰ ৰঙা কাপোৰ এখন বজাৰৰ পৰা কিনি আনি টঙালী ৰূপে মৰা দেখা যায়- এইটো পৰিহাৰ কৰিব লাগে। কিছুমান বিহুৱাই টঙালীখন তপিনা ঢাকি মাৰে, এনে কৰিলে বাপতি সাহোন বিহুটিক উপলুত্তা কৰা নহ'ব জানো? টঙালীখনৰ এটা মূৰ আঁঠুৰ তললৈকে বৈ পৰা হ'ব লাগে। গামোচা সম্পৰ্কেও এটি কথা উনুকিয়াই থ'লে ভাল হ'ব। গামোচা সদায় এমূৰে ফুল থকা হ'ব লাগে। আজি কালি বিহুৱাই একেবাৰে সৰু কৰি মূৰত ফিটা মৰাৰ দৰে গামোচাখন মূৰত মাৰি বিহু নচা দেখা যায়। এনেকুৱা কৰাটো গ্ৰহণযোগ্য নহয়।

৫। মুকলি বিহু প্ৰতিযোগিতাত আমিও ভকতিয়া সাজত পিন্ধাৰ দৰে চুৰিয়াখন পিন্ধি বিহু মাৰিছিলো। সময়ৰ পৰিবৰ্তনৰ লগে লগে আমি বুজিবলৈ বাধ্য হ'লো বিহু যিহেতু কৃষি ভিত্তিক অনুষ্ঠান সেয়ে বিহু মাৰিবলৈ যাওঁতে চুৰিয়াখন খেতিয়কে পিন্ধাৰ দৰে হ'ব লাগে। চুৰিয়াৰ ক্ষেত্ৰত বিহুৱাই মুগা বা কপাহী চুৰিয়া পিন্ধিব লাগে। কপাহী চুৰিয়াখন সদায় আঁঠুৰ তললৈকে এটা পোন্ধ মাৰি পিন্ধিব লাগে আৰু মুগা চুৰিয়া হ'লে আঁঠুৰ ওপৰত পিন্ধিব লাগে। কিছুমান বিহু দলে আজিও মাহমৰীয়াসকলে পিন্ধাৰ দৰে চুৰিয়া কঁকালত মেৰিয়াই পিন্ধা দেখা যায়। এনেকুৱা বেশ এৰিবৰ হ'ল। আজি কালি মুগা ৰঙৰ চিক্ক কাপোৰৰ চোলা আৰু মেখেলাত থকা ফুল বছা ভমকাফুলীয়া চোলা পিন্ধি বিহু নাচ নচা দেখা যায়। ফুল বছা বা বুটা বছা চোলা বিহুৱাৰ বাবে প্ৰযোজ্য নহয়। ঐতিহাসিক মুগা চোলা, খৰা চাপকন কলা ৰঙৰ কুৰুটা, হালোৱা চোলা আদি পিন্ধিব লাগে।

৬। মুকলি বিহু প্ৰতিযোগিতাত যোজনা গাওঁতে বিহুৱাৰ দফা আৰু বিহুৱতীৰ দফাৰ মাজত পাৰ্থক্য নেৰাখে। যিহেতু বিহুনামবোৰ বিশেষ ছন্দত ৰচিত হৈছিল, বিহুৱাৰ দফা আৰু বিহুৱতীৰ দফাৰ মাজত পাৰ্থক্য থকা উচিত। তাৰোপৰি যোৰা নাম আৰু জাত নামৰ পাৰ্থক্যও বুজা উচিত। বিহুতলীত গাব লগা যোৰা নামবিলাক আদি ৰূপত থাকে। এটি যোৰা নামৰ নমুনা দিয়া হ'ল—

"তোমাৰে বাৰীতে কলাপাত কাটিলো

আগলি আগলি চাই।

বিহুৰে তলীতে তোমাক বাছি ল'লো

কঁকালং খামুচীয়া পায়॥"

ঠিক তেনেধৰণে গাভৰুৰ কথা শুনি ডেকাৰ মন কিছু স্থিৰ হয়। ডেকা-গাভৰুৰ প্ৰেমৰ কথা। কেতিয়াবা সমনীয়াই জানে, কেতিয়াবা নজনাকৈয়ে থাকি যায়। ডেকা-গাভৰুৰ চঞ্চল মন কেতিয়াবা পিছল খাই পৰিব পাৰে। সেয়েহে তাৰ মাজতে তেওঁলোকে একোটা অৰ্থপূৰ্ণ জাত লগায় বিহু নাম গায়—

আজি বিহু বিহু— অ' সোণ তৰা দৈ

কালি বিহু বিহু—অ' সোণ তৰা দৈ

নাহৰ ফুল ফুলিবৰ বতৰ সোণ তৰাদৈ

তোমাকে লগত লৈ, লেম্প বাতি জ্বলাই লৈ

ৰাতি বিহু চাবলৈ ৰাতি বিহু চাবলৈ যাম।

৭। পৰম্পৰাগতভাৱে ৰচিত জাত নামবোৰৰ নিজা বৈশিষ্ট্য আছে। ঠিক তেনেদৰে মুকলি বিহুনামবোৰত তাৰ বিপৰীত। মুকলি বিহুত ব্যৱহৃত যোৰানামত বা ঠেলানামবোৰত ডেকা-গাভৰুৱে আপোনভোলা হৈ নিজৰ মনৰ ভাৱ আবুৰ নথকাকৈ ঠেলা নামৰ জৰিয়তে আবেগ-অনুভূতি, হৰ্ষ-বিষাদ সকলো প্ৰকাশ কৰিব পাৰে—

চাহেৰে আঙুলি
সৰালি সৰালি
ডাবিৰে আঙুলি ঘন
কোনেনো ঈশ্বৰে
তোমাক সৰজিলে
চাইনো চাই থাকিবৰ মন॥

৮। মুকলি বিহু প্রতিযোগিতাত বিহুনাম সমূহৰ উপৰিও কিছুমান বিহুদলে বনঘোষা গায়। এই বনঘোষাসমূহ তাহানিতে বনৰ মাজতহে গোৱা হৈছিল। উদ্দাম কামনা-বাসনাৰ মুকলি মনৰ পথাৰখনত বৈ বৈ হাবিৰ মাজত, ভৰদুপৰীয়া নিজানপৰত গোৱা হৈছিল। যেতিয়াই মন যায় জন জীৱনৰ আদিম প্ৰবৃত্তি তেতিয়াই সাৰ পাই উঠে। ই যৌৱনৰ গীত—

হাঁহে হৈ পৰিম গৈ
তোমাৰে প্ৰথুৰীত
চৰাই হৈ পৰিম গৈ চালত।
ঘামে হৈ সোমাম গৈ
তোমাৰে শৰীৰত
মাখি হৈ চুমা দিম গালত॥

মোহনীয় প্ৰকৃতিৰ আকুল আহ্বানত সৃষ্টিশীল জীপাল পথাৰৰ সাৰুৱা মাটিত সৃষ্টিৰ নতুন বীজ ধাৰণ কৰোৱাৰ কামনাৰে আদিম কৃষি জীৱি অসমীয়া মানুহে কৰা অবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতিত এদিন সৃষ্টি হৈছিল বসন্ত উৎসৱ। তেওঁলোকৰ বিশ্বাস নৰ-নাৰী যৌন ক্ষুধাত পৃথিৱী উৰ্বৰা হয়। তাৰে মুকলি প্ৰকাশ হয় প্ৰকৃতিৰ পৰিবৰ্তন ব'হাগ অহাৰ লগে লগে।

৯। মুকলি বিহু প্রতিযোগিতাত বিহু নামসমূহ সমস্বৰে গোৱা উচিত। কিন্তু কিছুমান বিহুদলে শুৱলা মাতৰ বিহুৱতী এজনীৰ দ্বাৰা বিহুনাম সমূহ গোৱা দেখা যায়। বিহু প্রতিযোগিতা দলীয়হে একক নহয়।

১০। মুকলি বিহুৰ নাচোনশৈলীঃ- বিহুৰ আৰম্ভণী অৱস্থাত বিহুৱা-বিহুৱতীয়ে ব্যক্তিগত আনন্দ লাভৰ বাবেহে নাচিছিল। নিজৰ আত্ম সন্তুষ্টিৰ বাবে প্ৰাণঢালি নাচিছিল। সেই সময়ৰ বিহুত গৃহস্থৰ বাবেও নচা নাছিল দৰ্শকৰ বাবেও নচা নাছিল। কোনো নিয়ম শৃংখলাৰ কথা নাছিল। মাৰ্জিত

ৰূপত সুখ উপভোগ কৰিবলৈ বিহুতলীলৈ আহিছিল। বৃত্তাকাৰে প্ৰত্যেকে প্ৰত্যেকৰ মুখলৈ চাই হাঁহি হাঁহি নাচিছিল। নাচিবৰ সময়ত যাৰে মন যায় তেওঁ বৃত্তটোত নাচিব পাৰে। স্বাভাৱিক আৰু শৃংখলিত ভাৱে নাচ নাচি প্ৰতিজন ডেকা-গাভৰুৱে আত্মিক আনন্দ লাভ কৰিছিল। কোনে কিমান আনন্দৰে নাচিব পাৰে তাৰেহে অঘোষিত প্ৰতিযোগিতা চলিছিল। লাহে লাহে এই বৃত্তাকাৰ নাচৰ পৰিৱৰ্তন ঘটিল। বৃত্তাকাৰৰ পৰা ফালৰি কাটি মাজে মাজে এই নাচে অৰ্দ্ধ বৃত্তাকাৰ ৰূপ ল'লে। প্ৰকৃততে মুকলি বিহুত কৰিঅ'গ্ৰাফ নাথাকে। আগৰ বিহুত ওপৰোক্ত কথাখিনিৰহে প্ৰয়োজন আছিল।

মুকলি বিহুত সকলোৱে জুম বান্ধি নতুবা শাৰী পাতি বিহুতলীত প্ৰৱেশ কৰে। এই প্ৰৱেশত গাভৰুৰ জুম বেলেগ আৰু বিহুৱা ডেকাৰ জুম বেলেগ হ'ব লাগে। ঢুলীয়া, পেঁপাদাৰি, তালিয়াই বাদ্য সংগত কৰি প্ৰথমে বিহুতলীত বিহু গায় পাছত গাভৰুৱে একে লগে নাচ নাচিব লাগে। উল্লেখ কৰা ভাল হ'ব যে যদিও বিহুতলীত বিহুৱা বিহুৱতীয়ে একেলগে বিহু মাৰে তেওঁলোকৰ মাজত কিন্তু বৃহৎ ব্যৱধান থাকে। অতি আনন্দেৰে নচা এনে নাচত কেতিয়াও বিহুৱা-বিহুৱতীয়ে গাত গা লগাই নতুবা একেবাৰে ওচৰা-ওচৰিকৈ নানাচে। মুকলি বিহু সম্পূৰ্ণ বিহুৱতী প্ৰধান। সেয়েহে মুকলি বিহু প্ৰতিযোগিতাত বিহুৱতীৰ সংখ্যা বিহুৱাতকৈ বেছি হ'ব লাগে। নতুবা সমান হ'ব লাগে। মুকলি বিহুত বিহুৱাৰ নাচে বেছি প্ৰাধান্য নাপায়। বিহু নাচত পিৰিপনি থাকিব লাগে। বিহুনাচ দলীয়হে, শেষত এজনী নাচনীক বিশেষ প্ৰাধান্য দিয়া বন্ধ কৰিব লাগে। নাচনীৰ মুখত মিচিকিয়া হাঁহি থকা বাঞ্চনীয়।

১১। বাদ্য যন্ত্ৰ- মুকলি বিহুত বিহুৱা ডেকাই ঢোল, পেঁপা, তাল বজাব। বিহুৱতীয়ে- টকা, গগনা, সুতুলী বজাব পাৰে। বিহুনাম গাওঁতে বিহুৱতীয়ে টকা বজাই হাত চাপৰি মাৰিব লাগে। বিহুৱতীৰ বিহু বাদ্যৰ চেওঁ চাপৰৰ লগত নাচোন শৈলীও পৃথক পৃথক হ'ব পাৰে। পেঁপাদাৰিয়ে ম'হৰ শিঙৰ পেঁপা বজালে নাচনীয়ে ৰ'ব নোৱাৰা হৈ পৰে যদিও নাচোনশৈলী অতি মাৰ্জিত হোৱাটো বাঞ্চনীয়। আজি কালি পেঁপাদাৰিয়ে পেঁপা বজালে নাচনীয়ে এক প্ৰকাৰ সাপৰ দৰে নাচোন ভঙ্গী দেখুৱায়। এনে নাচ গ্ৰহণযোগ্য নহয়।

১২। নাচনীৰ সাজ-পাৰ: বিহুৱতীয়ে ফুলৰ ওপৰত সো খাই থকা মুগা মেখেলা পিন্ধাতকৈ চুটা বহা, চাদৰ, ফুলা কটা, নৰা মেখেলা কিংখাপ আৰু মেজাংকৰি মেখেলা পিন্ধিলে ভাল। বিহুৱতীৰ ব্লাউজটো হাত দীঘল হ'লে ভাল। ব্লাউজৰ ৰং ৰঙা বা মুগা ৰঙৰ হ'ব লাগে। পিঠি ঢাক খোৱা সাতগজ জৰি বান্ধিব পৰা কঁকাললৈকে ঢাক খোৱা ব্লাউজ পিন্ধি বিহুৱতীয়ে নাচিলে নাচটো দেখিবলৈ ভাল লাগে। ব্লাউজটো অতি মাত্ৰা আভিজাত্যৰ প্ৰতীক অৰ্থত ব্যৱহাৰ হোৱাটো বাঞ্ছনীয় নহয়। নাচনীৰ মূৰত কলডিলীয়া খোপাত ৰতনৰ ফুল, কপালত সেন্দুৰীয়া ফোঁট, হাতত গাম খাৰু, ডিঙিত জোনবিৰি, ঢোলবিৰি, হাতত জেতুকাৰ বোল, ওঁঠত ৰৰ্হমথুৰি ৰং লৈ নিভাঁজ বিহুৱতী এজনী পাবলৈ টান হৈ পৰিছে। বিশ্বায়নৰ পৰিবৰ্তনৰ লগে লগে ধকমকীয়া মুগা কাপোৰৰ ব্লাউজ, বিছ পঁচিশ হাজাৰ টকীয়া মেখেলা-চাদৰ পিন্ধি বিউটি পাৰ্লাৰৰ মেকআপ লৈ কৰিঅ'গ্ৰাফাৰৰ দ্বাৰা প্ৰশিক্ষিত নিতম্ব আৰু বুকু কিম্পাই নাচ নচা নাচনীহে আজিৰ বিহুতলীত দেখিবলৈ পোৱা যায়।

সলৌ শেষত বিহুৰ স্বকীয়তা ৰক্ষা কৰিবলৈ হ'লে আমি মঞ্চলৈ অনা ব'হাগ বিহু উৎসৱটিক তাহানিৰ পৰম্পৰা কিছু ৰক্ষা কৰি পুৰণি ধৰণেই উপস্থাপন কৰিব লাগিব। তাকে নকৰিলে অসমীয়াৰ হাতে হিমজুৰে লগা বাপতি সাহোন ৰঙালী বিহুটিৰ অলৈ-আথানি হ'ব। লোক-সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰিলেহে জাতীয় সংস্কৃতি চহকী হৈ থাকিব। বিহু অসমৰ প্ৰাণ, অসমৰ মান, বিহু যেনেই আছিল তেনেদৰেই থাকিবলৈ দিয়ক। উত্তৰ পুৰুষে এই বিষয়ে সচেতন হ'ব বুলি বিনম্ৰভাৱে অনুৰোধ জনাই এই লেখাটি সামৰিছোঁ।

*বিঃদ্ৰঃ উক্ত লেখাটিৰ উৎসঃ বিহু বিশেষজ্ঞসকলৰ বিভিন্ন গ্ৰন্থ।*

* * *



লেখক: প্ৰাক্তন ছাত্ৰ, বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা

# ভূপেন হাজৰিকাৰ গীতত দেশ, মাটি আৰু মানৱ প্ৰেম : এক পৰ্যালোচনা



ড° কল্পনা বৈশ্য
মুৰব্বী, সহযোগী অধ্যাপিকা
অসমীয়া বিভাগ
বি, এইচ্, বি, মহাবিদ্যালয়, সৰুপেটা
দূৰভাষ : ৯৬১৩৬-৩২৪৬৩

## ১.০ অৱতৰণিকা :

অসমীয়া জাতিৰ জাতীয় জীৱনৰ গুৰি ধৰোঁতা আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক উচ্চ স্তৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক, বোলছবি প্ৰযোজক বৰেণ্য শিল্পী ভূপেন হাজৰিকাই জন গণৰ 'ভূপেন দা' ৰূপে স্বীকৃতি লাভ

কৰিছিল। এই গৰাকী শিল্পীয়ে নিবিড়ে নিগাজে ঘূৰি ঘূৰি আৰ্জিলেও পৰা উচ্চ শিক্ষাৰে শিক্ষিত হৈ জনগণৰ অনুপ্ৰেৰণাৰ উৎস হৈ আছে আৰু ভৱিষ্যতলৈও এই ধাৰা অব্যাহত থাকিব। তেওঁৰ অনবদ্য গীত সমূহে আকাশ বতাহ মুখৰিত কৰি অসম তথা উত্তৰ পূৰ্ব ভাৰতৰ লগতে প্ৰতিবেশী ৰাজ্যবো সংস্কৃতিৰ বীজ ৰোপণ কৰি নিজৰ জ্ঞান আৰু অভিজ্ঞতা গীতৰ মাজেৰে প্ৰকাশ কৰা পৰিলক্ষিত হয়।

গীতিকাৰ ভূপেন হাজৰিকাৰ সমগ্ৰ জীৱন পৰিক্ৰমাৰ সৈতে সংগীত জড়িত হৈ আছে। দহ বছৰ বয়সৰ পৰাই অসমীয়া ভাষাৰ গীত গাবলৈ শিকি তাতেই ক্ষান্ত নাথাকি বাংলাভাষাৰ গীতো চৰ্চাৰ আয়ত্বৰ মাজলৈ আনিছিল আৰু অসমবাসীক তেওঁৰ অমিয়া সুৰেৰে বান্ধি পেলোৱাৰ প্ৰয়াস কৰিছিল।[১]

ভূপেন হাজৰিকাই বিভিন্ন শ্ৰেণীৰ গীত ৰচনা কৰি জাতি জনগোষ্ঠীৰ লোকৰ অন্তৰৰ আবেগ-অনুভূতিক সেই গীতৰ মাজেৰে প্ৰকাশ কৰাৰ প্ৰয়াস কৰিছিল। ঐতিহ্য বিষয়ক, ৰাজনৈতিক পটভূমি আৰু বিদ্ৰোহ সম্পৰ্কীয় সামাজিক পটভূমি, অপৰূপ অন্তৰ্গত যেনেঃ মানৱ প্ৰেমৰ গীত, প্ৰেমগীত, জাতীয় প্ৰেমৰ গীত, সাময়িক প্ৰসঙ্গৰ গীত, শিশুগীত, লোকগীত আদি বিভিন্ন দিশৰ গীত ৰচনা কৰি গীত পৰিৱেশনৰ মাজেৰে জনতাৰ মণি কোঠাত এখনি বিশিষ্ট আসন দখল কৰিবলৈ সক্ষম হৈছে। আমাৰ এই লানি আলোচনাত ভূপেন হাজৰিকাৰ গীতত দেশ, মাটি আৰু মানৱ প্ৰেম সম্পৰ্কে আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

### ১.১ ভূপেন হাজৰিকাৰ গীতত দেশ, মাটি আৰু মানৱ প্ৰেম :

অসমৰ বৰেণ্য শিল্পী ভূপেন হাজৰিকাই তেওঁৰ গীতসমূহত স্বদেশ আৰু স্বজাতিৰ মঙ্গলৰ হকে চিন্তা কৰি নিজৰ দেশখনক উচ্চ শিখৰলৈ লৈ যোৱাৰ আকাংক্ষা কৰিছিল। কল্পনা বিলাসৰ বিপৰীতে এক সত্য প্ৰশস্তিৰ ধ্যান কৰি শান্তিৰ অনন্য দূত ৰূপে থাকি অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ দিনবোৰৰ সৌন্দৰ্যৰ কলাত্মক ৰূপেৰে হাতবোলাই ৰঙীন কৰাৰ প্ৰয়াস কৰিছিল। কলা-সংগীত আৰু গণ সংগীত- এই দুয়োটা ৰূপতেই নিজৰ প্ৰতিভা বিচ্ছুৰিত কৰি নিৰলস গৱেষণাৰে দেশ আৰু দহৰ বাবে কাম কৰি যোৱাৰ চেষ্টা অব্যাহত ৰাখিছিল।[২]

ভূপেন হাজৰিকাই নিজৰ দেশখনক গভীৰ ভাৱে ভাল পাইছিল। মাটি আৰু মানুহৰ মাজত থকা নিবিড় সম্পৰ্কক গীতৰ মাজেৰে প্ৰকাশ কৰি আৰু বেছি ৰস পূৰ্ণ কৰি তুলিছে। ৰূপহী অসমৰ বৰ্ণনা কৰি ভূপেন হাজৰিকাই এই অসমৰ ৰসাল মাটিতেই সেউজ পৰিৱেশ গঢ় হৈ উঠে সেই কথা গীতৰ মাজেৰে প্ৰকাশ কৰিছে এনেদৰে-[৩]

"অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ

ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ।

অসমী আই ৰূপহী, গুণৰো নাই শেষ

ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ"।

নিজৰ জন্মভূমিখনৰ গুৰুত্ব আৰু তাৎপৰ্য ব্যাখ্যা কৰি এই দেশৰ ৰসাল মাটিত কৃষকে হাড় ভগা শ্ৰম কৰি সোণালী শস্য উৎপাদন কৰে। গীতৰ মাজেৰে হাজৰিকাই তাকেই প্ৰকাশ কৰিছে এনেদৰে-

"গোটেই জীৱন বিচাৰিলেও, অলেখ দিৱস ৰাতি

অসম দেশৰ দৰে নেপাওঁ ইমান ৰসাল মাটি।

অ'চিৰ বিলণীয়া তোমাৰ সেউজ পৰিৱেশ

ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।"[৪]

জাতি-জনগোষ্ঠীৰ লোকক একত্ৰিত কৰি পাহাৰ-ভৈয়ামত সমন্বয়ৰ সেতু গঢ়াৰ এক প্ৰচেষ্টা ভূপেন হাজৰিকাই অব্যাহত ৰাখিছিল। গীতত শিল্পী গৰাকীয়ে প্ৰকাশ কৰিছে যে অসমৰ সেউজীয়া প্ৰকৃতিৰ শস্য শ্যামলা সুন্দৰ দেশ-ৰসাল মাটি পৃথিৱীৰ যেন কতোৱে বিচাৰি পাৱলৈ নাই সেই কথা উল্লেখ কৰিছে এনেদৰে-[৫]

"পাহাৰে ভৈয়ামে একে কৰা ৰামধেনুৰেই দৰে

তোমাৰ ভাষাৰ মৰমবোৰে মিলন সেতু গঢ়ে।

লৌহিত্যৰে বহল পাৰত প্ৰণিপাত কৰোঁ

জন্ম ল'লোঁ ইয়াতেই, ইয়াতে যেন মৰোঁ।

অ' জন্ম ল'লোঁ ইয়াতেই ইয়াতে যেন মৰোঁ।"

আকৌ

"অসম দেশৰ দৰে নেপাওঁ ইমান ৰসাল মাটি।"[৬]

মানৱতাক শ্ৰেষ্ঠ স্থান দিয়া এই গৰাকী শিল্পীয়ে গীতৰ মাজেৰে মানুহক সহানুভূতিশীল হৈ জীৱন-যাপন কৰাৰ কথাও উল্লেখ কৰিছে এনেদৰে—

"মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱাঁ সমনীয়া।"[৭]

হিন্দু-মুছলমানৰ মাজত এক সম্প্ৰীতিৰ এনাজৰী গঢ়ি জাত-পাতৰ ভেদাভেদ নাইকীয়া কৰি শিল্পী গৰাকীয়ে সমাজত বিচিত্ৰতাৰ মাজত ঐক্য স্থাপনৰ প্ৰয়াস কৰিছিল। হাজৰিকাই গীতত এনেদৰে প্ৰকাশ কৰিছে—

"মহাত্মাই হাঁহি বোলে ৰাম-ৰহিম
বান্ধ ৰাম-ৰহিমক
একেলগে একে সঙ্গে বান্ধৰ পাতিম
হায় হায় ৰাম-ৰহিমক
হায় হায় ৰাম-ৰহিমক"[৮]

আকৌ

"মহাত্মাই হাঁহি বোলে গীতাকে শুনিম
বান্ধ বেদকে শুনিম
শুনি পিচে কোৰাণৰো আয়াতক বুজিম।"[৯]

সমাজত শান্তি-শৃংখলা অটুট ৰাখি দেশ তথা দহৰ উন্নতি হোৱা কথা তেওঁৰ গীতত মূৰ্ত হৈ উঠিছে এনেদৰে—

"ধ্বংসমুখী দৃষ্টিভঙ্গী
কিম্বা মনো মালিন্য
সেয়া নহয় মোৰ গানৰ লক্ষ্য
লক্ষ্য শান্তি অনন্য।"[১০]

সমাজত দিয়া আৰু লোৱাৰ মাজেৰে এক সমন্বয় গঢ় লৈ উঠে। গীতত তাৰেই কথা মূৰ্ত হৈ উঠিছে এনেদৰে—

*পদ্মা নদীৰ ধুমুহাত পৰি ক'ত শতজন আহিলে*
*পুইতৰ দুয়োপাৰে ক'তনো অতিথি আদৰিলে*
*কিছু ল'ব লাগে, কিছু দিব লাগে, জীপ যাবলৈ হ'লে—*
*মিলিব লাগে, মিলাব লাগে, ৰবীন্দ্ৰ নাথেও ক'লে,*
*অগ্ৰবাপ জ্যোতিয়ে ইয়াতে জ্যোতিৰ প্ৰপাত বোৱালে*
*অতীপ পাতকীসৱৰ চক্ৰ জ্যোতিৰে কৰি ব্যৰ্থ।*" [১১]

**১.২ সামৰণি ঃ**

ভূপেন হাজৰিকাৰ গীত সমূহৰ যি গুৰুত্ব আৰু তাৎপৰ্য সেয়া আমাৰ উঠি অহা নব প্ৰজন্মই জনাটো অতিকৈ প্ৰয়োজনীয়। নিজৰ দেশখনক, জাতিটোক জানিবলৈ হ'লে সেই দেশৰ বা জাতিটোৰ বিষয়ে অনুৰাগী হোৱাটো নিতান্তই প্ৰয়োজনীয়। উশৃংখলতাক দমন কৰি আমি শান্তি শৃংখলা বজাই ৰাখি দেশ আৰু দহৰ চিন্তা কৰিলেহে এই দেশ আৰু জাতিয়ে উন্নতিৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হ'ব। তাৰ বাবে আমাৰ নৱপ্ৰজন্ম, তথা ছাত্ৰ-ছাত্ৰী অধ্যয়নশীল, জ্ঞান আৰু যুক্তিৰে বিচাৰ কৰিব পৰাকৈ পৈণত শিক্ষাৰে শিক্ষিত হ'ব লাগিব। ভূপেন হাজৰিকাৰ গীত সমূহ বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীয়ে জনাৰ সুবিধা কৰিলে আজিৰ ছাত্ৰই কাইলৈ দেশৰ সুনাগৰিক হৈ আমাৰ দেশৰ আৰু অসমীয়া জাতিৰ উন্নতি হ'ব। কাৰণ সাহিত্য হ'ল সমাজৰ দাপোণ স্বৰূপ। একোটা শ্ৰেষ্ঠগীত, কবিতা বা একোখন শ্ৰেষ্ঠগ্ৰন্থই মানুহৰ জীৱন সলনি কৰিব পাৰে আৰু নৈতিক চৰিত্ৰ গঠন কৰি মানৱ সম্পদ গঢ়ি তোলাত সহায় কৰিব পাৰে। এনে দৃষ্টান্ত যথেষ্ট পোৱা যায়।

**পাদটীকা ঃ**

১. দ্ৰষ্টব্য ঃ (ক) বৰুৱা, পৰাগ কুমাৰঃ 'ড' **ভূপেন হাজৰিকাৰ বাংলাগান,' দৈনিক অসম**, দেওবৰীয়া চ'ৰা (সম্পা. ভাগৱতী, ৰাধিকামোহন), ১১ ডিচেম্বৰ, ২০১১, পৃ.১

(খ) কলিতা, পুলিনঃ **অগ্নিযুগৰ ফিৰিঙতি**, ২০১১ , পৃ.১৭২

২. উৎস (ক) : **কলিতা, সমীনঃ শতাধিক অসমীয়া সাহিত্যিক**, ২০০১, পৃ.৩৭১-৩৭১

(খ) ঠাকুৰীয়া, কনকঃ ড° **ভূপেন হাজৰিকাৰ গীতত এভুমুকি**, পৃ.৩

৩. হাজৰিকা, সূৰ্য্য (সম্পা.)ঃ **ভূপেন হাজৰিকাৰ গীত সমগ্ৰ**, ২০১০, পৃ. ৫৩

৪. উল্লিখিত পৃ. ৫৩

৫. উৎস (ক) হাজৰিকা, সূৰ্য্য (সম্পা.) ঃ পূৰ্বোল্লিখিত, ২০১০, পৃ.৫৩

(খ) ঠাকুৰীয়া, কনকঃ ড° **ভূপেন হাজৰিকাৰ গীতত এভুমুকি**,

৬. হাজৰিকা, সূৰ্য্য (সম্পা.)ঃ পূৰ্বোল্লিখিত, পৃ.৮৩

৭. পূৰ্বোল্লিখিত, পৃ.৩৯৩

৮. পূৰ্বোল্লিখিত, পৃ.৩৮৭

৯. পূৰ্বোল্লিখিত, পৃ.৩৮৭

১০ . পূৰ্বোল্লিখিত, পৃ.৪০৭

১১. পূৰ্বোল্লিখিত, পৃ. ৩৮৯

<u>সহায়ক গ্ৰন্থপঞ্জী</u> ঃ

কলিতা, সমীন ঃ **শতাধিক অসমীয়া সাহিত্যিক**, ষ্টুডেন্টচ্ ষ্ট'ৰ্চ, গুৱাহাটী, ২০০১

কলিতা, পুলিন ঃ **অগ্নি যুগৰ ফিৰিঙতি**, বনলতা, গুৱাহাটী, ২০১১

ঠাকুৰীয়া, কনকঃ ড° **ভূপেন হাজৰিকাৰ গীতত এভুমুকি**

দত্ত, দিলীপ কুমাৰঃ ড° **ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ**, শ্ৰীভূমি পাবলিচিং কোম্পানী, কলিকতা, ১৯৮৪

হাজৰিকা, সূৰ্য্য (সম্পা.) ঃ **ভূপেন হাজৰিকাৰ গীত সমগ্ৰ**, ২০১০

**পত্ৰ-পত্ৰিকা, বাতৰি কাকত, আলোচনী ইত্যাদি ঃ**

**নিনাদ**, সমাজ সাহিত্য-সংস্কৃতি বিষয়ক আলোচনী (সম্পা. শৰ্মা, অনুৰাধা), ২০১১

**দৈনিক অসম**, দেওবৰীয়া চ'ৰা (সম্পা. ৰাধিকামোহন ভাগৱতী), ১১ ডিচেম্বৰ, ২০১১

* * *

লেখিকাঃ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা, বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা

# জীৱনৰ যুঁজ, চ'চিয়েল মিডিয়া আৰু যুৱ প্ৰজন্ম

মিনাক্ষী দাস
অংশকালীন অধ্যাপিকা
দৰ্শন বিভাগ

জীৱন যুঁজ কেতিয়া সমাগত হয় কোনোৱে ক'ব নোৱাৰে। এতিয়া আৰু ৰঙীন ফুলৰ পিছে পিছে দৌৰাৰ কোনো অৰ্থ নাই আৰু সময়ো নাই। জীৱন সাৰ্থক হয়নে নহয় পিছে পৰেও হিচাপ-নিকাচ কৰিব পৰা যাব। প্ৰথমতে জীৱনত এনে ধৰণৰ চাকনৈয়াৰ মাজতে খোপনি পোতাহে মূল কথা। এক কঢ় বাস্তৱৰ সন্মুখীন হ'বলৈ এখোজ-দুখোজকৈ আগবাঢ়িও বাৰে বাৰে পিছুৱাব লগা হয়।

**ফেচবুক কি (Face book)**

ইহ'ল এক চ'চিয়েল নেটৱৰ্কিং সেৱা আৰু ৱেবচাইট। ইয়াক ফেচবুক ইনকৰ্পৰেটেড নামৰ ব্যক্তিগত কোম্পানীয়ে ২০০৪ চনত ইণ্টাৰনেটৰ জৰিয়তে প্ৰচলন কৰিছিল। জুলাই ২০১৩ৰ তথ্য অনুসৰি ১.১৫ বিলিয়নৰো অধিক তথ্যকাৰীয়ে সক্ৰীয়ভাৱে ফেচবুক ব্যৱহাৰ কৰে। ইয়াক ব্যৱহাৰ কৰিবলৈ সদস্যভুক্ত হোৱা প্ৰয়োজন। ৱেবচাইটটোত এটা বিনামূলীয়া



একাউণ্ট খুলি ল'ব লাগে। সদস্যসকলে ইয়াত নিজৰ 'প্ৰফাইলত' নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা, চাকৰি আদি প্ৰকাশ কৰাৰ উপৰিও 'ন'টচ' তড়িৎ যোগাযোগ বা মেচেজিং দুটিয়াকাৰে ব্যৱহাৰ কৰিব পৰা আলোচনা সমাজ বা ফেচবুক গ্ৰুপ, ফটো প্ৰকাশ কৰিব পৰা আদি বিভিন্ন বিনামূলীয়া সেৱা লাভ কৰে। শেহতীয়াকৈ ইয়াত 'ফেচবুক পেজ' বুলি গ্ৰুপৰ নিচিনাই সা-সুবিধা থকা বিনামূলীয়া ৱেবচাইট সেৱা সমূহ যেনেঃ লগ ইন আদি সুবিধাক ব্যৱহাৰ কৰিব পৰাকৈ ইয়াৰ গ্ৰাফ এ পি আই (Api-Aplication Programming Interface) আদি সংযোগ কৰা হৈছে। আমেৰিকাৰ কিছুমান বিশ্ব-বিদ্যালয়ত নৱাগত সকলে ইজনে-সিজনে চিনি পোৱাত সহায় হ'বলৈ 'ফেচবুক' বুলি এটা নিজা ইণ্টাৰনেট ডাইৰেক্টৰী চাৰ্ভিচ ৱেবচাইট ব্যৱহাৰ কৰি তেওঁলোকৰ বিতং তথ্য প্ৰকাশ কৰাৰ ব্যৱস্থা কৰে। ইয়াৰ পৰাই ফেচবুক নামটো লোৱা হৈছে। ফেচবুকৰ স্থাপনকৰ্তা হৈছে মাৰ্ক যুকাৰ বাৰ্গ আৰু তেওঁৰ সহপাঠী এডুৱাৰ্ড চাভেৰিণ, ডাষ্টিন মস্কভাইট আৰু ক্ৰিছ হিউজেচ।

ফেচবুক কিয় ব্যৱহাৰ কৰিব লাগে ফেচবুকক লৈ নানা জ্ঞানীৰ নানা মত। কাৰোবাৰ মতে ভাল, কাৰোবাৰ মতে বেয়া। কোনোৱে ব্যক্তিগত তথ্য বা ভাৱধাৰা সদৰি কৰিলে অসুবিধা বা বিপদ হ'ব পাৰে দেখি দূৰত থাকে। কোনো কোনোৱে আকৌ ফেচবুক নহ'লে থাকিবই নোৱাৰে। অনেকে বিজ্ঞ বুলি ভবা মানুহৰ লগত আলোচনা কৰি বা তেওঁলোকৰ মতামত পঢ়ি শুনি ফেচবুকৰ বিষয়ে নিজৰ স্থিতি গ্ৰহণ কৰে। সাধাৰণতে সচেতন সকলে কোনো এজন জনা মানুহৰ পৰা বুজি শিকি ব্যৱহাৰ কৰি চায় আৰু ভাল-বেয়া নিজেই বুজি লয়। ইয়াত দ্বি-মত নাই যে ভাললৈকে হওঁক বা বেয়ালৈকে হওঁক (ফেচবুক বা টুইটাৰ আদিৰ) আমাৰ নিজৰ ঘৰৰ পৰা আৰম্ভ কৰি আমাৰ চৌপাশৰ সমাজখন, বিশ্বৰ বিভিন্ন চুক-কোণ আদিলৈকে আমাৰ চতুৰ্দিশে ফেচবুকৰ প্ৰভাৱ পৰিছে। অনেকে ইয়াক বিনোদনৰ বস্তু হিচাপে, কোনোৱে জ্ঞানৰ পৰিসৰ বঢ়াবৰ বাবে, কোনোৱে সামাজিক সচেতনতাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছে। অনেকে লাভান্বিত হৈছে আৰু অনেক দুৰ্ভগীয়াই মানসিকভাৱেই হওঁক বা শাৰীৰিক ভাৱেই হওঁক ইয়াৰ চিকাৰো হৈছে। দীৰ্ঘকালত আমাৰ সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহক ই কেনেদৰে প্ৰভাৱিত কৰিব এই কথা সামাজিক ভাৱে আলোচনা কৰিলেহে আমি ভৱিষ্যতৰ এক সুস্থ আৰু সবল সমাজৰ বাবে ইয়াক সুচাৰু আৰু স-কাৰাত্মক ব্যৱহাৰ কৰিবলৈ বা নকৰিবলৈ ফেচবুকৰ ব্যৱহাৰ কাৰী বা সম্ভাব্য ব্যৱহাৰকাৰী সকলক প্ৰস্তুত কৰিব পাৰিম। বৰ্তমান তথ্য প্ৰযুক্তি আৰু সংবাদ সংযোগৰ মাধ্যমৰ যুগৰ কথা বিবেচনা কৰিলে এই বুলিও কোনোৱাতো ভুল নহ'ব যে

প্ৰত্যক্ষভাৱে সমাজৰ সকলো শ্ৰেণীৰ মানুহেই ফেচবুকৰ দ্বাৰা প্ৰভাৱিত হৈছে। যিহেতু সাধাৰণ মানুহে ফেচবুক ব্যৱহাৰ কৰিবই আৰু ফেচবুক ব্যৱহাৰ নকৰিলে সামাজিক সংযোগৰ এটা উৎকৃষ্ট মাধ্যম হেৰাব। এনেক্ষেত্ৰত সমাজৰ সচেতন ব্যক্তি হিচাপে আমি নিজেই ফেচবুকৰ সুস্থ ব্যৱহাৰৰ আদৰ্শ দেখুওৱা উচিত নহ'বনে?

কম্পিউটাৰ বিজ্ঞানৰ ক্ষেত্ৰখনতো বৃহৎ পৰিমাণৰ অসংগঠিত তথ্যৰ সংগ্ৰহ, প্ৰচেচিং আৰু ইয়াৰ বিশ্বাসযোগ্যতা স্থাপন, উত্থাপন সম্পৰ্কীয় গৱেষণা তীব্ৰ গতিত চলিব লাগিছে। আজি কালি 'গুগলত' এটা 'চাচটাৰ্ম' দিলে সি নিজেই আৰু সংশ্লিষ্ট দুটামান সম্ভাব্য অৰ্থ নিজেই দিয়ে?

সুধী সমাজ সচেতন হ'বৰ সময় হ'ল। জনপ্ৰিয় তথ্য প্ৰযুক্তিক উলাই কৰি নহয়, ব্যৱহাৰ কৰিহে সমাজৰ উন্নতি সাধিব পৰা যাব।**

• • •

*লেখিকা: দৰ্শন বিভাগৰ অংশকালীন অধ্যাপিকা, বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা*

## মহৎ লোকৰ বাণী

সংগ্ৰাহক
অনুভা পাটগিৰী
স্নাতক প্ৰথম যাণ্মাসিক

(১) নিজৰ ভৰিৰ ওপৰত থিয় হ'বলৈ শিকা, তেতিয়াহে সংসাৰক ভাল পাব পাৰিবা।

— *স্বামী বিবেকানন্দ।*

(২) ঈশ্বৰৰ কোনো নিজস্ব ধৰ্ম নাই।

— *মহাত্মা গান্ধী।*

(৩) সঁচা কথা সাহসেৰে, সোৱাদ লগাকৈ লিখিব পৰাটো আৰু ক'ব পৰাটোৱেই শ্ৰেষ্ঠ সাহিত্য।

— *লক্ষ্যধৰ চৌধুৰী।*

(৪) সত্যৰ সদায় জয়।

— *মহাত্মা গান্ধী।*

(৫) ভাগ্যক কাহানিও বিশ্বাস নকৰিবা, বিশ্বাস কৰিবা তোমাৰ শক্তিক।

— *লক্ষ্মীনাথ বেজবৰুৱা।*

(৬) চোৰ কৰা যিমান পাপ, নকল কৰা সিমানে পাপ।

— *মহাত্মা গান্ধী।*

# বৰপেটা জিলা পতঞ্জলি যোগ সমিতিৰ উদ্যোগত আৰু বি. এইচ্. বি. মহাবিদ্যালয় যোগ সমিতিৰ সহযোগত

## এমহীয়া সহঃযোগশিক্ষক প্ৰশিক্ষণ শিবিৰৰ কিছু অনুভৱ

পুলকেশ দাস
প্ৰাক্তন ছাত্ৰ,
সমলয় মটৰচৰ সত্ৰাধিকাৰী, ভৱানীপুৰ



ॐ

ওম ভূঃ ভুবঃস্বঃ
তৎ সবিতু বৰেণ্যং
ভৰ্গো দেৱস্য ধীমহি
ধিয়ো যোনঃ প্ৰচোদয়াৎ ওম

পৰমপিতা পৰমেশ্বৰক স্মৰণ কৰি আৰু স্বামীজীৰ ওচৰত প্ৰণিপাত জনাই মোৰ প্ৰতিবেদন আৰম্ভ কৰিছোঁ। প্ৰথমতে মই বৰপেটা জিলা পতঞ্জলি যোগ সমিতি আৰু বি.এইচ্.বি মহাবিদ্যালয় যোগ সমিতিক ধন্যবাদ জনাইছোঁ যাৰ বাবে মই এনেকুৱা এমহীয়া যোগ শিক্ষক শিবিৰ এটিত আশীগৰাকী প্ৰশিক্ষাৰ্থীৰ সৈতে অংশগ্ৰহণ কৰিবলৈ সুবিধা পালোঁ।

১৮-০৯-১৬ ৰবিবাৰে বি. এইচ. বি. কলেজৰ ৰজনীকান্ত চৌধুৰী প্ৰেক্ষাগৃহৰ ভিতৰত বৰপেটা জিলা পতঞ্জলি যোগ সমিতিৰ উদ্যোগত আৰু বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ সহযোগত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানেৰে আমাৰ প্ৰশিক্ষণ শিবিৰৰ আৰম্ভণী হৈছিল। শিবিৰটো উদ্বোধন কৰিছিল সৰুপেটা ৰাজহ চক্ৰৰ, চক্ৰ বিষয়া শ্ৰীযুতা সান্ত্বনা বৰা বাইদেৱে। অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰিছিল কোকৰাঝাৰ পতঞ্জলি যোগ সমিতিৰ জিলা প্ৰভাৰী শ্ৰীযুত মনোজ কুমাৰ মহাহাৰীদেৱে। পতঞ্জলি যোগ সমিতিৰ যুৱ উপ সভাপতি ৰাহুল নাৰ্জাৰীও উপস্থিত আছিল। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন কুমাৰ শৰ্মা, উপাধ্যক্ষা বীণা ৰাণী ডেকা বাইদেউ আৰু শিবিৰৰ তত্ত্বাবধায়ক নমিতা দাস গুৰুং বাইদেৱে সম্পূৰ্ণ সহযোগেৰে অনুষ্ঠানটো আগবঢ়াই নিছিল। সেইদিনৰ কাৰ্যসূচীত বৃক্ষৰোপণৰ অনুষ্ঠান এটিয়েও শিবিৰৰ পৰিক্ৰমাৰ শোভা বৰ্ধন কৰিছিল। উদ্বোধনী অনুষ্ঠানত যোগৰ গুৰুত্বপূৰ্ণ আলোচনাই আমাক প্ৰলুব্ধ কৰিছিল। আমাৰ শিবিৰৰ মুখ্য প্ৰশিক্ষক আছিল অনিল বেঙ্গানীদেৱ আৰু যোগাচাৰ্য ৰাতুল ডেকা মহোদয়।

১৯-০৯-১৬ তাৰিখ সোমবাৰে যোগ প্ৰচাৰক সেৱাভাৱতী হৰিদ্বাৰৰ শ্ৰীঅমলেন্দু সাহাদেৱৰ পৰিচালনাত আমি পাঠ গ্ৰহণ কৰোঁ। তেখেতে ছাত্ৰবৃন্দক সূৰ্যনমস্কাৰ, জগিঙৰ অনুশীলন কৰায় । বাৰ দণ্ড আঠ বৈঠকৰ বিষয়ে জানিবলৈ দিয়ে।

শ্ৰীঅনিল বেঙ্গানীজী আৰু ৰাতুল ছাৰৰ পৰিচালনাত ২০ চেপ্তেম্বৰতো আমি কলেজ প্ৰেক্ষাগৃহতেই প্ৰশিক্ষণ লওঁ। আমি দেহৰ প্ৰণালী আৰু মেদবহুলতাৰ আসনবোৰৰ বিষয়ে জানি লওঁ আৰু প্ৰাণায়াম অভ্যাস কৰোঁ। ২১ আৰু ২২ তাৰিখে আমি মধুমেহ পেকেজ আৰু ১২ বৈঠকৰ বিষয়ে অনুশীলন কৰোঁ। ২১ তাৰিখৰ পৰা আমাৰ প্ৰশিক্ষণৰ স্থান কলেজৰ ইনডোৰ ষ্টেডিয়ামলৈ স্থানান্তৰ হয়।

২৩ চেপ্তেম্বৰ তাৰিখে আমাৰ মাজলৈ আহে ভাৰতৰ পতঞ্জলি যোগ সমিতি (অসম)ৰ শ্ৰীৰাজীৱ উপ... সেইদিনাই কলেজৰ অধ্যক্ষ মহোদয় আহি এটি ভাষণ... গৈছিল। শ্ৰীৰাজীৱজীৰ অনুষ্ঠান খুব সৌহাৰ্দপূৰ্ণ আছিল।

২৪ চেপ্তেম্বৰ তাৰিখে আমি চাৰি প্ৰকাৰৰ আসন আৰু বনৌষধিৰ জ্ঞান লাভ কৰোঁ। সেইদিনা আমি ২০, ২১ আৰু ২২ তাৰিখৰ দৰে বেঙ্গানী ছাৰ, ৰাতুলজী আৰু তৰুণী ... পৰা শিক্ষালাভ কৰোঁ।

২৪ চেপ্তেম্বৰত প্ৰথমবাৰৰ বাবে আমাক আবেলিৰ কালাংশত পাঠদান কৰা হৈছিল। সেইদিনা উপস্থিত আছিল পতঞ্জলি যোগ সমিতিৰ অসম সম্বন্ধ প্ৰভাৰী শ্ৰীৰাজু শৰ্মা আৰু গোৱালপাৰা জিলা পতঞ্জলি যোগ সমিতিৰ মহিলা সদস্যা মিনুজী।

এনেদৰে আহি আহি আমি শিবিৰৰ অষ্টম দিনত ভৰি দিছিলোঁ। ৰাতিপুৱাই পাঁচ বজাতেই হলত আহি আমি পৰিপাটিকৈ নিজৰ স্থানত অৱস্থান লৈছিলোঁ। শ্ৰীৰাজুজী আৰু মিনুজীয়ে দৈনিক যোগ অভ্যাস ক্ৰমৰে ২৫ তাৰিখ ৰবিবাৰৰ ৰাতিপুৱাটো খুব আনন্দময় কৰি তুলিছিল। লাহে লাহে আমাৰ যোগ অভ্যাস নিয়মিত হৈ আহিছিল। শ্ৰীৰাজুজীৰ ৰসিকতাপূৰ্ণ কথাবাৰ্তাই আমাৰ সকলোৰে মন চুই গৈছিল।

২৫-০৯-১৬ তাৰিখ ৰবিবাৰে আবেলিৰ কালাংশ

আমাৰ অতিথি শিক্ষাগুৰু আছিল কোকৰাঝাৰ জিলা পতঞ্জলি যোগ সমিতিৰ যুবা প্ৰভাৰী শ্ৰীপ্ৰকাশ সৰকাৰ জী। তেখেতে আমাক খুব গুৰুত্বপূৰ্ণ একুপ্ৰেচাৰৰ বিষয়ে জানিবলৈ দিয়ে। তেখেতে আমাক ৰেইকী, ফিজিঅ'থেৰাপী আদিৰ বিষয়েও কয়। হাতৰ আঙুলিৰ আগটো চাইনাচ পইন্ট। ইয়াত হেঁচা দিলে চাইনাচাইটিচ ভাল হয় ইত্যাদি শিক্ষাৰে আমাক পাঠদান কৰে।

২৬-০৯-১৬ তাৰিখ প্ৰকাশজীয়ে আমাক খুব সুন্দৰ ভাৱে দৈনিক যোগক্ৰমৰ অভ্যাস কৰায়। তেখেতৰ ব্যস্ততাৰ মাজতেই আমি তেখেতলৈ বিভিন্ন ৰোগীৰ ফোনকল অহা লক্ষ্য কৰিছিলোঁ। সেইদিনা নিকুঞ্জ দাস দেৱো আমাৰ অতিথি আছিল। প্ৰকাশজীয়ে আমাক কিছু কিতাপ উপলব্ধ কৰায়।

২৬-০৯-১৬ আবেলিৰ কালাংশত আমি শক্তিৰঞ্জন পাল, প্ৰাক্তন প্ৰভাৰী পতঞ্জলি যোগ সমিতিক লগ পাওঁ। যোগ শিক্ষকৰ সপ্তমৰ্য্যাদাৰ বিষয়ে শক্তিজীয়ে কয়।

২৭-০৯-১৬ তাৰিখে পুৱাৰ কালাংশত শ্ৰীশক্তি ৰঞ্জনজীৰ লগতে জীৱেশ ভকতদেৱেও যোগ অভ্যাস কৰায়। শ্ৰীশক্তিৰঞ্জনজীয়ে দেহটোক ন'ৰাৰ লগত তুলনা কৰি কৈছিল, 'য়ে বেটা মেৰা সাথ জায়েগা'।

ৰাতিপুৱাৰ কালাংশে আমাৰ যোগচাৰ্য শ্ৰীৰাতুলজী আৰু তৰুণীজীৰ পিছতে ২৮ চেপ্তেম্বৰ বুধবাৰে আমাৰ সাক্ষাৎ হয় আবেলিৰ কালাংশত পতঞ্জলি যোগ সমিতিৰ ৰাজ্যিক প্ৰভাৰী মাননীয় বিকাশ গোস্বামীদেৱৰ সৈতে। তেখেতৰ পাঠদান আছিল শিবিৰৰ আটাইতকৈ আমোদজনক। খুব তৎপৰতাৰে আৰু বন্ধুসুলভ শিক্ষাপ্ৰদানেৰে আমাৰ মন চুই গৈছিল। মাননীয় গোস্বামীদেৱে ৰোগ অনুসৰি যোগ, আয়ুৰ্বেদ আৰু ঔষধ ও প্ৰাণায়ামৰ নিহা দিছিল। কেৱল আঙুৰৰ (৪২ দিন) ৰস খাই কেঞ্চাৰ ৰোগৰ পৰা উপশম পোৱা যায় বুলি তেওঁ কৈছিল। ২৯-০৯-১৬ তাৰিখৰ ৰাতিপুৱাও খুব আমোদজনকভাৱে শ্ৰীবিকাশজীয়ে যোগ অনুষ্ঠান আগবঢ়াই দিয়ে।

শ্ৰীযুত যাদবেন্দ্ৰ কলিতাদেৱে (ভৱানীপুৰ C.H.C. ৰ আয়ুৰ্বেদ চিকিৎসক) ৩০ তাৰিখৰ ৰাতিপুৱাৰ কালাংশত আমাক 'AYUSH' ৰ বিষয়ে জনায় আৰু বিভিন্ন আয়ুৰ্বেদিক ঔষধ আৰু পঞ্চকৰ্মৰ বিষয়ে কয়। যোগক্ৰম শ্ৰীৰাতুলজীয়ে সম্পূৰ্ণ কৰায়, যোগদৰ্শনৰ ওপৰত টোকা দিয়ে।

১-১০-১৬ তাৰিখে শ্ৰীৰাতুলজী, শ্ৰীচম্পকজী আৰু সীমান্ত জীয়ে ৰাতিপুৱাৰ কালাংশত আমাক যৌগিক জগিং, সূৰ্য্য নমস্কাৰ বৈঠক আৰু আসন প্ৰাণায়ামৰ শিক্ষা দিয়ে।

আবেলিৰ কালাংশত শ্ৰীৰাতুলজীয়ে যোগদৰ্শনৰ ওপৰত পাঠ আগবঢ়ায়।

২-১০-১৬ তাৰিখৰ (ৰবিবাৰ) ৰাতিপুৱাৰ কালাংশত বৰপেটাৰোডৰ যোগশিক্ষক অমূলী বড়োদেৱ আৰু ফিজিঅ'থেৰাপিষ্ট জ্যোতিবিপুল দাস (জিণ্টু) দেৱে অংশ লয়। আমি ফিজিঅ'থেৰাপিৰ বিষয়ে কিছু কথা শিকিব পাৰোঁ। আনদিনাৰ দৰে শ্ৰীৰাতুলজীয়ে যোগ ক্ৰম আগবঢ়াই দিয়ে।

মাইক, মালী আৰু মঞ্চৰ আসক্তিৰ পৰা দূৰত থাকিব কোৱা মাননীয় শ্ৰীযুত প্ৰবীৰজীৰ ৩-১০-১৬ তাৰিখৰ ৰাতিপুৱা আৰু আবেলিৰ কালাংশ খুব গুৰুত্বপূৰ্ণ আছিল। তেখেতৰ ভাষণ খুব গাম্ভীৰ্যপূৰ্ণ আছিল। তেখেতে আমাক হঠযোগৰ সামান্য আভাস দি যায়। 'অজ্ঞানতা হমাৰা শত্ৰু হ্যায়।' 'Wisdom

is Bliss ' জাতীয় সুন্দৰ কথা কৈ যায়।

আবেলিৰ কালাশেত তেখেতে একুপ্ৰেচাৰৰ জৰিয়তে গুচৰৰ দুই এগৰাকী বাত বিষৰ ৰোগীক সুস্থ হোৱাৰ বিধান দিয়ে। আমাক তেখেতে কোকৰাঝাৰৰ গো ফাৰ্মলৈ নিমন্ত্ৰণ দি যায়।

৪-১০-১৬ তাৰিখে শ্ৰীবেঙ্গানীজীয়ে আমাক পৰীক্ষাৰ বাবে সম্ভাব্য প্ৰশ্ন দিয়ে আৰু উচ্চৰক্তচাপৰ কাৰণ, লক্ষণ, যৌগিক চিকিৎসা আৰু ঔষধৰ লগতে নিষেধ আহাৰৰ বিষয়ে কয়।

৫-১০-১৬, ৬-১০-১৬ আৰু ৭-১০-১৬ তাৰিখে একেৰাহে তিনিদিন শ্ৰীৰাতুলজী, শ্ৰীচম্পকজী আৰু শ্ৰীসীমান্ত জীয়ে আমাক পাঠ পঢ়ায়। যৌগিক জগিতৰ স্থিতিবোৰৰ নাম লিখাই দিয়ে। ইয়াৰ উপৰিও কিছু প্ৰশ্নোত্তৰ দিয়ে।

৮-১০-১৬ তাৰিখে শ্ৰীৰাতুলজীয়ে যোগক্ৰম অভ্যাস কৰায়, সূৰ্য্য নমস্কাৰ, আৰু বৈঠক অভ্যাস কৰায়।

৯-১০-১৬ তাৰিখ আজি এটি ১০০ নম্বৰৰ পৰীক্ষা লয়। প্ৰশ্নকাকত সিমান জটিল নাছিল। শ্ৰীযুত বেঙ্গানীজীৰ হাস্যৰস, কৌতুকে আমাক আমোদ জগায়।

আমাৰ শিবিৰৰ খুব গুৰুত্বপূৰ্ণ আৰু মনোৰঞ্জক পাঠ আছিল ১০-১০-১৬ তাৰিখ সোমবাৰৰ শিশু শিক্ষা সমিতি বৰপেটা (বিদ্যাভাৰতী)ৰ যোগ প্ৰশিক্ষক শ্ৰীযুত মহানন্দ দাস দেবৰ পাঠদান। তেখেতে ইমান ধুনীয়াকৈ অষ্টাংগ যোগৰ বিষয়ে বুজাই দিয়ে যিটো চিৰদিন মনত ৰৈ যাব। তেখেতক অশেষ ধন্যবাদ জনালোঁ।

১১-১০-১৬ তাৰিখত পাঠদান বন্ধ আছিল। ১২-১০-১৬ তাৰিখে আমাৰ সন্মুখত অতিথি আছিল ভাৰতীয় জনতা পাৰ্টিৰ আৰ. টি. আই কোষৰ শ্ৰীযুত সঞ্জয় কুমাৰ মেধিদেৱ। তেখেতে আমাক ... আচলতে বেয়া মানুহ বুলি একো নাই। উক্ত ... অধিবক্তা মেধি ডাঙৰীয়াই আইনৰ কিছু কথা ... জনায়। নিভা দাস আছিল আন এগৰাকী অতিথি ... প্ৰাণায়ামৰ দ্বাৰা গুৱাহাটীৰ এগৰাকী কেঞ্চাৰ ৰোগী ... আৰোগ্য লাভ কৰাৰ কথা জনায়।

১৩-১০-১৬ এই তাৰিখৰ অতিথি শ্ৰীযুত ... চাৰে (সৰুপেটা হাইস্কুলৰ বিজ্ঞান শিক্ষক) আমাক শৰীৰৰ ... অংগৰ বিষয়ে সুন্দৰকৈ বুজায় দিয়ে। শ্ৰীৰাতুলজীয়ে বিভিন্ন ... উপযোগী প্ৰশ্ন লিখি দিয়ে।

১৪-১০-১৬ তাৰিখে শ্ৰীযুত চম্পক ... আজি পতঞ্জলিৰ ঔষধ দৰ্শনৰ বিষয়ে কয়। চিত্তৰঞ্জন ... দ্বীপেন সৰকাৰদেৱ আৰু নিৰুপমা বাইদেউৰ উপস্থিতি ... আজি ১৫-১০-২০১৬ তাৰিখ শনিবাৰে নমিতা দাস ... বাইদেউ, শ্ৰীৰাতুলজীক লগত লৈ শ্ৰীযুত অনিল ... মৌখিক ও ব্যৱহাৰিক পৰীক্ষা অনুষ্ঠিত কৰে। খুব ... শ্ৰীবেঙ্গানীজীৰ প্ৰশ্নবানত আমি ছাত্ৰ-ছাত্ৰীবোৰ ... হওঁ। তেখেতৰ হাস্যৰসে আমাক আমোদ দিয়ে।

বড়াইগাঁও, পতঞ্জলি যোগ সমিতিৰ ... কাৰ্য্যকাৰিণী শ্ৰীযুত জয়ন্তী ৰায়ৰ উপস্থিতিত আমি ... প্ৰশিক্ষাৰ্থীসকলে ১৬-১০-১৬ তাৰিখ ৰবিবাৰে লিখিত ... (৩০+৭০+১০০)ত বহোঁ। শ্ৰীৰাতুলজী, শ্ৰীকেন্দ্ৰ ... শ্ৰীনমিতা দাস গুৰুং বাইদেউ আৰু শ্ৰীযুত চম্পকজী উপস্থিত থাকে।

১৭-১০-১৬ তাৰিখে মৌখিক পৰীক্ষা অনুষ্ঠিত ... শ্ৰীবেঙ্গানী ছাৰৰ তত্বাৱধানত।

১৮-১০-১৬ তাৰিখে শ্ৰীবাতুলজীয়ে শিক্ষক হিচাপে আমি কেনেকৈ শিকাব লাগিব সেই বিষয়ে বুজাই ক'লে আৰু ১২ টা মুখ্য আসন কৰি বুজাই দিলে।

১৯-১০-১৬ শ্ৰীবাতুলজীয়ে আমাক মঞ্চতএজনকৈ Stage Demonstration ৰ পৰীক্ষা লয়। সদৌ শেষত ২২-১০-১৬ তাৰিখে সামৰণি অনুষ্ঠানৰ বিষয়ে জনায় য'ত মুখ্য অতিথি হ'ব বৰপেটা জিলাৰ উপায়ুক্ত। হোম যজ্ঞ সাধনা কৰিব শ্ৰীঅমলেন্দু সাহাদেৱে।

সদৌ শেষত কওঁ এজন প্ৰশিক্ষাৰ্থী হিচাপে এই শিবিৰত অংশগ্ৰহণ কৰি যাৰেবৰ্ণীয়া অভিজ্ঞতাৰ সাক্ষী হ'লো যাক বৰ্ণনা কৰি শেষ কৰিব নোৱাৰিম। যোগ শিক্ষক বৰপেটা জিলা পতঞ্জলি যোগ সমিতিৰ শ্ৰীযুত অনিল বেঙ্গানীজীৰ ওচৰত আমি ঋণী হৈ ৰ'লো। শ্ৰীযুত বাতুল ডেকাজীৰ তেজস্বী ব্যক্তিত্বই আমাক সদায় মুগ্ধ কৰিছে। শ্ৰীযুতা নমিতা দাস গুৰুৰ বাইদেউৰ অক্লান্ত শ্ৰম আমাৰ পাথেয়। যিসকল শিক্ষাগুৰু, বিষয়বৰীয়া (পতঞ্জলি যোগ সমিতি) বা আন আন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে আমাক জ্ঞান দিলে তেওঁলোকলৈ আমাৰ শিক্ষাৰ্থীৰ ফালৰ পৰা শলাগৰ শৰাই আগবঢ়ালোঁ। যোগ শিক্ষকৰ উদ্দেশ্য আগত ৰাখি আগুৱাই যোৱাৰ সংকল্পৰে স্বামীজীৰ ওচৰত প্ৰণিপাত জনাই মোৰ প্ৰতিবেদন সামৰিছোঁ।

সৰ্বে ভৱন্তু সুখীনঃ
সৰ্বে সন্তু নিৰাময়াঃ
সৰ্বে ভদ্ৰানি পশ্যন্তু
মা কশ্চিৎ দুখঃ ভাগভৱেৎ
ওম শান্তিঃ শান্তিঃ শান্তিঃ

লেখকঃ সহঃ যোগ শিক্ষক প্ৰশিক্ষণ শিবিৰৰ প্ৰথম স্থান প্ৰাপ্ত প্ৰশিক্ষাৰ্থী

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শৈশৱৰ কিছু কথা

চুমি দাস
স্নাতক প্ৰথম ষান্মাসিক



অসমীয়া জাতিক পোহৰৰ পথ দেখুওৱা বৈষ্ণৱ যুগস্ৰষ্টা কবি-সাহিত্যিক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অসমী জাতীয় সাহিত্যৰ উজ্জ্বল ভাস্কৰ। এইজনা মহাপুৰুষে নিজ প্ৰতিভাৰে অসমীয়া সাহিত্যৰ স্বৰ্ণ সৌধ নিৰ্মাণ কৰি থৈ গৈছে পিতৃ কুসুম্বৰ ভূঞা আৰু মাতৃ সত্যসন্ধ্যাৰ গৰ্ভত জন্ম গ্ৰহণ কৰা মানৱৰূপী শংকৰৰ শৈশৱ কালছোৱা নানা অলৌকিক ঘটনাৰে ভৰপূৰ। এই ঘটনাৱাজিৰ পৰা তেওঁ যে পৰম পুৰুষ ভগৱানৰ এক অংশ তাক আমি ভালদৰে বুজিব পাৰো। কিন্তু সকলো দেৱতাতকৈ উত্তম দৈৱকী নন্দন মানৱৰূপী ভগৱান শ্ৰীকৃষ্ণৰ শৈশৱৰ ঘটনাৱাজিৰ লগত মহাপুৰুষ শংকৰদেৱৰ ঘটনাৰ মিল থকা দেখা যায়। শংকৰ চৰিত্ৰত উল্লেখ আছে শংকৰদেৱৰ পিতৃ কুসুম্বৰ ভূঞাৰ এজনী কপিলী গাই আছিল। গাইজনীয়ে প্ৰত্যেক নিশা গোহালিৰ পৰা মুকলি হৈ গৈ সাঁতুৰি ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ শিঙৰিত থকা গোপেশ্বৰ শিৱ

গাখীৰ দি আহি আকৌ গোহালিত আগৰ দৰে সোমাই থাকে। সদায় বাতিপুৱা গাইজনীৰ গাটো তিতি থকাত এদিন কুসুম্বৰ ভূঞাৰ সন্দেহ উপজিল আৰু এদিন ৰাতি তেওঁ মনে মনে চাই থকিল। কুসুম্বৰ ভূঞাই গাইজনীৰ এই অলৌকিক কথা জানিব পাৰি বৰ সন্তোষ লাভ কৰিলে আৰু পূজাৰ সামগ্ৰী লৈ গৈ গোপেশ্বৰক পূজা-অৰ্চনা কৰিলে। ভূঞাদেৱৰ এই কাৰ্যত অতিশয় সন্তোষ লাভ কৰি গোপেশ্বৰ শিৱই তেওঁৰ এটি পুত্ৰ হ'ব বুলি বৰ দান কৰিলে। দেবাদিদেৱ শংকৰৰ বৰতে ১৪৪৯ খৃষ্টাব্দৰ আহিন মাহৰ শুক্লা দশমী তিথিত বৰদোৱাৰ আলিপুখুৰী গাঁওত জন্ম হয় এক উজ্জ্বল জ্যোতিষ্কৰ। এই উজ্জ্বল জ্যোতিষ্ক গৰাকীয়েই হৈছে মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ। পিতৃ কুসুম্বৰ ভূঞাই শংকৰৰ বৰতে এই সৰ্ব-সুলক্ষণযুক্ত পুত্ৰটি লাভ কৰিছিল বাবে তেওঁৰ নাম হৈছিল 'শংকৰ'।

শৈশৱতে পিতৃ-মাতৃক হেৰুওৱা শংকৰক ডাঙৰ-দীঘল কৰিছিল বুঢ়ীমাক খেৰসূতীয়ে। বুঢ়ীমাকৰ আদৰ যত্নেৰে লালিত-পালিত হৈ ধূলি-ধেমালিৰে আনন্দ মধুৰ দিনবোৰ লগৰীয়াৰ লগত অতিবাহিত কৰিছিল। কেতিয়াবা লগৰীয়া ল'ৰাবিলাকৰ সৈতে উমলি-জামলি, ৰং-ধেমালি কৰি লৰি-ঢাপৰি নাচি-বাগি কোঢ়াল কৰি কটাইছিল, কেতিয়াবা থিলা খেলিছিল, কোটোৰা খেলিছিল আৰু কেতিয়াবা বিৰিণাৰ আঁৰত সোমাই লুকা-ভাকুও খেলিছিল। কথিত আছে যে এদিনাখন তেওঁ লগৰীয়া ল'ৰাবিলাকৰ সৈতে হাবিলৈ গৈ এটা পহু পোৱালি ধৰি আনিছিল আৰু অলপ সময় ধেমালি কৰি তাক এৰি দিছিল। আন কোনোবা এদিন এটা চৰাই ধৰি আনিও ধেমালি কৰিছিল। শংকৰ সকলো পৰাই সাহসী আৰু নিৰ্ভীক আছিল। তেওঁ ভৰ বাৰিষা ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ লগৰীয়াসকলক চমৎকৃত কৰি তুলিছিল। ব্ৰহ্মপুত্ৰৰ পাৰত তেওঁ সমনীয়াসকলৰ সৈতে উমলি থাকোঁতে দেখিলে যে এটা পহুৰে নৈৰ পানীত বুকু মাৰি উজাই গৈ আছে। তেতিয়া তেওঁ পহুটো ধৰি আনি লগৰবোৰক দেখুৱাই পুনৰ এৰি দিছিল। অনুপম সৌন্দৰ্যৰ প্ৰতিমূৰ্ত্তি শংকৰ শাৰীৰিক বলতো আছিল অতুলনীয় আৰু সেইবাবে শৌৰ্যৰ পৰিচয় দি খ্যাতি অৰ্জন কৰিছিল শৈশৱতেই। চৰিত পুথিত উল্লেখ আছে যে এদিন তেওঁ কমলি ধৰা পৰমানন্দ আতৈৰ সৈতে বাটেদি যাওঁতে এটা দুষ্ট ষাঁড়ে তেওঁক খুন্দিয়াবলৈ খেদি অহাত তেওঁ কঁকালত কাপোৰ বান্ধি লৈ দুহাতে ষাঁড়টোৰ দুই শিঙত ধৰি তাক পিছহোঁহকাই পেলাই দিছিল। শংকৰৰ যেতিয়া দহ বছৰ বয়স তেতিয়া এদিন তেওঁলোকৰ ঘৰত এডাল ডাঙৰ সাপ সোমাইছিল। সাপটো দেখি বুঢ়ীমাকৰ খুব ভয় লাগিছিল। তেনেতে শংকৰ আহি ঘৰ পালে। তেওঁ সাপটোক নেজত ধৰি একে টোঁচাই টানি আনিছিল আৰু দূৰলৈ পেলাই দিছিল।

বাৰ বছৰ বয়সলৈ দিতিভালি কৰি ফুৰা দুৰ্দান্ত শংকৰক লৈ বুঢ়ীমাক মহাসংকটত পৰিব লগা হৈছিল। বুঢ়ীমাকে নানা বুজনি দি এদিনাখন মহেন্দ্ৰ কন্দলীৰ টোলত নাম লগাই দিলে। কিন্তু কেইদিনমান বিদ্যালয়লৈ গৈ অৰ্থাৎ 'ক' ফলাখন শিকিয়ে

আকাৰ ইকাৰ নোহোৱাকৈয়ে এটা মনোৰম কবিতা ৰচনা কৰিলে। তেওঁৰ ছাত্ৰ জীৱনৰ প্ৰতিভাৰ অবিস্মৰণীয় স্বাক্ষৰ বহন কৰিছে এইফাকি মনোৰম অথচ ভাব গম্ভীৰ ভগৱৎ স্তোত্ৰইঃ

"কৰতল কমল কমল-দল নয়ন।

ভৱদৱ দহন গহন বন শয়ন।।

খৰতৰ বৰশত হতদশ বদন।

খগচৰ নগধৰ ফণধৰ শয়ন।।

নপৰ নপৰ পৰ শতৰত গময়।

সভয় মভয় মম হৰশত তয়।।


জগদঘ মপ হৰ ভৱ ভয় তৰণ।

পৰপদ লয়কৰ কমলজ নয়ন।।"

শিশু শংকৰৰ মনীষাৰ চূড়ান্ত নিদৰ্শন নিহিত হৈ আছে এই স্তোত্ৰটিৰ প্ৰতিটো শব্দৰ মৰ্মে মৰ্মে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অতি কম সময়ৰ ভিতৰতে চাৰিবেদ, চৈধ্যশাস্ত্ৰ, ওঠৰ পুৰাণত ব্যুৎপত্তি লাভ কৰি বিদগ্ধ পাণ্ডিত্যৰ পৰিচয় দিব পাৰিছিল। তেওঁৰ ধৰ্ম, শিক্ষা, সাহিত্য, সংস্কৃতিৰ বহুমুখী প্ৰতিভাৰ ছত্ৰছায়াতে অসমীয়া জাতিয়ে ভেদাভেদ পাহৰি একতাৰ দোলেৰে বান্ধ খাই অসমৰ বুকুত এক মহান সাম্যৰ বাণী প্ৰতিষ্ঠা কৰিছিল। ধৰ্মীয়-জীৱন, সামাজিক জীৱন, ভাষা-সাহিত্য-সংস্কৃতি আদি সকলো ক্ষেত্ৰতে নৱোন্মেষৰ সৃষ্টি কৰি অসমত নৱজাগৰণৰ সূচনা কৰিছিল। মহাপুৰুষজনাৰ জ্ঞানজ্যোতি সমগ্ৰ অসমতে জিলিকি আছে।





• • •

*লেখিকাঃ স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী, বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা।*

# শিক্ষা সংগ্ৰাম

অৰুণ বৰ্মন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ



শিক্ষা হৈছে আমাৰ অহৰহ পাই থকা জ্ঞান। এই শিক্ষা বা জ্ঞান নিশ্চিত হোৱাটো আৱশ্যকীয় কাৰণ ই এক অমূল্য সম্পদ। যিহেতু শিক্ষা আমাৰ আৱশ্যকীয় সম্পদ হয় তেন্তে ভাৰতৰ সকলো জনসাধাৰণৰ প্ৰতি অনুৰোধ এয়াই যে নিজে শিক্ষা লাভৰ বাবে সকলো ধৰণৰ চেষ্টা চলোৱা। ব্যক্তিগত ভাবে চেষ্টা চলোৱাৰ লগতে সামাজিক-ৰাজহুৱা ভাবে চেষ্টা চলোৱাটো অত্যন্ত প্ৰয়োজনীয়। কিয়নো যদি আমি শিক্ষা লাভ কৰিব নোৱাৰো বৰ্তমান পৰিস্থিতিত বহুতো অসুবিধাৰ সন্মুখীন হ'ব

লগা হয়। সেইবাবে আমাৰ শিক্ষাৰ প্ৰয়োজন চৰকাৰৰ ফালৰ পৰা বা সংবিধানৰ ফালৰ পৰা শিক্ষাৰ বাবে যি যুক্তি দাঙি ধৰিছে সেই উক্তিটো হ'ল শিক্ষা প্ৰয়োজনীয় আৰু বাধ্যতামূলক হ'ব লাগিব। এই উক্তিটো যি ধৰণে জনসাধাৰণৰ মাজত মোকলাই দিছে। কিন্তু তেনেধৰণৰ কোনো ব্যৱস্থাৰ যোগান ধৰা নাই। উদাহৰণ: (ক) চৰকাৰী বিদ্যালয়ত শিক্ষা ব্যৱস্থা বা শিক্ষকৰ ব্যৱস্থা যিমানখিনিৰ প্ৰয়োজন সিমানখিনি পোৱা নাই। (খ) ভেঞ্চাৰ বিদ্যালয়সমূহ বৰ্তমানো সম্পূৰ্ণ ৰূপে প্ৰাদেশীকৰণ কৰা হোৱা নাই। (গ) বৰ্তমান সময়তো ভাৰতৰ বিভিন্ন ৰাজ্যত আৰু ৰাজ্যৰ ভিতৰতে কিছুমান জিলাত অন্তৰ্ভূক্ত গাঁওত এতিয়ালৈকে শিক্ষানুষ্ঠান প্ৰতিষ্ঠিত হোৱা নাই। ফলত সেই ঠাইৰ ল'ৰা-ছোৱালীবোৰে শিক্ষাৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছে। হয়তো যিসকল অলপ অৰ্থনৈতিক ভাৱে উন্নত সেইসকলৰ ল'ৰা-ছোৱালীবোৰে শিক্ষা পাইছে বা লাভ কৰিছে। ভাৰত এখন বৃহত্তম ৰাষ্ট্ৰ বুলি পৰিগণিত হৈছে। সেইটো ভাৰতৰ জনসাধাৰণে জানে। আমেৰিকা, আফ্ৰিকা এইবোৰ হৈছে ভাৰতৰ দৰে ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰবোৰে যদি নিজৰ দেশক উন্নতি কৰিব পাৰে আমাৰ ভাৰত দেশ খনে কিয় নোৱাৰে। ইয়াৰ অৰ্থ এয়াই যে আমাৰ ভাৰতবৰ্ষত ৫ বছৰৰ মূৰে মূৰে যি নিৰ্বাচন অনুষ্ঠিত কৰা হয় তাত প্ৰতিনিধি নিৰ্বাচিত হয়। আমি হয়তো নাজানো কিন্তু যি সকল জ্ঞানী বা শিক্ষিত ব্যক্তি সেইসকলে নিশ্চয় জানে বা জনা উচিত। কিয়নো দেশৰ প্ৰতি প্ৰেম, শ্ৰদ্ধা আমাৰ থাকিব লাগিব আৰু আমাৰ দায়বদ্ধতা থাকিব লাগিব। এই কথা আমি নিশ্চয় জানো বা গুৰুত্ব দিয়া উচিত যে ভাৰতবৰ্ষত ৭০ শতাংশ দুখীয়া শ্ৰেণীৰ লোকৰ শিক্ষাৰ ব্যৱস্থা সিমান সুচল নহয়। আমি ভাৰতৰ সকলো জনসাধাৰণে যিমানখিনি পাৰো মিলি-জুলি এক শিক্ষা সংগ্ৰামৰ মাধ্যমেৰে চৰকাৰৰ ওপৰত দাবী উত্থাপন কৰা উচিত আৰু তেনেধৰণৰ দাবী উত্থাপন কৰিলে হাতে-কামে লাগিলে নিশ্চয় আমাৰ শিক্ষা ব্যৱস্থা ভাল হ'ব আৰু সকলোৱে শিক্ষা লাভ কৰিব পাৰিব। আজি যদি চাবলৈ যাওঁ ভাৰতৰ বাহিৰে অন্য ৰাষ্ট্ৰৰ দৃশ্য তেতিয়া হ'লে আমি নিশ্চয় জানিব পাৰিম যে সেইবোৰ ৰাষ্ট্ৰৰ শিক্ষিতৰ সংখ্যা বেছি। তাৰ বাবে তেনেধৰণৰ ৰাষ্ট্ৰত উন্নতিও বেছি। আমাৰ ভাৰতবৰ্ষখনত শিক্ষিততকৈ অশিক্ষিতৰ সংখ্যা বেছি যাৰ বাবে ভাৰতত আগুৱাই যাবৰ বাবে বহুতো বাধাৰ সন্মুখীন

হয়। আমি ভাৰতবৰ্ষৰ জনসাধাৰণে নিজৰ দেশৰ উন্নতিৰ কাৰণে আগুৱাই লৈ যোৱাৰ চেষ্টা আৰু তাৰ লগতে আশা কৰাটো অতি দৰকাৰী। চৰকাৰৰ ফালৰ পৰা সম্পূৰ্ণ ৰূপে সুবিধা দিব লাগিব। তেতিয়া ভাৰতখন উন্নতিৰ দিশত আগুৱাই যাব পাৰিব।●●

---

*লেখক: উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ, বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা।*

---

# তিনিৰ মাহাত্ম্য

সংগ্ৰাহক
জুপিতৰা তালুকদাৰ
স্নাতক প্ৰথম ষাণ্মাসিক

(ক) তিনিটা বস্তু কাৰো নহয়- সময়, মৃত্যু, গ্ৰাহক।

(খ) তিনিটা বস্তুৰ পৰা সদায় আঁতৰত থাকিবা-জুৱাদাৰী, মদাহী আৰু ব্যভিচাৰী

(গ) তিনিটা সদায় অন্তৰত ৰাখিবা-সত্য, ধৰ্ম, সদাচাৰ।

(ঘ) তিনিজন মহান ব্যক্তি- ধন পাই গৌৰব নকৰা, ধন হেৰুৱাই দুখ নকৰা, আনৰ সম্পদ দেখি লোভ নকৰা।

(ঙ) তিনিটা অন্ধহে- কাম ক্ৰোধ, মোহ।

(চ) তিনিটা অন্তৰত নাৰাখিবা- লোভ, ঋণ, দোষ।

(ছ) তিনিটা সদায় নিজৰ কৰি ৰাখিবা-নম্ৰতা, ভদ্ৰতা, সৰলতা।

(জ) তিনিটা সদায় বাধা নিদিবা- দান দিওঁতা, ধৰ্ম প্ৰচাৰ কৰোঁতা, চিকিৎসা কৰোঁতা।

(ঝ) তিনিটা বস্তু ঘূৰাই নাপায়- প্ৰাণবায়ু, মুখৰ কথা, ধনুশৰ।



# শিক্ষা ব্যৱস্থা আৰু শিক্ষাৰ্থীসকলৰ মানসিকতা

দীপজ্যোতি বৈশ্য
স্নাতক দ্বিতীয় ষাণ্মাসিক

শিক্ষাৰ লগত মানৱৰ নিবিড় সম্পৰ্ক জড়িত হৈ আছে। তাতৰ সমস্যা হৈছে শুদ্ধ নহিবৰ থকা অনুষ্ঠানবোৰৰ দুৰ্নীতি আৰু গাফিলতী, শিক্ষিত লোক এজনৰ ...। আজি আমি নিৰক্ষৰ হৈ কি কৰিব পৰা যাব। শিক্ষিত লোক এজন ৰাষ্ট্ৰৰ লগতে অন্যান্য দিশৰ প্ৰতি যিদৰে সচেতন, অশিক্ষিত লোক এজনৰ সেই সচেতনতা অলপ হ'লেও কম। আমি যিহেতু এই সমস্যাবোৰৰ পৰা বিৰত থাকিব নোৱাৰো। গতিকে প্ৰচলিত সমাজ ব্যৱস্থা তথা শিক্ষা ব্যৱস্থাৰ লগত খাপ-খুৱাই চলাৰ মানসিকতা গঢ়ি তোলা উচিত।

অপ্ৰিয় হ'লেও সৰ্বজন স্বীকৃত সত্য যে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ কেৰোণৰ বাবেও আমাৰ নতুন প্ৰজন্মৰ মাজত ইমান নিবনুৱা সৃষ্টি হৈছে, কাৰণ আজিৰ শিক্ষা ঠিক বৃত্তিমুখী হোৱা নাই। তদুপৰি এই শিক্ষাই অৰ্থাৎ পৰিশ্ৰমৰ মৰ্যদাৰ শিক্ষা দিয়া নাই। কৰ্মত যে কোনো শ্ৰেণী বিভাজন থাকিব নোৱাৰে, দেশৰ দহৰ মংগলৰ বাবে সকলো কামেই যে সন্মানজনক সেই কথা আমি উপলব্ধি কৰিব লাগিব। গতিকে আমাৰ শিক্ষা ব্যৱস্থাত কিবা আমূল পৰিৱৰ্তন হ'বলৈ হ'লে ল'ৰা-ছোৱালীবোৰক মানুহ হোৱাৰ, সৎ নাগৰিক হোৱাৰ আদৰ্শৰে দীক্ষিত কৰিব লাগিব।••

---

লেখক: স্নাতক দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ, বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটা।

# বৰপেটা জিলা পতঞ্জলি যোগ সমিতিৰ উদ্যোগত আৰু বি. এইচ্. বি. মহাবিদ্যালয় যোগ সমিতিৰ সহযোগত এমহীয়া সহঃযোগ শিক্ষক প্ৰশিক্ষণ শিবিৰৰ প্ৰতিবেদন

ৰূপা তালুকদাৰ
ভৱানীপুৰ



মই যোগাসনত যোগদান কৰাৰ আগতে মোৰ নিজৰ দেশখনৰ অতীতৰ আধ্যাত্মিক যোগ দৰ্শনৰ বিষয়ে ভালদৰে জনা নাছিলোঁ। কিন্তু বৰপেটা বি. এইচ্. বি. মহাবিদ্যালয়ত অনুষ্ঠিত যোগাসনৰ সহ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ কালাংশত অংশগ্ৰহণ কৰি বহুতো নজনা কথা জনাৰ সুযোগ পাইছোঁ। মই মোৰ বক্তব্য সেহি দীঘলীয়া নকৰি কালাংশত আমন্ত্ৰিত বিশিষ্ট যোগগুৰু সকলৰ বহুমূল্যবান বক্তব্যৰ পৰা মই যিখিনি সম্যক ধাৰণা আয়ত্ত কৰিব পাৰিছোঁ তাৰেই কিছু ইয়াত উল্লেখ কৰিব বিচাৰিছোঁ।

২৪-০৯-২০১৬ ত মই প্ৰথম যোগাসনৰ ক্লাছত উপস্থিত হৈছিলোঁ আৰু সিদিনাখন যোগগুৰু মুখ্য অতিথি হিচাপে আহিছিল আৰু যোগাসনৰ ওপৰত বহুতো তাৎপৰ্যপূৰ্ণ বক্তৃতা ৰাখিছিল। মোৰ স্মৰণ শক্তি কম কাৰণে মনত থকা দুই এটা কথাহে উল্লেখ কৰিব বিচাৰিছোঁ। তেওঁ ভাৰতভূমিৰ ইতিহাসৰ বিষয়ে আমি নজনা বহুতো কথা কৈছিল। তেওঁ কৈছিল বৃটিছ শাসনৰ পৰাধীনতাৰ শিকলি ছিগি আমি যদিও মুক্ত হৈছো বৰ্তমানেও পৰোক্ষভাৱে তেওঁলোকৰ চিন্তাচৰ্চাৰ তলতে আছো। কিয়নো সাজপাৰ, খোৱা-খাদ্যৰ ধৰণ, এল'পেথিক ঔষধকে ধৰি অন্যান্য বহুতো ক্ষেত্ৰত তেওঁলোকৰ সংস্কৃতিৰ প্ৰতি আমি নজনাকৈয়ে ধাৱমান হৈছোঁ। তেওঁ এজন মেকানিকেল ইঞ্জিনিয়াৰ হোৱা সত্বেও সেই পদৰ পৰা অব্যাহতি লৈ নিজৰ দেশখনৰ পুৰণিকলীয়া সংস্কৃতি উদ্ধাৰৰ উদ্দেশ্যে স্বামী ৰামদেৱ বাবাৰ স্বদেশী আন্দোলনৰ লগত জড়িত হৈ পৰে।

তেওঁ যোগাসনৰ সঠিক ৰূপ আমাক দেখুৱাই দিয়াৰ উপৰিও খোৱা-খাদ্যৰ ক্ষেত্ৰত কিছু সতৰ্কতা অবলম্বন কৰিবলৈ দিছিল। কিছুমান অখাদ্য আমাক খাবলৈ মানা কৰিছিল। যেনে-

★ জাৰ্চী গৰুৰ গাখীৰ খাবলৈ মানা কৰিছে। এই গাখীৰ খালে বহুতো নজনা বেমাৰে দেখা দিয়ে। কিয়নো জাৰ্চী গৰুৰ নিজস্ব শক্তি নাই। গৰমৰ দিনত এই প্ৰজাতিৰ গৰুক ফেন দি ৰাখিব লাগে আৰু ঠাণ্ডাৰ দিনত জুই দি ৰাখিব লাগে।

★ ময়দা খাব মানা কৰিছে। ময়দা পানীৰ লগত মিহলালে এঠাৰ নিচিনা হয় যিটো আমাৰ শৰীৰৰ বাবে অপকাৰী। ময়দাৰ পৰিবৰ্তে ঘেঁহৰ আটা খাব লাগে।

★ চেনি খোৱাৰ পৰিৱৰ্তে গুড় খাবলৈ দিছে। ২৬-০৯-১৬ তাৰিখত মই লগ পোৱা দ্বিতীয় গৰাকী যোগগুৰু হ'ল প্ৰকাশ চন্দ্ৰ সৰকাৰ। তেওঁ এই কালাংশত বহুতো চিকিৎসা সম্বন্ধীয় বিধি দিয়াৰ উপৰিও নিজৰ দেশখনৰ প্ৰতি চৰকাৰৰ অমনোযোগিতাৰ বিষয়ে উল্লেখ কৰে। তেওঁ বহুজাতিক কোম্পানীৰ প্ৰলোভনৰ কথাও দোহাৰে। তেওঁ আৰু এটা কথা উল্লেখ কৰি কৈছে যে আমাৰ দেশৰ নাগৰিকসকল দিনক দিনে ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে। কেৱল নিজৰ পৰিয়ালৰ মাজতে আৱদ্ধ থাকিব বিচাৰে। দেশখনৰ প্ৰতি যেন কোনো লোকৰ দায়িত্ব নাই। আমাৰ যুৱচামক তেওঁ আহ্বান জনাইছে স্বামী ৰামদেৱ বাবাৰ স্বদেশী আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰি নিজৰ পৰিয়ালৰ লগতে সমাজ তথা ৰাষ্ট্ৰৰ উন্নতিৰ বাবে আগবাঢ়ি আহিবলৈ।

চিকিৎসা সম্পৰ্কীয় কেইটামান Tips তেওঁ আমাক কৈছিল

* নাকেৰে তেজ ওলালে- নাকৰ ওপৰত প্ৰেছাৰ দিব লাগে।
* মাহেকীয়াত বেছিকৈ ৰক্তক্ষৰণ হ'লে দিনে দুটাকৈ জবা ফুল খাব লাগে।
* হাইপ্ৰেছাৰ কমাবলৈ সোঁহাতৰ বুঢ়া আঙুলিত ৰবৰ এডাল মাৰি দিব লাগে। আঙুলিটোৰ ওপৰভাগ ৰঙা হ'লে পৰিলে ৰবৰডাল খুলি আঙুলিৰ ওপৰত অলপ হেঁচা দিব লাগে। ১৫ মিনিট সময় তেওঁক পানী খাব দিব নালাগে। ২৭-০৬-১৬ তাৰিখৰ কালাংশৰ মুখ্য অতিথি ফকিৰা গ্ৰামৰ পৰা আহিছিল। শক্তিৰঞ্জন পাল ছাৰে এই কালাংশত প্ৰাণায়াম, আসনবোৰ কি কি বেমাৰত কৰিব নালাগে বা এই প্ৰাণায়াম আসনবোৰ কৰিলে কি কি লাভ হয় সেই বিষয়ে বিস্তৃত ভাৱে আলোকপাত কৰিছে। পঞ্চতত্বৰ বিষয়ে ধুনীয়াকৈ বুজাই দিছে। প্ৰাণায়ামক আধুনিক চিকিৎসাৰ মনোবলৰ চিকিৎসা বুলি কৈছে।

তেওঁ ভাৰতীয় অৰ্থনীতিৰ ওপৰত সুন্দৰ আলোকপাত দাঙি ধৰিছে। তেওঁ কৈছে ভাৰতীয় অৰ্থনীতি উন্নত ৰাষ্ট্ৰৰ তুলনাত কোনো গুণে কম নহয় বৰঞ্চ বেছিহে। কিন্তু ইয়াৰ সঠিক অধ্যয়ন আৰু ব্যৱহাৰৰ ক্ষেত্ৰত পিছ পৰি আছে। তেওঁ কৈছে চৰকাৰে নিজৰ দেশৰ কথা নাভাবি কিছুমান বিদেশী কোম্পানীক ভাৰতত ব্যৱসায় কৰিবলৈ অনুমতি দিছে। ভাৰতৰো নিজা কোম্পানী বহুতো আছে। যেনে-Tata company, Dabur ইত্যাদি। আমি ভাৰতীয়সকলে কোনবোৰ দেশীয় কোম্পানী কোনবোৰ বিদেশী কোম্পানী ভালদৰে নজনাৰ বাবে আমাৰ দেশৰ নিজস্ব কোম্পানীবোৰ তল পৰি গৈছে। তেওঁ কৈছে স্বামী ৰামদেৱ বাবাই স্বদেশী কোম্পানী 'পতঞ্জলি'ৰ যোগেদি সমগ্ৰ বিশ্বত ভাৰতীয়মুলৰ কোম্পানীৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে। শেষত তেওঁ যুক্তাত্মক যোগাসনৰ যোগেদি বিশ্বৰ ভিতৰতে নিজৰ দেশখনক শীৰ্ষত দাঙি ধৰিবলৈ আহ্বান জনাইছে।

২৯-০৬-১৬ কালাংশত উপস্থিত হোৱা আমাৰ ৰাজ্যৰ মুখ্য যোগগুৰু বিকাশ গোস্বামী দেৱে ধ্যানৰ মাহাত্ম্যৰ বিষয়ে অৱগত কৰায়। ধ্যানৰ যোগেদি তেওঁ আমাৰ প্ৰশিক্ষণৰ প্ৰথম পৰ্যায় আৰম্ভ কৰিছিল। তেওঁৰ মতে আমি প্ৰতিদিনে ২-৩ ঘণ্টা ধ্যানত বহিব লাগে। তেওঁ নিজেও কেতিয়াবা ২৪ ঘণ্টা ধ্যানত বহি নিজৰ পৰম ঈশ্বৰক অনুভৱ কৰাৰ কথা কৈছে।

ভাৰতীয় মুলৰ নাৰীক তেওঁ গৃহকৰ্ত্তা আখ্যা দি নাৰী সত্তাক মৰ্যাদা প্ৰদান কৰিছে। প্ৰথম

তেওঁক দেখি খুব ভয় লাগিছিল যদিও শেষলৈ সুন্দৰীয়া কথাৰে আমাৰ নিয়মিত প্ৰাণায়াম আসনবোৰ ভালদৰে শিকাই দিছিল। মেদবহুলতা ৰোগীৰ বাবে শৰীৰ চৰ্চাৰ কেইটামান গুৰুত্বপূৰ্ণ Tips দিছিল আৰু প্ৰাণায়াম, আসনবোৰৰ কথা কৈছিল। প্ৰতিদিনে অশ্বগন্ধাৰ পাত এ কিলাকৈ খোৱাৰ উপদেশ দিয়ে।

৩০-০৯-১৬ কালাশেত আমন্ত্ৰিত বিশিষ্ট অতিথি ভবানীপুৰ P.H.C. ৰ আয়ুৰ্বেদিক চিকিৎসক ডঃ যাদবেন্দ্ৰ কলিতা ডাঙৰীয়াই আয়ুৰ্বেদৰ ওপৰত বহল আলোকপাত দাঙি ধৰে। তেওঁ যিখিনি কথা আমাৰ আগত কৈছিল তাৰে কিছু মই ইয়াত লিখিব ওলাইছোঁ।

ভাৰত চৰকাৰে যোগক শিক্ষা ব্যৱস্থাত অন্তৰ্ভূক্ত কৰাৰ উদ্দেশ্যে আৰু শাৰীৰিক, মানসিক সুস্থতা বজাই ৰখাৰ উদ্দেশ্যে 'AYUSH' Mission ৰ ওপৰত জোৰ দিছে। তেওঁ কৈছিল আয়ুৰ্বেদ অতি পুৰণি চিকিৎসা ব্যৱস্থা যিটো পদ্ধতিৰ দ্বাৰা জীৱনৰ জ্ঞান হয়, মানসিক স্থিতি ঠিক থাকে য'ত কোনো পাৰ্শ্বক্ৰিয়া নাই সেইটো ব্যৱস্থাই হ'ল আয়ুৰ্বেদ। তেওঁ AYUSH ৰ Full Form টো লিখি বুজাই দিছিল-

A-AURVED

Y-YOGA

U-UNANI

S-SIDHA

H- HOMEO

তেওঁ কৈছে যিটো আয়ুৰ্বেদ ব্যৱস্থাৰ ওপৰত WHO এ বৰ্তমান গুৰুত্ব দিছে সেই ব্যৱস্থা বহু বছৰ আগতে আমাৰ দেশৰ মনীষীসকলে দেখুৱাই থৈ গৈছে। বৰ্তমানৰ শল্যচিকিৎসাৰ ব্যৱস্থা ১২ হাজাৰ বছৰ আগতে আমাৰ দেশতে আৰম্ভ হৈছিল।

তেওঁ 'Depression' ৰ বিষয়ে ভালকৈ বুজাই দিছিল। ইয়াৰ শেষ পৰ্যায়ত ৰোগীজনে আত্মহত্যাৰ নিচিনা পথ বাছি লয় বুলি কয়। এই 'Depression' ৰ পৰা হাত সাৰিবৰ বাবে আয়ুৰ্বেদৰ অন্তৰ্গত ৰসায়ন পদ্ধতিৰ ব্যৱহাৰৰ কথা উল্লেখ কৰে। বৰ্তমান চৰকাৰেও প্ৰতিখন স্কুল, কলেজত ৰসায়ন পদ্ধতিৰ ঔষধ বিনামূলীয়াকৈ দিয়াৰ প্ৰচেষ্টা হাতত লৈছে।

তেওঁ আমাৰ শৰীৰটো ভালে ৰাখিবলৈ কেইটামান Tips আগবঢ়াইছে। সেইবোৰ হ'ল ডাইবেটিছ নিয়ন্ত্ৰণ: (ক) কেঁচা লেচেৰী চোবাই খালে ৭০% ভাল দিয়ে সিজাই খালে ৪০% হে উপকাৰ হয়।

(খ) কোমল ভেণ্ডি খাব লাগে।

(গ) অৰ্জুন গছৰ ছাল শুকাই প্ৰতিদিনে একাপ চাহ বনাই খোৱাৰ পৰামৰ্শ দিয়ে।

(ঘ) কাতিমাহৰ ক'লা তুলসী পাত ১০ খিলাকৈ প্ৰতিদিনে খাব দিছে। কিয়নো এই মাহত ক'লা তুলসীপাতে সূৰ্যৰ 'D' ভিটামিন যথেষ্ট পৰিমাণে সংৰক্ষণ কৰে। তেওঁ যোগৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৈছে যে যোগ এৰি ভাৰতবৰ্ষ থাকিব নোৱাৰে আৰু আয়ুৰ্বেদ এৰি যোগ থাকিব নোৱাৰে।

০২-১০-১৬ তাৰিখৰ কালাংশত নিমন্ত্ৰিত অতিথি আছিল ফিজিঅ' থেৰাপিষ্ট জিণ্টু দাস আৰু যোগ শিক্ষক অম্‌লি বড়ো। জিণ্টু দাস ডাঙৰীয়াই থেৰাপিষ্টৰ ওপৰত মোৰ দৃষ্টিত ভাল বক্তব্য আগবঢ়াব পৰা নাছিল বা বুজাই দিব পৰা নাছিল। অৰ্থাৎ তেওঁৰ ভাষণখিনি মনোগ্ৰাহী হৈ উঠা নাছিল। কঁকালৰ বিষৰ ব্যায়াম এটা দেখুৱাই দিছিল যিটোক আমি যোগাসনত শলভাসন বুলি কওঁ। যি কি নহওঁক এজন অতিথিৰ বিষয়ে মই এনেদৰে কোৱাতো যুক্তিসংগত নহয় যদিও এই কালাংশৰ ভাল বেয়া দুয়োটা দিশে আমাক ইয়াত উপস্থাপন কৰিবলৈ দিয়া হৈছে।

আন এগৰাকী অতিথি অম্‌লি বড়ো বাইদেউক দেখি সঁচাকৈয়ে যোগাসনৰ সঠিক শিক্ষয়িত্ৰী যেন লাগিছিল। কিয়নো তেওঁৰ শাৰীৰিক বা দৈহিক গঠন খুব ধুনীয়া। এয়া নিশ্চয় তেওঁৰ কঠোৰ যোগভ্যাসৰ ফলতে সম্ভৱ হৈছে। তেওঁ যোগৰ ওপৰত সুন্দৰ ভাষণ দিয়াৰ উপৰিও আসনসমূহ সঠিকভাৱে কৰি দেখুৱাই দিয়ে আৰু দৈনিক খোৱা খাদ্যৰ তালিকা এখন আমাৰ সন্মুখত দাঙি ধৰে।

আমি সোধা বহুতো বেমাৰৰ সমাধান তেওঁ আমাক ধুনীয়াকৈ বুজাই দিয়ে। তাৰোপৰি কিছুমান বেমাৰৰ তাৎক্ষণিক চিকিৎসাৰ বিষয়ে আমাক জ্ঞান দিয়ে। তেওঁ কালাংশত আগবঢ়োৱা আলোকপাতৰ পৰা আমি নিশ্চয় লাভান্বিত হ'ম।

০৩-১০-১৬ তাৰিখৰ কালাংশত আমন্ত্ৰিত বিশিষ্ট অতিথি আহিছিল হৰিদ্বাৰৰ প্ৰবীৰজী।

তেওঁ কালাংশত যোগৰ ওপৰত সুন্দৰ দৃষ্টিভংগী আগবঢ়ায়। এই সংসাৰত তিনি শ্ৰেণীৰ মানুহ আছে বুলি তেওঁ কৈছে—

চোৰ— যিয়ে কেৱল নিজৰ কথা চিন্তা কৰে।

আত্মত্যাগী—যিয়ে নিজৰ কথা নাভাবি কেৱল আন লোকৰ কথা ভাবে।

দেৱত্যাগী—যিয়ে আন লোকৰ উন্নতিৰ কথা ভাবি নিজৰো উন্নতি কৰে।

কিন্তু দুৰ্ভাগ্যবশতঃ আমাৰ সমাজত সচৰাচৰ চোৰ প্ৰবৃত্তিৰ লোকহে বেছিকৈ দেখিবলৈ পাওঁ। তেওঁ দৈনন্দিন স্বামীজীৰ কামত ব্যস্ত থকাৰ কথা শুনি মোৰ নিজকে এই পৃথিৱীৰ অলাগতিয়াল জীৱ যেন লাগিছিল। তেওঁ আমাক কেইবিধমান খাদ্য বৰ্জন কৰিবলৈ দিছিল সেইবোৰ হ'ল- গৰম খাদ্য, তেলজাতীয় খাদ্য, চেনী, কেঁচা নিমখ আৰু ময়দাৰে তৈয়াৰী খাদ্যবস্তু। কিয়নো আজিৰ যুৱসমাজ মম', চাওমিন, বাৰ্গাৰ ইত্যাদিৰ প্ৰতি বেছি আগ্ৰহী যিবিলাক ময়দাৰে তৈয়াৰী আৰু এই ময়দাৰে তৈয়াৰী খাদ্যই আমাৰ শৰীৰত বহুত ক্ষতি কৰে। তেওঁ ধৰ্মৰ যোগেদি নাস্তিক আৰু আস্তিকৰ কথা বুজাই দিয়ে। নাস্তিক বৰ্জন কৰিবলৈ কয়। কিয়নো নাস্তিক প্ৰবৃত্তিয়ে সদায় ভাল কামত বাধা দিয়ে। যিকি নহওঁক তেওঁৰ ক্লাছটো কৰি খুবেই ভাল লাগিছিল।

১২-১০-১৬ আজিৰ এই কালাংশত বিশিষ্ট অতিথি অধিবক্তা সঞ্জয় কুমাৰ মেধি ডাঙৰীয়াই আইনৰ ক্ষেত্ৰত নাগৰিকৰ অজ্ঞতাৰ বিষয়ে আলোচনা আগবঢ়ায়। সৰ্বসাধাৰণ মানুহৰ আইনৰ ওপৰত সম্যক জ্ঞান নথকাৰ ফলত কেনেকুৱা হাৰাশাস্তি ভুগিব লগাত পৰে তাৰ ওপৰত বক্তব্য আগবঢ়ায়। আইন বা অধিবক্তাৰ প্ৰতি মানুহৰ যি মনোভাব তেওঁ নিজে অনুধাৱন কৰি আমাক বুজাই দিয়ে যে আইনে কেতিয়াও মিছাক প্ৰশ্ৰয় নিদিয়ে। তেওঁ যদিও এজন অধিবক্তা তথাপি যোগাসনৰ বিষয়ে সুন্দৰ আভাস প্ৰাঞ্জল ৰূপত আমাৰ সন্মুখত দাঙি ধৰে।

RTI (Right to Information Act) ৰ বিষয়ে জ্ঞান দিয়ে আৰু কেনেকৈ তথ্য জনাৰ অধিকাৰৰ জৰিয়তে নিজৰ লগত হোৱা শোষণ বা দুৰ্নীতিৰ পৰা হাত সাৰিব পাৰি তাক বুজাই দিয়ে। তেওঁ এই কালাংশত ধৰ্মীয় উদাহৰণেৰে আমাক আইন আৰু যোগাসনৰ বিষয়ে যি জ্ঞান দিলে সেয়া বাৰুকৈয়ে শলাগ ল'বলগীয়া। তেওঁ আগবঢ়োৱা আইন সম্বন্ধীয় বহুমূলীয়া জ্ঞানৰ দ্বাৰা মই তথা মোৰ সহপাঠীসকল নিজৰ নিজৰ ব্যক্তিগত জীৱনত বিশেষভাৱে উপকৃত হ'ম।

একে তাৰিখতে উপস্থিত থকা আন এগৰাকী অতিথি আছিল ড° নমিতা দাস গুপ্ত বাইদেউৰ লগত অহা গুৱাহাটীৰ বাসিন্দা মিতা বাইদেউ। তেওঁ নিজ চকুৰে দেখা যোগাসনৰ মাহাত্ম্যৰ কথা আমাক কয় যে কেনেকৈ এজন ব'গ কেন্সাৰ ৰোগীয়ে যোগভ্যাসৰ জৰিয়তে নিশ্চিত মৃত্যুৰ সৈতে যুঁজি যুঁজি বৰ্তমান ঘোড় কাঢ়িব পৰা হৈছে। এয়াই হৈছে ভাৰতীয় মহান যোগীসকলৰ সাধনা যাক আধুনিক চিকিৎসা পদ্ধতিত মানি ল'বলৈ বাধ্য হৈছে।

চাওঁতে চাওঁতে সৰুপেটাত যোগ শিক্ষক প্ৰশিক্ষণৰ শেষ পৰ্যায়ত উপনীত হৈছোঁ আৰু আমাক ৰাতুল ছাৰৰ নেতৃত্বত পৰীক্ষাৰ বাবে সাজু কৰি তোলা হৈছে। এই ক্ষেত্ৰতে মই ড° নমিতা দাস গুপ্ত বাইদেউক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছোঁ। তেওঁ আৰম্ভণীৰ পৰা ইয়াত প্ৰত্যক্ষ ভাৱে জড়িত হৈ বিভিন্ন ক্ষেত্ৰত সহায় আগবঢ়াই আহিছে। এজন দেশৰ দায়িত্বশীল সু-নাগৰিক হিচাপে এই প্ৰশিক্ষণ কেন্দ্ৰটোৰ উপদেষ্টা ৰাতুল ছাৰে নিষ্ঠাৰে যি দায়িত্ব পালন কৰিছে সেয়া আমাৰ মাজৰ কোনো সাধাৰণ ব্যক্তিয়ে কৰিব নোৱাৰে। মই ইয়াত কেৱল কালাংশত উপস্থিত থকা কেইজনমান অতিথিৰ বক্তব্যহে দাঙি ধৰিছোঁ। কিন্তু ৰাতুল ছাৰে আৰম্ভণীৰ পৰা শেষলৈ উশৃংখল বা অনুশাসনৰ মাজত নথকা যুৱচামক সঠিক পথত অনাত যি মহান ভূমিকা পালন কৰিছে সেয়া মই মুখেৰে কৈ নাইবা কাগজত লিখি ধন্যবাদ জ্ঞাপন কৰিলে নিশ্চয় কম হ'ব। তেওঁৰ এই যোগ চৰ্চ্চাৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

মই ব্যক্তিগত ভাৱে এই যোগভ্যাসৰ পৰা কিছু কিছু ক্ষেত্ৰত লাভান্বিত হৈছোঁ। ৰাতিপুৱা ৮ বজাৰ পিছত বিছনাৰ পৰা উঠা ছোৱালীজনী এতিয়া মই ৰাতিপুৱা ৩.৩০ বজাত উঠোঁ। এইক্ষেত্ৰত নিজকে কিবা আচৰিত যেন লাগে। ৰাতি টোপনি নহাৰ ফলত ডিপ্ৰেচনৰফালে গৈছিলো, কোষ্ঠকাঠিন্যত ভুগিছিলো। কিন্তু এতিয়া এইবোৰ সমস্যা দূৰ হ'ল।


সামৰণিত ক'ব খোজো যে যোগ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ সৰুপেটাৰ যি পবিত্ৰ ভূমিত হৈছিল সেই ঠাইখিনি সঁচাকৈয়ে বৰ মনোমোহা। চাৰিওফালে নীৰৱতা, গছ-গছনি, চৰাইৰ মাত আদিয়ে মন প্ৰকৃতিৰ লগত বিলীন হৈ যায়। ৰাতিপুৱাৰ নিৰ্মল বায়ুৱে দেহ-মন শীতল কৰি মনত একাগ্ৰতা গঢ়ি তোলে।

• • •

---

*লেখিকাঃ সহঃ যোগ শিক্ষক প্ৰশিক্ষণ শিবিৰৰ দ্বিতীয় স্থান প্ৰাপ্ত প্ৰশিক্ষাৰ্থী, বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা*

চিন্তা শিল্প



# শিক্ষা আৰু জ্ঞান

কাকলি দাস
প্ৰাক্তন ছাত্ৰী, ...

শিক্ষা আৰু জ্ঞান এই দুয়োটা শব্দ নিবিড় ভাৱে সম্পৰ্কীত আৰু ইটোৰ লগত সিটো সাঙোৰ খাই আছে। ইংৰাজী Education মানে শিক্ষা। ই লেটিন শব্দ। Educare শব্দৰ পৰা Education শব্দটো হৈছে। নৱজাতক এটি মাতৃৰ গৰ্ভৰ পৰা ভূমিষ্ঠ হোৱাৰ দিনৰে পৰাই আৰম্ভ হয় অনানুষ্ঠানিক শিক্ষা। নৱজাতক এটি জন্ম হোৱাৰ লগে লগে অন্তৰখন নিলিখা কাগজৰ দৰে হৈ থাকে। কিন্তু শিশুৱে কেনেকৈ গ'ম নোপোৱাকৈ শিক্ষা আৰম্ভ কৰে সেয়া সময়েহে জানে। শিশুৱে প্ৰথমে আনুষ্ঠানিক ভাৱে শিক্ষা লিখা-পঢ়া নকৰাকৈ বহুত কথা শিকে। প্ৰথমে মাকৰ পৰা কাৰণ ভূমিষ্ঠ হোৱাৰ দিনৰে পৰাই প্ৰথম চিনাকি মাক। ঘৰুৱা পৰিৱেশ, ওচৰ-চুবুৰীয়াৰ পৰিৱেশ ইত্যাদিৰ পৰা। শিশুৰ মানসিক, শাৰীৰিক বিকাশত মাকৰ বিশেষ ভূমিকা থাকে। শিশুৰ মানসিক বিকাশত পৰিৱেশে বিশেষভাৱে প্ৰভাৱ পেলায়। সেয়েহে শিশুৰ শিক্ষাৰ কঠীয়াতলী ঘৰখনেই। শিশুৰ মনটো সদায় কৌতূহল প্ৰৱণ, নজনা কথা জানিবৰ মন। নুবুজা কথা বুজিবৰ মন। সেয়েহে মাতৃগৰাকী বহু প্ৰশ্নৰ সন্মুখীন হয়। কৌতূহল প্ৰৱণতাই জ্ঞান আহৰণ বৃদ্ধি কৰাত সহায় কৰে। শিশুৱে নিজেও নাজানে যে মই কিবা এটা শিকিছো... বহুত কথা শিকি যায়। সুস্থ পৰিৱেশে সু-নাগৰিক গ... পাৰে। যেতিয়া শিশুটোৱে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰে... পাঠ্য-পুথিৰ শিক্ষা ল'ব যায় তেতিয়াহে শিক্ষা গ্ৰহণ... অহা বুলি ভাৱে আমাৰ কিছুমান পিতৃ-মাতৃয়ে ... তেতিয়া ল'ৰা বা ছোৱালীটোক যেনেকৈ নহওঁক শিকি... লাগে। এই ধাৰণা ঘৰখনৰ আঁতাইৰে। ল'ৰা-ছোৱালী... শুনা নিশিকালে এটা সময়ত হাই-কাজিয়া, মৰ-কি... অসুস্থ পৰিৱেশৰ সৃষ্টি কৰে। যাৰ ফলত ল'ৰা বা ছোৱালী... পঢ়া-শুনাত পৰিৱেশ বিনষ্ট হয়। পৰিৱেশ বিনষ্ট হ'লে পঢ়া... বা অন্যান্য সৎ কামত বাধাৰ কাৰণ হৈ উঠে। কিন্তু হাই-কাজিয়া... কৰি পৰিৱেশ বিনষ্ট নকৰি ল'ৰা-ছোৱালীক মৌসন... সুস্থ পৰিৱেশৰ সৃষ্টি কৰি শিক্ষিত কৰাটো এটা জনীয়... কাম। অকল পাঠ্যপুথিৰ শিক্ষাৰে মানুহ শিক্ষিত হ'ব... মানুহৰ দৈনন্দিন জীৱনত চলা-ফুৰা কৰিলে বহুত কথা শি... পাৰি বা জ্ঞান ল'ব পাৰি। বেছিভাগ অভিভাৱকে সন্তানক শি... কৰাৰ লগতে উচ্চ পদস্থ বিষয়া, বজা, মন্ত্ৰী হোৱাৰ স...

# ... জ্ঞান

কাকলি দাস
প্ৰাক্তন ছাত্ৰী, ...

...মই কিয়া এটা শিকিছে। ...
...পৰিৱেশে সু-নাগৰিকৰ জন্ম ...
...নুষ্ঠানিক শিক্ষা গ্ৰহণৰ বাবে ...
... তেতিয়াহে শিক্ষা গ্ৰহণৰ ...
...মান পিতৃ-মাতৃয়ে বা ঘৰৰ...
... যেনেকৈ নহওঁক শিক্ষিত ব্যক্তি...
...টাইৰে। ল'ৰা-ছোৱালীৰ ...
...হাই-কাজিয়া, মাৰ-পিট এটা...
... ফলত ল'ৰা বা ছোৱালীৰ...
...ৰিৱেশ বিনষ্ট হ'লে পৰি-...
...হৈ উঠে। কিন্তু হাই-কাজিয়া...
...ছাৱালীক মৌসনা মাতেৰে...
...কৰাটো এটা জ্ঞানীলোকৰ...
...নুহ শিক্ষিত হ'লে নহয়...
...কৰিলে বহুত কথা শিকি...
...উভয়ে সন্তানক শিক্ষা...
..., মন্ত্ৰী হোৱাৰ সপোন...





লেখে। কিন্তু শিক্ষাৰ লগত যে মানুহৰ জ্ঞান অৰ্থাৎ Knowledge ৰ প্ৰয়োজনীয়তা সেইটো কোনেও অস্বীকাৰ কৰি থকা দেখা নাযায়। জ্ঞানী হ'বলৈ হ'লে শিক্ষাই ইয়াৰ মূল আহিলা বুলি ক'ব পাৰি। শিক্ষাই মানুহৰ জীৱনৰ গতিপথ সলনি কৰি জীৱন পোহৰাই তোলে। শিক্ষাই মানুহৰ জীৱনৰ অবিচ্ছেদ্য অংগ। ইয়াৰ কোনো আৰম্ভণীও নাই ইয়াৰ কোনো শেষও নাই। জীয়াই থকালৈকে ই অহৰহ চলি থাকে।

মনোবিজ্ঞানীসকলে— পোনতে ঠাৱৰ কৰিছিল শিক্ষা ত্ৰিকেন্দ্ৰিক —শিক্ষক, ছাত্ৰ আৰু অভিভাৱক। সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই শিক্ষা পঞ্চকেন্দ্ৰীক আৰু এই শিক্ষাৰ ইটোক বাদ দি সিটোক লৈ শিক্ষা পৰিপূৰ্ণ হ'ব নোৱাৰে। আজিৰ শিশু কাইলৈৰ দেশৰ নাগৰিক। বৰ্তমান বিশ্বায়নৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মন মগজুৰ বিশেষ পৰিৱৰ্তন ঘটা দেখা গৈছে। বিশ্বায়নৰ পৰিৱৰ্তনৰ ফলস্বৰূপে পৃথিৱীখনক হাতৰ মুঠিত ৰাখিবলৈ উপক্ৰম হৈছে।

মানুহে ধৰ্মজ্ঞান ল'বলৈ বহু মুনি-ঋষিৰ দেশ-বিদেশলৈ মঠ-মন্দিৰ, মছজিদত ধৰ্ম কৰিব যায়। কিয় নিজৰ জন্ম ভূমিখনত মঠ-মন্দিৰ বা মছজিদ নাই নেকি? সকলোতে ভগৱান, আল্লা আছে। এই ধৰ্মৰ লগতে যেন মানুহে বহুত কথা শিকাৰ লগতে জ্ঞানও ল'ব পাৰে। তেনেকৈ নিজৰ ঠাইৰ বাহিৰেও মানুহে দেশ-বিদেশলৈ শিক্ষা ল'ব যায়। যিহেতুকে শিক্ষাৰ লগত জ্ঞান জড়িত হৈ থাকে সেয়ে শিক্ষাৰ পৰা আমি কিছু পৰিমাণে হ'লেও জ্ঞান আহৰণ কৰিব পাৰো।

মানুহ সদায় পৰিস্থিতিৰ দাস। বহু শিক্ষিত ব্যক্তি আছে কিন্তু জ্ঞানী নহয়। শিক্ষিত হ'লে যে জ্ঞানী হ'ব পাৰে এনে নহয়। কাৰণ বহুত যেনেকৈ ব্যক্তিৰ পৰা সৰু কামটোও সেইটো যে মিছা হ'ব, এনে নহয় ই উল্টাও হ'ব পাৰে।

কিন্তু ই কেতিয়াবা ব্যতিক্ৰম হোৱা দেখা যায়। কিছুমান ব্যক্তি শিক্ষিত কিন্তু জ্ঞানী নহয়। কোনো ব্যক্তি আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত নহ'লেও কিন্তু জ্ঞানী হ'ব পাৰে। হয়তো-বা ভদ্ৰ সমাজতো কিছুমান ব্যক্তিয়ে অশিক্ষিত মানুহক মূৰ্খ বুলি ঠাট্টা কৰে। মূৰ্খ ব্যক্তিও কিন্তু জ্ঞানী হ'ব পাৰে। মানুহে কিন্তু আনুষ্ঠানিকভাৱে লোৱা পাঠ্য-পুথিৰ শিক্ষাৰ উপৰিও দেখি-শুনি বা পৰিস্থিতিয়ে মানুহক বহু কথা শিকায় বা জ্ঞান দিয়ে। আমাৰ এনেৰ কথা আছে চিকিৎসকে ৰোগীক যেতিয়া চিকিৎসা কৰে তেতিয়া যদি চিকিৎসকজনৰ ব্যৱহাৰ ভাল হয় তেন্তে এষাৰ মৌসনা মাতত ৰোগীজনৰ এটা বঢ়াৰ সমান কাম কৰা বুলি ধাৰণা কৰিব পাৰো। এইবোৰটো জ্ঞান আৰু শিক্ষাৰেই ব্যৱহাৰ। আনহাতে কিছুমান এনেকুৱা ব্যক্তিও আমি সমাজত দেখা পাওঁ যে ডাক্তৰ, ইঞ্জিনীয়াৰ, দাৰ্শনিক, শিক্ষাবিদ ইত্যাদি সমাজৰ গণ্য মান্য ব্যক্তি হ'ব পাৰে। কিন্তু শিক্ষা আছে, অথচ জ্ঞান নাই। সকলো ব্যক্তিয়ে শিক্ষাত গুৰুত্ব দিয়ে, কাৰণ ইয়াৰ আনুষ্ঠানিকভাৱে পাঠ্য-পুথিৰ শিক্ষা ল'ব পৰা সুবিধা আছে। কিন্তু জ্ঞানৰটো কোনো আনুষ্ঠানিক শিক্ষা নাই। ইয়াক নিজে পৰিৱেশৰ পৰা আহৰণ কৰি ল'ব পৰা কথা। শিক্ষাৰ লগে লগে জ্ঞানৰো পৰিসৰ বৃদ্ধি হোৱা বুলি ভাবো। উদাহৰণ স্বৰূপে বহু তথা কথিত ভদ্ৰ সমাজত শিক্ষিত ডাক্তৰ-ইঞ্জিনীয়াৰে পিতৃ-মাতৃক অৱহেলা কৰি বৃদ্ধাশ্ৰমত থোৱা দেখা যায়। এইটো সুস্থ মানসিকতাৰ স্খলন বুলি ক'ব পাৰি। গতিকে মানুহে উপযুক্ত জ্ঞান অৰ্জন কৰি ঘৰখনৰ লগতে সমাজ তথা দেশৰ উন্নতি সাধনত যত্নপৰ হ'ব লাগে।

• • •

লেখক: প্ৰাক্তন ছাত্ৰী, বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটা

লেখে। কিন্তু শিক্ষাৰ লগত যে মানুহৰ জ্ঞান অৰ্থাৎ Knowledge ৰ প্ৰয়োজনীয়তা সেইটো কোনেও কাহানিও ভাবি চোৱা দেখা নাযায়। জ্ঞানী হ'বলৈ হ'লে শিক্ষাই ইয়াৰ মূল আহিলা বুলি ক'ব পাৰি। শিক্ষাই মানুহৰ জীৱনৰ গতিপথ সলাই দি জীৱন পোহৰাই তোলে। শিক্ষাই মানুহৰ জীৱনৰ অবিচ্ছেদ্য অংগ। ইয়াৰ কোনো আৰম্ভণীও নাই ইয়াৰ কোনো শেষও নাই। জীয়াই থকালৈকে ই অহৰহ চলি থাকে।

মনোবিদসকলে— পোনতে ঠাৱৰ কৰিছিল শিক্ষা ত্ৰিকেন্দ্ৰিক —শিক্ষক, ছাত্ৰ আৰু অভিভাৱক। সময়ৰ পৰিবৰ্তনৰ লগে লগে এই শিক্ষা পঞ্চকেন্দ্ৰীক আৰু এই শিক্ষাৰ ইটোক বাদ দি সিটোক লৈ শিক্ষা পৰিপূৰ্ণ হ'ব নোৱাৰে। আজিৰ শিশু কাইলৈৰ দেশৰ নাগৰিক। বৰ্তমান বিশ্বায়নৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ মন মগজুৰ বিশেষ পৰিবৰ্তন ঘটা দেখা গৈছে। বিশ্বায়নৰ পৰিবৰ্তনৰ ফলস্বৰূপে পৃথিৱীখনক হাতৰ মুঠিত বান্ধিবলৈ উপক্ৰম হৈছে।

মানুহে ধৰ্মজ্ঞান ল'বলৈ বহু দূৰ-দূৰণিৰ দেশ-বিদেশলৈ মঠ-মন্দিৰ, মছজিদত ধৰ্ম কৰিব যায়। কিয় নিজৰ জন্ম ভূমিখনত মঠ-মন্দিৰ বা মছজিদ নাই নেকি? সকলোতে ভগৱান, আল্লা আছে। এই ধৰ্মৰ লগতে যেন মানুহে বহুত কথা শিকাৰ লগতে জ্ঞানও ল'ব পাৰে। তেনেকৈ নিজৰ ঠাইৰ বাহিৰেও মানুহে দেশ-বিদেশলৈ শিক্ষা ল'ব যায়। যিহেতুকে শিক্ষাৰ লগত জ্ঞান জড়িত হৈ থাকে সেয়ে শিক্ষাৰ পৰা আমি কিছু পৰিমাণে হ'লেও জ্ঞান আহৰণ কৰিব পাৰো।

মানুহ সদায় পৰিস্থিতিৰ দাস। বহু শিক্ষিত ব্যক্তি আছে কিন্তু জ্ঞানী নহয়। শিক্ষিত হ'লে যে জ্ঞানী হ'ব পাৰে এনে নহয়। কাৰণ ফল যেনেকৈ গছৰ পৰা পকা কাঢ়ৰীয়া খোৱাতে যে মিঠা হ'ব, এনে নহয় ই টেঙাও হ'ব পাৰে।

কিন্তু ই কেতিয়াবা ব্যতিক্ৰম হোৱা দেখা যায়। কিছুমান ব্যক্তি শিক্ষিত কিন্তু জ্ঞানী নহয়। কোনো ব্যক্তি আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত নহ'লেও কিন্তু জ্ঞানী হ'ব পাৰে। তথা কথিত ভদ্ৰ সমাজতো কিছুমান ব্যক্তিয়ে অশিক্ষিত মানুহক মূৰ্খ বুলি ঠাট্টা কৰে। মূৰ্খ ব্যক্তিও কিন্তু জ্ঞানী হ'ব পাৰে। মানুহে কিন্তু আনুষ্ঠানিকভাৱে লোৱা পাঠ্য-পুথিৰ শিক্ষাৰ উপৰিও দেখি-থেকি বা পৰিস্থিতিয়ে মানুহক বহু কথা শিকায় বা জ্ঞান দিয়ে। আমাৰ এযাৰ কথা আছে চিকিৎসকে ৰোগীক যেতিয়া চিকিৎসা কৰে তেতিয়া যদি চিকিৎসকজনৰ ব্যৱহাৰ ভাল হয় তেওঁৰ এযাৰ মৌসনা মাততে ৰোগীজনৰ এটা বড়ীৰ সমান কাম কৰা বুলি ধাৰণা কৰিব পাৰো। এইবোৰটো জ্ঞান আৰু শিক্ষাৰেই ব্যৱহাৰ। আনহাতে কিছুমান এনেকুৱা ব্যক্তিও আমি সমাজত দেখা পাওঁ যে ডাক্তৰ, ইঞ্জিনীয়াৰ, দাৰ্শনিক, শিক্ষাবিদ ইত্যাদি সমাজৰ গণ্য মান্য ব্যক্তি হ'ব পাৰে। কিন্তু শিক্ষা আছে, অথচ জ্ঞান নাই। সকলো ব্যক্তিয়ে শিক্ষাত গুৰুত্ব দিয়ে, কাৰণ ইয়াৰ আনুষ্ঠানিকভাৱে পাঠ্য-পুথিৰ শিক্ষা ল'ব পৰা সুবিধা আছে। কিন্তু জ্ঞানৰটো কোনো আনুষ্ঠানিক শিক্ষা নাই। ইয়াক নিজে পৰিবেশৰ পৰা আহৰণ কৰি ল'ব পৰা কথা। শিক্ষাৰ লগে লগে জ্ঞানৰো পৰিসৰ বৃদ্ধি হোৱা বুলি ভাবো। উদাহৰণ স্বৰূপে বহু তথা কথিত ভদ্ৰ সমাজত শিক্ষিত ডাক্তৰ-ইঞ্জিনীয়াৰে পিতৃ-মাতৃক অৱহেলা কৰি বৃদ্ধাশ্ৰমত থোৱা দেখা যায়। এইটো সুস্থ মানসিকতাৰ স্খলন বুলি ক'ব পাৰি। গতিকে মানুহে উপযুক্ত জ্ঞান অৰ্জন কৰি থকাখনৰ লগতে সমাজ তথা দেশৰ উন্নতি সাধনত যত্নপৰ হ'ব লাগে।

• • •

*লেখকঃ প্ৰাক্তন ছাত্ৰী, বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা*

# শব্দশিল্প



ক'ৰ পৰা তই আহিলি সোণাই
কোন দিশে যাব উৰি,
কিয় বা ফুৰিছ দূৰ-দূৰণিত
অকলেই ঘূৰি ঘূৰি?

ৰঘুনাথ চৌধাৰী

## শব্দ শিল্প/৫৩-৯০



### শব্দ শিল্প/৫৩-৯০

স্বাধীনতা, পক্ষী মই, প্ৰকৃতিৰ নিয়ম, প্ৰকৃতি, সময়, অসমী আই চিৰযুগমীয়া, ত্যাগ, বসন্তৰ গদ্য, মোৰ মন যায়, জীৱন, ক'ত থম মোৰ দুখ, শিকলি, সংকেত, এজাক ধুমুহা, জ্ঞানৰ সাগৰ, বান্ধৱীলৈ বুলি দুআষাৰ, মিছা আৱৰণ, পূৰ্ণিমাৰ অমানিশা, ভৱানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়, শংকৰদেৱ, জীৱনৰ স্মৃতি, হেৰুৱাব বেদনা, ভাগৰুৱা, অসুখী, ৰূপহী অসম, মোৰ গাঁও, মাঁ, যুৱৰাজৰ স্মৃতিত, অভিশপ্ত জীৱন মোৰ, জীৱন এনেকুৱাই, প্ৰেম, প্ৰত্যাশা, তুমি নুবুজিলা মোৰ মৰমৰ ভাষা, বি. এইচ্. বি. কলেজ, হেৰুৱাব বেদনা, বন্ধ দুৱাৰৰ বাহিৰত  ভোকাতুৰ সিহঁত, মিচ্ পিংকী মণি চলিহা

# {স্বাধীনতা}

মৃদুলা দাস
প্ৰাক্তন ছাত্ৰী

আজি বিচাৰি ফুৰিছোঁ স্বাধীনতা .........
হতাশ হৈছোঁ,
দিশহাৰা হৈছোঁ,
তথাপি বিচাৰি ফুৰিছোঁ স্বাধীনতা.......
মোক লাগে এটি শান্তি ময় পৰিৱেশ
বোমা-বাৰুদৰ শব্দবিহীন,
নিৰপৰাধীৰ হাহাকাৰ বিহীন
আৰু সন্ত্ৰাসবিহীন
যি ঠাইত থাকিব কেৱল
শান্তি, অহিংসা আৰু ভাতৃত্ববোধ।
পাম নে কেতিয়াবা এনেকুৱা ঠাই?
হতাশ হৈছো,
দিশহাৰা হৈছো,
তথাপি বিচাৰি ফুৰিছো স্বাধীনতা....।



★★★

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, প্ৰাক্তন ছাত্ৰী

# "পক্ষী মই"

শব্দ শিল্প

কৃত্তিকা মেধি
স্নাতক প্ৰথম ষাণ্মাসিক

ক'ত তুমি???
চাৰিও কাষ বিচাৰিও
দেখা যে নাপাওঁ তোমাক।

প্ৰয়োজনৰ কথা কৈ
দুখ নিদিবা মোক....
তোমাৰ প্ৰয়োজনীয়তা
এই ধৰাত কিমান,
মোৰ জীৱনত কিমান
তুমিও জানা....

আঃ নৰাধম মানৱে
শেষ কৰিলে তোমাক
কাঢ়ি লৈ গ'ল তোমাক
মোৰ পৰা বহু দূৰত...

ক'ত থাকিম মই
কি কৰিম মই
দিশহাৰা কৰিলে মোক
নৰপিশাচ সকলে....

তৃষ্ণাতুৰ মই...
আঃ ৰ'দে দহিছে মোক,
চাৰিওফালে মাথো আছে
মৰুভূমি আৰু মৰুভূমি...

শুনিছানে সৰ্বশ্ৰেষ্ঠ
মোৰ এই করুণ বিননি?
নাপাহৰিবা সিহঁতক
মই যে হ'ম
অকলশৰীয়া।।

***

লেখিকাঃ বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

# প্ৰকৃতিৰ নিয়ম

দ্বীপজ্যোতি বৈশ্য
স্নাতক দ্বিতীয় ষাণ্মাসিক

বসন্তৰ আগমনৰ লগে লগে
কুলি কেতেকীৰ মাতত
গছৰ নতুন কুঁহি পাতে যেন আগজাননী দিয়ে
বসন্তৰ বতৰা।
গছৰ ফল-মূল যেন
আহাৰৰ ভৰ বাৰিষাৰ
সময়ত আম কঠালৰ দিন।
শাওণৰ পথাৰত বোকা পানীৰ
ওপৰত জিলিকে সেউজীয়া চাদৰ।
আহিনৰ মাহৰ বতৰত দিয়ে
শাৰদী ৰাণীৰ আগমনৰ।
কাতি মাহৰ বিহুৰ বতৰা।
আঘোণ মাহত সোণোৱালী দিন।
পুহ মাহত সোণ চপায় মাঘ মাহত
মাঘ মাহত ভোগালীৰ দিন
ফাগুন মাহত পছোৱা
বছৰৰ শেষ চ'ত।




***

লেখকঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ।

# প্ৰকৃতি

ডিম্পী বৰুৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক



প্ৰকৃতিয়ে দিয়ে হেনো আমাক
প্ৰকৃতিৰে ৰস
আনন্দৰ বোল হেনো এই
মায়াবী সংসাৰত।
গছ আছে লতা আছে
আৰু আছে জীৱ
প্ৰকৃতিৰ এই সংসাৰত থাকে
সহ জন জীৱ।
গছ লতাই দিয়ে হেনো আমাক
জীয়াই থকাৰ সুবাস
পশুবোৰে দিয়ে হেনো আমাক
বুদ্ধিৰ বিকাশ।
এইবোৰকে কয় হেনো
প্ৰকৃতিৰে বিকাশ।।

***

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী

# -ঃসময়ঃ-

বুলুমণি কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক

ব্যস্ত পৃথিৱীৰ ব্যস্ত মানুহ
সময় নাই কাৰো বাবে
সময় আগে-আগে
আৰু মানুহ দৌৰিছে তাৰ পিছে পিছে
সময়ৰ লগত খোজ মিলাব গৈ
মানুহবোৰ হৈ পৰিছে
একো একোটা যন্ত্ৰ।
সময়ৰ লগত ফেৰ মিলাব গৈ
মানুহে পাহৰি গৈছে নিজৰ অস্তিত্ব।
মানুহে পাহৰিছে নিজৰ মানৱতা।



সময়ৰ পিছত দৌৰি মানুহে
চাবলৈ পাহৰিছে প্ৰকৃতিৰ ৰূপ সৌন্দ
মানুহবোৰ হৈ পৰিছে যেন
আবেগ-অনুভূতি হীন
একো একোটা যন্ত্ৰ।

***

---

*লেখিকাঃ বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী*

# অসমী আই চিৰযুগমীয়া

হিৰামণি দাস
স্নাতক প্ৰথম ষাণ্মাসিক

আমি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হ'ম।
সাহিত্য, ভাষা-কলা-সংস্কৃতি আছে
কিনো নাই বুলি ক'ম।
কোনে ক'ব পাৰিব আমি দুখীয়া
আজিৰ পৰা অতীতলৈ চিৰ যুগমীয়া।
অসমী আইক ৰক্ষা কৰিবলৈ
আমি সকলোৱে একমত
সজাগ হৈ প্ৰত্যেকেলওঁ নিজৰ নিজৰ,
দায়িত্ব মনত সংকল্প হৈ
খোজে খোজে আগবাঢ়ি গৈ
আমি সমাধা কৰিম দেশৰ সংগ্ৰাম।
ভিন ভিন ভাষা জাতি হ'লেও,
নাই কোনো ভেদাভেদ
নাই কোনো হিংসা
গঢ়ি তুলিম ধৰিত্ৰীৰ সুনাম সকলোৱে।
সন্তান আমি অসম মাতৃৰ
আশীৰ্বাদ লওঁ জীৱন ধাত্ৰীৰ
কোনে ক'ব পাৰিব আমি দুখীয়া
অতীতৰ পৰা আজিলৈ চিৰ যুগমীয়া।

***

---

লেখিকা: বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

# -ঃ ত্যাগ ঃ-

সুস্মিতা বৰ্মন
স্নাতক তৃতীয় যাণ্মাসিক

অচিনাকি হৈ আহিছিলা যদিও
তুমি নাছিলা মোৰ অচিনাকি
তোমাক লগ পাই হেৰুৱালো মই নিজকে
চিনাকী হ'লো মই বেদনাৰূপী ধৰিত্ৰী।
তুমি নজনাকৈয়ে তোমাৰ নাম
খোদিত কৰিলো মোৰ হিয়াত
আৰু মই এই নাম মচিব বিচাৰিলেও
মচি দিব মই নোৱাৰো।

তোমাক এবাৰ মাথো চাবৰ বাবে
তোমাৰ মুখৰ পৰা মাত শুনিবলৈ
মই অতিক্ৰম কৰিব পাৰো বহু হেজাৰ মাইল
তুমি সুখ বিচাৰি মোক পাহৰি যাবলৈ [illegible]
মোক কন্দুৱাই তুমি আনন্দ
হ'ব বিচাৰিছা। হোৱা....।
মই তাত নোৱাৰো মাতিব। কাৰণ
তোমাৰ সুখে মোৰ সুখ।

***

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক তৃতীয় যাণ্মাসিকৰ ছাত্ৰী

শব্দ শিল্প

# বসন্তৰ গদ্য

সুমিত্ৰা ধৰ
স্নাতক প্ৰথম ষাণ্মাসিক

চ'ত মাহ শেষ হ'ল
আকৌ বসন্ত আহিল
গছৰ ডালত লহপহকৈ
কপৌ ফুল ফুলিল।



গছৰ ডালত কুলি-কেতেকীয়ে
আকৌ কিনালে।
তাকে শুনি সকলোৱে
ব'হাগৰ আগজাননী পালে
এদিন নহয় দুদিন নহয়
সাত দিনলৈ বিহু থাকিব
ডেকা গাভৰুৱে হুঁচৰি গাই
ৰঙত মতলীয়া হ'ব
কুলি-কেতেকীয়ে কিনালে
মই থাকো শুনি
ভনীকো চাবলৈ খুলি মাতো
ৰুণি অ' ৰুণি।

***

লেখিকাঃ বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

# মোৰ মন যায়

মিজানুৰ ৰহমান
স্নাতক প্ৰথম যাণ্মাসিক



মোৰ মন যায়
তৰা হ'বলৈ;
আকাশত বহি
তোমাক চাবলৈ।



মোৰ মন যায়
চৰাই হ'বলৈ;
আকাশেদি উৰি উৰি
তোমাক চাবলৈ।



মোৰ মন যায়
পখিলা হ'বলৈ;
তোমাৰ গাত
ফুলৰ পাহিত উৰি ফুৰিবলৈ।

***

লেখকঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ

# জীৱন

সোণতৰা দাস
স্নাতক তৃতীয় ষাণ্মাসিক



জীৱন এক সোৱাদ
পোৱা-নোপোৱাৰ,
মৰম-বিষাদৰ
এক মিলনমালা।

আশাৰ অট্টালিকাই
মানুহক আনন্দ দিয়ে
আশাৰ ৰেঙনিয়ে
মানুহক গতিশীল কৰে।
আশাৰ চাকনৈয়াত
মানুহ পিছলি পৰে,

জীৱনৰ অন্তিম কালত
স্মৃতিৰ আনন্দই,
মানুহক বোবা কৰে, উত্ৰাৱল কৰে।

***

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী

# ক'ত থম মোৰ দুখ

প্ৰাঞ্জল বৰ্মন
স্নাতক তৃতীয় ষাণ্মাসিক

বিষণ্ণ মেঘে ঢকা মনৰ আকাশ
ক্লান্ত আকাশৰ তৰা,
ক'ত থম মোৰ দুখ,
বুকুৰ শিলনিৰে আহিবানে নামি?
পৰ্বতীয়া সৰুলতা
নাচিবনে ঢৌৱে ঢৌৱে?
নৰ্ত্তকী উদাৰতা
নিজানত গৰজে শান্তিৰ মুখ



ক'ত থম মোৰ দুখ?
বসন্তৰ বুকুতে মৰহিছে কলি, ভাঙিছে যৌৱনৰ স্বপ্ন
শাৰদী নিশাতে সৰিছে
টোকোৰা চৰাইৰ বাহ
সদ্য বিবাহিত নাৰীৰ কপালত
ৰঙা সেন্দুৰৰ হালধীয়া ফোঁট,
দুখবোৰ মই বাক থম ক'ত।

* * *

লেখক: বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ

# শিকলি

শব্দ শিল্প

জিণ্টু বৰ্মন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

হিংসাৰ শিকলিৰে
নাবান্ধিবা সময় পখীক
পানীৰ দৰে সময়
নিৰ্মল, স্বচ্ছ
পানীৰ দৰেই
সময়ো নিৰাকাৰ
সময়ক আমিয়ে দেখুৱাম বাট
মানুহেই গঢ়িব
আলোক সন্ধানী বাট



আমিয়ে তোৰ তেজ
শুহি খোৱা
একো একোজন চয়তান
হৃদয়ৰ দৰেই সময়ো বৰ ঠুনুকা
আহক আমিয়েই
গঢ়ি পিতি লৈ
সময়ক কৰি লওঁ বজ্ৰ
সম টান।

***


লেখকঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ

শব্দ শিল্প

# শিকলি

জিণ্টু বৰ্মন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

হিংসাৰ শিকলিৰে
নাবান্ধিবা সময় পখীক
পানীৰ দৰে সময়
নিৰ্মল, স্বচ্ছ
পানীৰ দৰেই
সময়ো নিৰাকাৰ
সময়ক আমিয়ে দেখুৱাম বাট
মানুহেই গঢ়িব
আলোক সন্ধানী বাট



আমিয়ে তোৰ তেজ
শুহি খোৱা
একো একোজন চয়তান
হৃদয়ৰ দৰেই সময়ো বৰ ঠুনুকা
আহক আমিয়েই
গঢ়ি পিতি লৈ
সময়ক কৰি লওঁ বজ্ৰ
সম টান।

***

লেখকঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ

# সংকেত

*পুতুল কুমাৰী দাস*
প্ৰাক্তন ছাত্ৰী



অ' ভাইহঁত আগবাঢ়িবৰ হ'ল
অ' ভনীহঁত সজাগ হ'বৰ হ'ল
বিদেশী অহাৰ ভাৰত অসম বিনাশ হ'ল
সোণৰ অসমখন আমাৰ ওলট-পালট হ'ল।

ভিন্ন দল ভিন্ন জাতি
সোণৰ অসমখনত
সুযোগতে ঠাই ল'ব
সোণৰ অসমত

বি জে পিয়ে গেৰুৱা দল
এ জি পিয়ে লগত
অসম চুক্তি ৰূপায়ণত
নাই যে সংকট
স্বাধীন ভাৰতৰ
স্বাধীন অসম
দেশৰ হকে প্ৰাণ দিম
এই স্বদেশত।

মহাত্মাৰ অহিংসা
অসমৰ আকাংক্ষা
অসমীয়া ৰাইজ আজি
কাঁচৰ লগত তুলনা

অসমৰ মাটি কালিত
মা কালি দুৰ্গা আহিব
অসম চুক্তি ৰূপায়ণত
জগত জিলিকিব।

★★★


লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, প্ৰাক্তন ছাত্ৰী

শব্দ শিল্প

# এজাক ধুমুহা

পম্পী দাস
স্নাতক প্ৰথম যাণ্মাসিক

নিজম নিস্তব্ধ নিশা
বহি আছো অকলশৰে
আকাশৰ জোন তৰাৰ লগত
ভাবি আছো মই শৈশৱৰ স্মৃতিবোৰ
ক'ত কেনেকৈ কিয় হেৰাই গ'ল
মোৰ সেই অতীতৰ স্মৃতিবোৰ
ভাবিছিলো বহুতো সপোন
কিন্তু মোৰ সেই সপোনবোৰ
সপোন হৈয়ে ৰ'ল
হঠাৎ এজাক ধুমুহা আহি
মোৰ মনটো ভাঙি পেলালে।



জীৱনত বহুতো কষ্ট পালো
ভাগিও পৰিলোঁ
তথাপিও মই সফল হ'ব নোৱাৰিলোঁ
ধুমুহা জাক আহি মোৰ
জীৱনত বহুত খেলি-মেলি লগাই দিলে
কিন্তু কিয়???

★★★

লেখিকা: বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

# জ্ঞানৰ সাগৰ

ভটিমা কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক

আহিছিলো এদিন বহুত সপোন লৈ
আমাৰ এই বি. এইচ্. বি. কলেজলৈ,
চেষ্টা কৰি আছো এতিয়াও আমি
আমাৰ সপোন পুৰাবলৈ।



বি. এইচ্. বি. কলেজৰ শিক্ষাৰ্থী আমি
লভিম প্ৰকৃত জ্ঞান,
সেই জ্ঞানৰ পোহৰেৰে উজ্বলাম
আমি আমাৰ কলেজৰ নাম।

তোমাৰ জ্ঞানৰ সাগৰৰ পৰা
লভিছো বহুত জ্ঞান,
তোমাৰ পোহৰেৰে পোহৰাই তুলিম
আমাৰ জীৱনৰ অন্ধকাৰ।

★★★

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

শব্দ শিল্প

# বান্ধৱীলৈ বুলি দুআষাৰ

অনলিভা পাটগিৰী
স্নাতক প্ৰথম ষাণ্মাসিক



নিলিখিলে থাকে বুকুত ব্যথা;
লিখিবলৈ আছে বহুত কথা,
বান্ধৱী তুমি ক'লৈ গুছি গ'লা?
মনৰ কথাবোৰ যে খুলি ন'কলা,
দুদিনৰ বাবে তুমি আহিছিলা,
বান্ধৱী ৰূপে।
দুদিন সমাপ্ত কৰি গুছি গ'লা,
সকলোকে তুমি আপোন কৰি থৈ গ'লা,
মৰমৰ বান্ধোনেৰে বান্ধি ৰাখিছিলা
আহিবানে তুমি আকৌ ঘূৰি,
থাকিবানে তুমি সেই আগৰ দৰে
মোৰ লগত ঘূৰি-ফুৰি।।
দিবানে সেই আগৰ দৰে মৰম, একাঁজলি
মোৰ মৰমৰ বান্ধৱী তোমাক,
আজিলৈ দিলো বিদায়।।
হিয়াৰ মাজত ৰাখিম
তোমাক জীয়াই সদায়।।

***

লেখিকা: বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

# মিছা আৱৰণ

প্ৰণৱ কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক

হাঁহু-শাহু খোৱা ভু-বন্ধৰ
কিমাননৈ তোমাৰ চাকিসীমা,
মোৰ মনে বাৰু কৈয়ে জ্ঞাত,
নাৰী ভাৱমূৰ্ত্তিৰ
একা-বেঁকা হাঁহিৰ গোপন সভ্যতা।

দৃষ্টিহীন প্ৰেমৰ উন্মাদনাক
ৰঙা লিপষ্টিকৰ আভাৰে
আৰু কিমান দিনলৈ মুহিবা,
তোমাৰ দেহৰ উৎবাউলতাই
ব্যাখ্যা কৰে
নিলাজ চাৱনিৰ উপমা।



শব্দৰে প্ৰকাশ কৰিব নোৱাৰো
মই যে এডাল
লাজুকী শিলৰ ৰেখা,
তোমাৰ চঞ্চলতাত বিলীন হয়
নীৰৱ হৈ ৰাউচি মেলা
মোৰ নিৰ্জীৱ মনৰ ক্ষুধা।।।।

★★★

লেখকঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ

# পূৰ্ণিমাৰ অমানিশা



কংকন দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

এই পূৰ্ণিমাৰ ৰাতি কোনে
মোৰ জীৱনলৈ
অমানিশা নমাই
আনিলে,
জোনাকৰ পোহৰতো
মই অন্ধকাৰ হৈ
ৰৈ গ'লো,
এজাক অচিনাকি বতাহে
মোৰ জীৱনৰ পোহৰ
উৰুৱাই লৈ গ'ল,

পূৰ্ণিমাৰ জক্ মক্
পোহৰৰ মাজত
মই এজোপা কাঁইটীয়া
ফুল হৈ ৰৈ গ'লো,
এই অচিনাকি বতাহ
জাক মোৰ জীৱনৰ
কাঁইট হৈ ৰৈ গ'ল।

***

লেখকঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ



# ভবানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়

জুপিতৰা তালুকদাৰ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

ভবানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়
ইয়েই আমাৰ জ্ঞানৰ মহাবিদ্যালয়
লভো ইয়াতেই নানা অভিজ্ঞতা
শিকিলো মানৱতা
ইয়েই যে ভবিষ্যৎ গঢ়িব
ধনী, দুখীয়া, হিন্দু, মুছলমান ভেদাভেদ পাহৰি
গাওঁ আহা সবে মিলি মিলনৰ গান
ৰাখিম মহাবিদ্যালয়ৰ মান
জিলিকি উঠক আমাৰ মহাবিদ্যালয়ৰ নাম।

***

*লেখিকা ঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী*

# ঃ শংকৰদেৱঃ

গীতু মণি দাস

শংকৰ গুৰু
　তুমি মহান ব্যক্তি।
বহু ঠাইত
　প্ৰচাৰ কৰিলা ভক্তি।
কীৰ্ত্তন ঘোষাক কৰিলা
　অসমৰ কীৰ্তিস্তম্ভ,
অসম বাসীক তুমি
　দিলা বহু ভাষাৰ উলম্ব।



চিহ্ন যাত্ৰাৰে
　নাট্য বুৰঞ্জীৰ মেলিলা পাতনি,
বুৰঞ্জীত হয়
　নাট্যৰ নাটনি
বহু নাট বহু বৰগীত
　ৰচিলা তুমি,
অসমীয়া সাহিত্যৰ
　উজ্বল চহকী কৰি।

★★★

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

# জীৱনৰ স্মৃতি

চিমি কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক



সন্ধিয়া পৰত লুইতৰ পাৰত
ভাবিছিলো মই অতীতৰ স্মৃতি
কেতিয়াও পাহৰিব নোৱাৰো মই
অতীতৰ স্মৃতি
জীৱনত বহুতো সপোন ৰচিছিলো
আৰু লুইতৰ নৈ খনিক কৈছিলো
লুইতৰ নৈত বৈ যোৱা সোঁতত
মোৰ স্মৃতিবোৰ দেখা পাইছিলো

সেই তাহানিৰ শৈশৱৰ ধেমালিবোৰ
আজিও মনত পৰে
কিন্তু বিচাৰি ফুৰো
ক'তো বিচাৰি নাপাওঁ
আজিও মোৰ সেই স্মৃতি জীৱনৰ
স্মৃতি হৈ বৈ আছে।

***

লেখিকাঃ বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

# হেৰুৱাৰ বেদনা

অজয় উকিয়া
স্নাতক প্ৰথম ষাণ্মাসিক



'মাঁ' তুমি মোক এৰি গ'লা,
যোৱাৰ আগতে এবাৰো নামাতিলা।
তোমাৰ কথাবোৰ বহুত মনত পৰে,
মনত পৰিলে কি হ'ব?
সেইবোৰ চকু পানী হৈ নিগৰে।
চকুপানীবোৰ ধৰি ৰাখিব মন যায়
ধৰি ৰাখিলে কি হ'ব?
সেইবোৰ যাবগৈ শুকায়।
'মাঁ' তুমি মোক এৰি গ'লা,
যোৱাৰ আগতে এবাৰো নামাতিলা।
অবুজ মনে আজি,
অবুজ হৈয়ো কান্দে
'মাঁ' তোমাৰ স্মৃতিয়ে,
আজিও বুকু বিন্ধে।
কি যে তোমাৰ মমতা
সচাঁকৈয়ে কোনেও নোবাবে,
পাহৰিব তোমাৰ এই বিশালতা
'মাঁ' তুমি মোক এৰি গ'লা
যোৱাৰ আগতে এবাৰো নামাতিলা।

★★★

লেখক : বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ

# ভাগৰুৱা

উপাসনা তালুকদাৰ
স্নাতক পঞ্চম যাণ্মাসিক

এই মৰুভূমিৰ
মৰীচিকাত মই আৰু দৌৰিম কিমান?
দৌৰি দৌৰি মই
ভাগৰুৱা হৈ পৰিছোঁ।
তথাপিতো মই মোৰ মনে
বিচৰা বস্তুটো নেপাই
অৱসাদ ক্লান্ত
নহয়, মই মোৰ দেহ মনত নতুন উদ্যম আৰু সাহস

গোটাই যাম আগুৱাই
সেই অদৃশ্য শক্তিৰ সন্ধানত নহ'লে ভীৰুতাৰ পৰিচয়
ক্লান্ত ভাৰাক্রান্ত জীৱন হ'লেও
মই সেই নেদেখা জনত বিশ্বাস ৰাখি
তীব্ৰ গতিত
আগুৱাই যাম কোনো ক্লান্তি বোধ
নকৰাকৈ
অবিৰাম গতিত........

***

লেখিকা : বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ স্নাতক পঞ্চম যাণ্মাসিকৰ ছাত্ৰী

# অসুখী

শব্দ শিল্প

ইন্দ্ৰজিৎ নাথ
স্নাতক পঞ্চম ষাণ্মাসিক



নুসুধিব এবাৰো মোক ...সুখী নে মই
সকলো উজাৰি দিয়াৰ পিছতো
এতিয়াও মই একুৰিয়াম এটাৰ
চাৰিসীমাত বাস কৰোঁ....
অথচ আপুনি নিতৌ সুউচ্চ স্বপ্ন এটাৰ
সৈতে সুকয় উঠা দেখিলে উৰা মাৰে।
আপুনি যেতিয়া প্ৰেমিক হৈ ভাগৰে
মই মোৰ পাখী গজা দুভৰিৰ বাবে
নিজস্ব পথ এটা নিৰ্মাণত ব্যস্ত হৈ পৰো...
হয়তো এতিয়াও আপোনাৰ আঙুলিবোৰ
আবেলি এটাৰ দৰেই শীতল
কিন্তু প্ৰতিটো জাৰত কঁপি উঠে মোৰ দুহাত
উশাহবোৰ ভগ্নস্তূপ হৈ বাগৰে...
অথচ ইয়াৰ পিছতো আপুনি নিদাৰুণ হৈ
সোধে মোক মোৰ সুখৰ ঠিকনা...

অনুগ্ৰহ কৰি আৰু নুসুধিব সুখী নে মই
এপষেক আমৰণ ধুমুনিয়াহৰ অন্তত
আপোনাক বুকুৰ একোণত
কবৰ দিয়াৰ পিছতো আপোনাৰ কঠিন
কিতাপখনে মোক
এতিয়াও নিৰাশাত বাৰুকৈয়ে নিচুকায়...।


***

লেখক: বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ।

# ৰূপহী অসম

বৰষা দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

নোহোৱা হৈ গ'ল
মোৰ ৰূপহী অসম,
শস্য শ্যামলা
ফল ফুলেৰে ভৰা
নোহোৱা হৈ গ'ল
মোৰ ৰূপহী অসম,
হে মোৰ অসম বাসী (লোক)
কিয় বাৰু এনেকুৱা কৰিছা???
গছ-গছনি কাটি
অৰণ্য হাবি ধ্বংস কৰিলা
ভাবি নাছালা এবাৰো আমাৰ কথা।



সোণোৱালী পথাৰ নোহোৱা হ'ল
বৰষুণৰ পৰিমাণো কমি গ'ল,
এতিয়া দেখোন আমাৰ ৰূপহী অসমত নাটিল
গছ-গছনি কটা বন্ধ কৰা
পিছৰ জনগণৰ কথা চিন্তা কৰা
নোহোৱা হৈ যোৱা
ৰূপহী অসমক
পুনৰ জগাই তোলা।


***

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী।

শব্দ শিল্প

# মোৰ গাঁও

খাইৰুল ইছলাম
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



এইখন আমাৰ গাঁও।
উত্তৰে আছে পল্লা নদী।
দক্ষিণে শত গাঁও।
পূবে আছে পল্লা বজাৰ
পশ্চিমে মাজ গাঁও।
খাল-বিল, জান-জুৰি
আমাৰ গাঁৱৰ নাই।
গাজৰ, মূলা, আলু, কবিৰ
কোনো অভাৱ নাই।
চাকৰী জীৱী মানুহ কিন্তু
আমাৰ গাঁওত নাই।

কৃষক কিন্তু ঘৰে ঘৰে
কৃষকৰ অভাৱ নাই।
অধিক বৰষুণ দিলেও কিন্তু
ধানৰ নহয় ক্ষতি।
এই কাৰণে কৃষকৰ মনত
আজি ইমান ফূৰ্ত্তি
আহা আমি লগে ভাগে
কৰো খেতি-বাতি।

★★★

লেখক : বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ।

# মাঁ

মনিকা পাৰবিন আহমেদ
স্নাতক পঞ্চম যাণ্মাসিক



মাক এৰি একো নকৰো মই
এই ধৰাৰ বুকুত
মাক সৃষ্টিৰ আদিতে পাওঁ
ভূমিষ্ঠ হোৱাৰ আগত মহাঋণী যাৰ ওচৰত
তেৱেঁই মোৰ মৰমৰ মা।
এক নিৰ্দিষ্ট কালত মৃত্যু সম যন্ত্ৰণা দি
মই পৃথিৱী জিনিব আহোঁ
কান্দি কান্দি সকলো সহে
অকলে-অকলে নিৰলে বৈ থাকে চকুলো

চেনেহৰো চেনেহ, চেনেহতে আকৌ মাহ
বাচা মোৰ কলিজাৰ ধন
বুকুৰ স্তনৰ ৰস মুখত গুজি চুপিব দিয়ে
মোৰ সপোন চোৱাৰ বাবে।
নিজে গলি গলি মম বাতিৰ দৰে
পোহৰ দি পৃথিৱী দেখায়
এয়ে মোৰ মৰমৰ মা

★★★

---

*লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক পঞ্চম যাণ্মাসিকৰ ছাত্ৰী*

শব্দ শিল্প

# যুৱৰাজৰ স্মৃতিত

সৰযূ ডেকা তালুকদাৰ
টাঙলা (কুৰোৱাহা)

১৮ জুলাইৰ
এক অভিশপ্ত দুপৰীয়া
মৃত্যুৱে তোক কিৰিলি দিছিল
আমিবোৰে উমঘামেই নাপালো,
তই যে এনেকৈ যাবি
কোনে বাৰু জানিছিল
কাৰ বাবে কিয় বাৰু তই
আমাৰ স্নেহৰ চকুবেহ ফালি
গুচি গ'লি অজান দেশত?
হিয়া ঢাকুৰি তোক জগাইছিলোঁ
তই বাৰু কিয় এবাৰো চকু মেলি নাচালি?
দূৰ নিলীমাৰ কোনোবা কোণত
তই চাগে আমাক চাই আছ।
সেই দুষ্টালি ভৰা হাঁহি মাৰি?
তই কেনে আছ অ' 'বাবা'?
I am alone boy. তই লিখিছিলি?
তইতো অকলশৰীয়া নাছিলি।
তোৰ বন্ধুসকল আহি আছে অ'
সকলোৰে বাক ৰুদ্ধ।



গাঁওৰ বন্ধুবোৰে হেনো
শুবই পৰা নাই, তোৰ কথা ভাবি।
তোৰতো অলেখ সপোন আছিল
সেই সপোন আজি পৰি ৰ'ল।
এদিন ভগবানক লগ পালে সুধিম
কিয় তোক লৈ গ'ল?
আমাৰ বুকু শুদা কৰি।
য'তেই থাক তই কুশলে থাক
স্মৃতিৰ সঁফুৰা মেলিলে
তোক বিচাৰি পাম!!

***

লেখিকাঃ সৰুপেটা গাঁওৰ টাঙলাৰ বাসিন্দা।

# অভিশপ্ত জীৱন মোৰ

কংকন দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

মোৰ জীৱন অভিশপ্ত

কিন্তু.......................

মই জীয়াই আছোঁ।

জীয়াই থকাৰ হাবিয়াস

মনতে পুহি ৰাখিছোঁ।

অনবৰত দুখৰ চাদৰ

উৰি মই হাঁহি আছোঁ।

দুখৰ মাজতো মই সুখ

বিচাৰি ফুৰিছোঁ।

মই যে অভিশপ্ত

কিন্তু.................

মই জীয়াই আছোঁ!



★★★

লেখক : বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ।

শব্দ শিল্প

# জীৱন এনেকুৱাই

পিংকু দাস
স্নাতক প্ৰথম ষাণ্মাসিক

মই বৰ অকলশৰীয়া
এবুকু দুখ জমা হৈছে মনৰ মাজত
দুখ আছে বাবে জীৱনটো সুখময়
স্নেহৰ ৰ'দালি সুবাস হেৰুৱাই
বুকুত ফুলিব ৰংহীন অশোক
মনৰ মাজত গোলাপী শীতল হৈ
বুকুৰ পৰা বুকুলৈ বৈ থাকে
ক্লান্ত অনুভৱবোৰ মোৰ মনত।

বুকুত পলে অনুপলে
সামৰি লৈ ফুৰো অতীতৰ কথা
জীৱন জানো এনেকুৱাই
বিষাদৰ এটি মৰীচিকা।

কেঁচামাটিৰ গোন্ধ বুটলি
পাহাৰ-ভৈয়াম একাকাৰ কৰি
সুখ-দুখ হাঁহি-কান্দোনৰ মাত
গঢ়ি থকা মিলনৰ শিলৰ সেতু
জীৱন জানো এনেকুৱাই.......।

***

লেখিকাঃ বি. এইচ. বি. মহাবিদ্যালয়, সৰুক্ষেত্ৰীৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী।

# প্ৰেম

জুনু মণি তালুকদাৰ
স্নাতক প্ৰথম ষাণ্মাসিক

এটি দুটিকৈ প্ৰেমৰ পাহি
হেঁপাহৰ নীলিমতাক সাৱটি,
সৰি পৰিছে চোতালত
মোৰ আশাৰ পাপৰিৰ সুবাসত।
সুদুৰৰ গগনচুম্বী আকাশ ফালি
হৈ পৰে প্ৰচাৰতে আটলাণ্টিক
হয় নিমিষতে,
অভিলাষী আজুৰি আনে,
হেৰুৱাব খোজা মধুৰ স্মৃতি।
ৰাতিপুৱাৰ চিকমিক ৰ'দ কাঁচলিত
হেঙুলীয়া আভাৰ পৰশ লাগি
লাজুক লাজুক খোজেৰে
প্ৰেমৰ পাপৰিৰ ভাঁজে ভাঁজে



শৰতময় হৈ পৰে পদূলি।
এসোঁতা সুখৰ মেঘৰঞ্জনী
আকাশৰ নীহাৰিকা বুলি।
প্ৰেম হৈ পৰে অভিমানী
ডেউকা ভগা পখীৰ দৰে
নহয় পথভ্ৰষ্ট
মাথো প্ৰেম হৈ পৰে
প্ৰেমৰ দৰে আড়ষ্ট।

***

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী।

শব্দ শিল্প

# প্ৰত্যাশা

বৰ্ণালী পাটগিৰী
স্নাতক চতুৰ্থ ষাণ্মাসিক



জীয়াই থাকিবলৈ মানুহক লাগে
সঁচা বিশ্বাস, সঁচা মৰম, সঁচা বন্ধুত্ব
তোমাৰ লগতো আছিল মোৰ সম্পৰ্ক
প্ৰেমতকৈও গভীৰ বন্ধুত্বৰ।
মানুহৰ মন যে ইমান ঠেক
মই কেতিয়াও ভবা নাছিলো।

তুমি যিদিনালৈ আছিলা মোৰ সকলো আছিল।
কিন্তু, যিদিনা তোমাৰ পৰা
মই আঁতৰি গ'লো, মই হৈ পৰিলো
অকলশৰীয়া, কেৱল অকলশৰীয়া।

★★★

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী

# তুমি নুবুজিলা মোৰ মৰমৰ ভাষা

পপী কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি নুবুজিলা
মোৰ মৰমৰ ভাষা
তুমি নাভাবিলা
মোৰ ভাগৰুৱা মনৰ সপোনৰ কথাবোৰ
মোৰ মৰম,
মোৰ সপোন,
হঠাৎ হ'ল যে নিৰলা...
তোমাৰ অবিহনে এক মিনিট থাকিব নোৱাৰো
তোমাৰ অবিহনে জীয়াই থকাৰ কথা ভাবিব নোৱাৰো।



তুমি নাভাবিলা
এবাৰ মোৰ মৰমৰ কথা
মই তোমাৰ প্ৰেমত আকুল
তুমি নুবুজিলা,
মোৰ মৰমৰ ভাষা......।

★★★

লেখিকাঃ বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

শব্দ শিল্প

# বি. এইচ্. বি. কলেজ



প্ৰীতি চৌধুৰী
স্নাতক প্ৰথম ষাণ্মাসিক

বি. এইচ্. বি. কলেজ
যেন বোকাত ফুলি থকা
এপাহি ফুল।

জাকত জিলিকা বি. এইচ্. বি. কলেজ
নিছিগিব কাহানিও
একতাৰ এনাজৰী

তাহানিতে সিঁচিছিল বীজ
আজিও পাই আছোঁ,
তাৰেই শইচ।

বি. এইচ্. বি. কলেজ
নাম শুনিলেই যেন;
অস্তমিত অৰুণো হয় উদয়।

জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে
জ্ঞান লাভ কৰে একেলগে,
সুনাম গাই চৌপাশে।

বি. এইচ্. বি. কলেজ একতাৰ মিলনথলী,
শিক্ষক-শিক্ষয়িত্ৰীবোৰো ইয়াৰ
জ্ঞানৰ সঁফুৰা।

সপোন আছে সকলোৰে
উজ্বলাবলৈ নিজৰ জীৱন
জ্যোতিৰ শিখাৰে;

শিক্ষক-শিক্ষাৰ্থী একেই স্বৰূপ
জ্ঞান দান অৰ্জনত
কৰে কষ্ট ধ্ৰুৰূপ।

সেয়েহে ৰাখিছে নিজৰ খ্যাতি,
বান্ধি সোণৰ শিকলিৰে;
উজ্বলায় নিজৰ নামটি।

***

লেখিকা: বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

# হেৰুৱাৰ বেদনা

বন্দনা উজিৰ
স্নাতক প্ৰথম ষাণ্মাসিক

মৌনতাৰে ভৰা এইখন ঘৰ,
কিমান যে আশা কৰিছিলোঁ
সপোন বাস্তৱ হ'বলৈ
কোন কাহানিয়ে বৈ গ'ল,
সেই আশা ভৰা সপোনবোৰ।
সকলো পাইছিলো এইখন ঘৰৰ পৰা
কিন্তু এজাক ধুমুহা আহি
চুৰমাৰ কৰি থৈ গ'ল।
হেৰালঙ্গ হেৰালঙ্গ সকলো হেৰাল
আৰু জানো কিবা ভাবি লাভ আছে
হেৰুৱাৰ বেদনাই বুকুখন খুলি খুলি খাইছে
উস্ কি বিষময়!
হেৰুৱাৰ বেদনা!



★★★

লেখিকা: বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী

# বন্ধ দুৱাৰৰ বাহিৰত ভোকাতুৰ সিহঁত

তৃষ্ণা বৰ্মন
প্ৰাক্তন ছাত্ৰী

সিহঁত বন্ধ দুৱাৰৰ বাহিৰত
সজল নয়ন দুটিৰে চাই থাকি
দুৱাৰ খুলি ভিতৰ সোমাবলৈ
আপ্ৰাণ চেষ্টা
পেটত সিহঁতৰ একুৰা জুই জ্বলিছে
সেয়া যে ভোকৰ জুই
অহৰহ আহাৰৰ সন্ধান
সময়ৰ চাকনৈয়াত মানুহবোৰ যন্ত্ৰৰ দৰে
কংক্ৰিটৰ চাৰিবেৰত আবদ্ধ থাকি
এক অনাবিল তৃপ্তি
পাহৰি যায় বন্ধ দুৱাৰৰ বহিঃভাগত
কোনোবা আছে বুলি
আত্মকেন্দ্ৰিকতাই পাহৰাই দিয়ে



মানৱৰ জ্ঞান অনুভৱ আৰু নৈতিকতা
ভুক্ ভুক্ ভুক্ শব্দেৰে জীয়াই থকাৰ এক সংগ্ৰাম
অলপ খাদ্য এটুকুৰা মঙহ
দেখিলে সিহঁতৰ নেলাউটিৰ নৈ বয়
কাৰণ বন্ধ দুৱাৰৰ বাহিৰত ভোকাতুৰ সিহঁত।

***

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, প্ৰাক্তন ছাত্ৰী

# মিচ্ পিংকী মণি চলিহা

প্ৰণৱ কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক

পলাশে আউল লগোৱা ফাগুনী
হৃদয়খনি লৈ
খিৰিকীৰ ফাকেৰে মোৰ চকুত কি চোৱা
মিচ্ পিংকীমণি চলিহা,
উদ্বিগ্নতাৰে ভৰপূৰ হয় নেকি?
তোমাৰ কামনাৰ নিজৰা।
নিথৰ হৈ ৰয়,
লহডা কৌৰৱৰ প্ৰেমৰ কবিতা,

অদূৰৰ পৰাই চুকি পাওঁ মই
তোমাৰ ঢৌ খেলা চুলিৰ সুঘ্ৰাণতা
হৃদয়ৰ কেনভাচত আঁকিছা নেকি
অশ্লীল চিত্ৰলেখা,
অংগীকাৰী আলোক ছায়াৰ
চকুজুৰিয়েই দেখোন তোমাৰ শলিতা।

***

*লেখক : বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ।*

# অনুবাদ গল্প



# অনুবাদ গল্পঃ-৯১-৯৬

❖ হত্যাকাৰী —ড° নমিতা দাস গুৰুং / ৯৩

অনুবাদ গল্প

মূল ঃ চতুৰসেন শাস্ত্ৰী
অনুবাদ ঃ ড° নমিতা দাস গুৰুং

# হত্যাকাৰী



তাঁৰ নাম নুসুখিব। আজি দহ বছৰ ধৰি সেই নামটোক মনৰ পৰা আৰু তাৰ মুখখন মোৰ দৃষ্টিৰ পৰা আঁতৰত ৰাখিবৰ বাবে পাগলৰ দৰে মই ঘূৰি ফুৰিছোঁ। তথাপিও সেই নাম আৰু সেই মুখ সদায় যেন মোৰ লগতেই থাকে। মই ভয় খাওঁ, সি নিৰ্ভীক, মই কান্দো, সি হাঁহে, মই মৰি যাম কিন্তু সি অমৰ।

তাৰ আৰু মোৰ মাজত তেনে পূৰ্বৰ দীঘলীয়া পৰিচয় নাছিল। দিল্লীত আমাৰ গোপন বৈঠক চলি থকা সময়ত সকলোবিলাক দলৰে মানুহ তালৈ আহিছিল। সেই বৈঠকলৈ সিও আহিছিল। মই তাৰ পিনে তেনে বিশেষ দৃষ্টি দিয়া নাছিলো। সি ওচৰতে থিয় হৈ কুকুৰৰ পোৱালি এটাৰ লগত ধেমালি কৰি আছিল। আমাৰ দলপতিয়ে (নায়ক) মোৰ ওচৰলৈ আহি বেছ গহীন সুৰত মোক ক'লে-

'এই যুবকজনক ভালদৰে চিনি লোৱা, কেতিয়াবা তোমাৰ কামত আহিব।' কৈয়ে তেওঁ গুছি গ'ল আৰু মই যুবকজনৰফালে অগ্ৰসৰ হ'লো। মই ভাবিলো, বোধহয় দলপতিয়ে আমাক দুয়োকে কোনো এটি কামৰ দায়িত্ব দিব।

যুবকজনৰ পিনে চাই মই হাঁহিমুখেৰে ক'লো- 'কিমান মৰম লগা জন্তু নহয়নে?'

মোৰ চকুত পোনপটীয়া দৃষ্টি ৰাখি মোক উদ্দেশি সি ক'লে- 'মই যদি ইয়াৰ সহোদৰ ভাই হ'লোহেঁতেন!' কথাষাৰ শুনি মই হাঁহি ৰখাব নোৱাৰা হ'লো। সি মিচিকিয়াই হাঁহিলে। দুই-এটা ইফাল-সিফাল কথা হ'লো। সেই দিনাখনৰ পৰাই সি মোৰ বন্ধু হৈ পৰিল।

দিনৰ পিছত দিন পাৰ হৈ গ'ল। অকৃত্ৰিম ভালপোৱা আৰু বন্ধুত্বই আমাৰ দুয়োৰে হৃদয় স্পৰ্শ কৰিলে, ইজনে সিজনৰ

সৰল আৰু অকপট ব্যৱহাৰত আকৃষ্ট হৈ পৰিলো। এদিন সি মোক গাঁৱলৈ লৈ গ'ল, সি যেন মোৰ এৰো কথাকেই শুনিবলৈ প্ৰস্তুত নহয়। গাঁৱৰ এটি কোণত সুন্দৰ অট্টালিকা। দৰাচলতে সি গাঁওখনৰ জমিদাৰৰ সন্তান আছিল।

একমাত্ৰ সন্তান যেন হৃদয় আৰু মুখাবয়বৰ মাজত কোনো পাৰ্থক্য নাই। দুদিনমানতে তাৰ মাকে মোকো 'পুত্ৰ' বুলি ক'বলৈ আৰম্ভ কৰিলে। তাত মই সাদিন ধৰি মাতৃস্নেহ লাভ কৰিলো। তাৰ পিছত গুছি আহিলো। আকৌ গ'লো আকৌ আহিলো। এতিয়া যেন তাৰ অবিহনে একোতে মন নবহে। আমাৰ দুয়োৰে প্ৰাণ দুয়োৰে মাজত নিবদ্ধ হৈ পৰিছিল। বন্ধু প্ৰেমৰ সীমাই যেতিয়া চৰম সীমা পালে, তেতিয়া এদিন সি আবেগতে কৈ উঠিল- 'যদি কোনো অঘটন ঘটি আমাৰ দুয়োৰে কোনোবা এগৰাকী নাৰী হৈ যাওঁ, তেতিয়া আমি বিয়া কৰালোহেঁতেন।' আমাৰ দলৰ দলপতিগৰাকীক বহুবাৰ মই সুধিছিলো, 'আপুনি কিয় মোক তাৰ সৈতে মিত্ৰতা কৰিবলৈ কৈছিল?' তেওঁ সদায় একেটা কথাই কয়- 'সময় আহিলে গ'ম পাবা।' গোপন সভাৰ ভয়লগা গম্ভীৰতা সকলোৰে জ্ঞাত নহয় আৰু আমাৰ দলপতিও মূৰ্তিৰ দৰে ভয়কেৰ গম্ভীৰ হৈ আছিল।

সিদিনাখন দুপৰীয়া ভাত খোৱাৰ পিছত তাৰ চিঠি এখন পালোঁ। সেইখন এতিয়াও মোৰ জেপতে আছে আৰু মই কাকো নেদেখুৱাও। এতিয়া চিঠিখন হাতত লৈ এটি সৰু নিশ্বাস লওঁ, কেতিয়াবা চকুলো টুকি মনটো পাতল কৰোঁ। এইখনে মোৰ বাবে দীঘদিনীয়া ৰোগীৰ পথ্যস্বৰূপ হৈ পৰিছে। লগতে মোৰ সমস্ত দুখ-বেদনাৰ লগৰীয়াও।

চিঠিখন হাতত লৈ পঢ়িবলৈ ওলাওতেই আমাৰ নেতাই মোক মাতি পঠিয়ালে। মই অতি সহজ-সৰল ভাৱে বাহিৰত থিয় দি ৰ'লো। সকলো গোটৰ মুঠ ... সমবেত হৈছিল। দীঘলীয়া নীৰৱতাই যেন ... ছবি এঁকাত ব্যস্ত হৈ পৰিছিল। ... আৰু দৃঢ় কৰি পেলালো। আমাৰ দলপতিৰ ... চকুদুটাৰ ওপৰত সোমাই পৰিছে। ... পৰিছিল- জুইত যেন দুষ্টি ভস্ম হৈ গৈছে।

এনেদৰে পাঁচ মিনিট পাৰ হৈ গ'ল। ... স্বভাৱ-সুলভ গহীন কণ্ঠেৰে মোক উদ্দেশ্যি ... তুমি প্ৰস্তুত নে?'

মই সঁচাকৈয়ে প্ৰস্তুত আছিলো। ... অকণো আচৰিত হোৱা নাই। কাৰণ মই এই ... প্ৰশিক্ষাৰ্থী। প্ৰায় সকলোবোৰ আও-ভাও মই বুজিব ... নিয়মানুযায়ী মই মূৰটো তললৈ কৰিলো। ... 'গীতা'খন মেজ খনৰ ওপৰত থৈ দিয়া গ'ল। ... উঠাই মই মোৰ মস্তকত স্পৰ্শ কৰিলো।

দলপতিয়ে মোৰ হাতৰ পৰা কিতাপখন ... কিছু সময় নীৰৱতা। তেওঁ হঠাতে তাৰ নামটো উচ্চাৰণ ... লগে লগে গুলি ভৰা পিষ্টল এটি মেজখনৰ ওপৰত ...

পিষ্টলৰ সকলোবোৰ গুলি এটি এটিকৈ ... মস্তিষ্ক ভেদ কৰি গ'ল। তথাপি মই কম্পিত হোৱা নাই ... অনুসাৰে কাৰ্যৰ কাৰণ আৰু প্ৰশ্ন সোধা নিষেধ ... নিয়মানুসাৰে পিষ্টলটো হাতত লৈ বুকুৰ মাজত ... আৰু তুৰন্তে তাৰ পৰা প্ৰস্থান কৰিলো।

লগে লগে মযো যাত্ৰা আৰম্ভ কৰি দিলো। ... আছিল। তাৰ নিজৰ চিঠি আৰু প্ৰত্যুত্তৰত দিয়া ... ওপৰত তাৰ গভীৰ আস্থা আছিল। মোক দেখাৰ লগে লগে ...

চলাথিয়াই ধৰিলে। তাৰ পিছত তাৰ ঘৰলৈ গ'লো। একেবাৰে এদিন থাকিলো। সেই কেইদিন সি কৈছিল মই একোকে দেখা নাছিলো শুনাও নাছিলো। মোৰ শৰীৰটো যেন শূন্যতে উপঙি আছিল, মন আছিল, হৃদয় হৈ হৈ কঁপি উঠিছিল, কিন্তু চিন্তা স্থবিৰ আছিল।

চতুৰ্থ দিনা পুৱাই চাহ-পানী খাই দুয়ো ষ্টেচনৰ পিনে ওলাই গ'লো। টাংগা নোলোৱাকৈয়ে আগবাঢ়িলোঁ। দুয়োৰে এখন হাবিৰ মাজত ঘূৰি ফুৰাৰ মন আছিল। আমাৰ দুয়োৰে মাজত কবিতাৰ ওপৰত আলোচনা চলিছিল। এই আলোচনাতে সি ইমান ডিতৰলৈ সোমাই গৈছিল যে সি মোৰ মনত উদয় হোৱা উদ্বিগ্নতাৰ অকণো উমান নাপালে। সময় যোৱাৰ লগে লগে সূৰ্যৰ উত্তাপো বাঢ়িবলৈ ধৰিলে। আমি দুয়ো কিছু ঘামিছিলো।

মই ক'লো-'ব'লা ক'ৰবাত ছাঁত অকণমান বহোঁ'। ওচৰতে জোপোহানিত বহিলোগৈ। বহিছোহে মাত্ৰ, হঠাতে সি জেপৰ পৰা দুটা মধুৰি আম উলিয়ালে যি দুটা তাৰ আধা খোৱা হৈছিল। তাৰ মনোযোগ ফলটোৰ সোৱাদতে আবদ্ধ হৈ আছিল। লাহেকৈ মই পিষ্টলটো উলিয়ালো। পিষ্টলৰ খোঁৱাটো ঘূৰাই দৌৰি মাতি ক'লো- 'মধুৰী আম পেলাই দিয়া আৰু ভগৱানৰ নাম লোৱা। মই তোমাক এতিয়া গুলিয়াম।'

তাৰ বিশ্বাস হোৱা নাছিল। সি ক'লে- 'বাৰু, বাৰু, ইটো খাই ল'বটো দিয়া'। মোৰ ধৈৰ্যৰ সীমা যেন চেৰাই যাব ধৰিছিল। মই কিছু কঠিন সুৰত ক'লো- 'ঠিক আছে খাই লোৱা।' খাই উঠি সি পোন হৈ থিয় দিলে। তাৰ পিছত সি ক'লে- 'বাৰু চলোৱা গুলি।' মই ক'লো- ধেমালি কৰিছো বুলি নাভাবিবা, মই তোমাক সঁচাকৈ গুলিয়াম।' মই হাঁহি হাঁহি ভগৱানৰ নামো ল'লো আৰু মুখলৈ কৃত্ৰিম গম্ভীৰতা আনি থিয় দি ৰ'লো। মই এখন হাতেৰে বুকুখন ঢাকি ধৰি ক'লো- 'ভগৱানৰ শপত এয়া ধেমালি নহয়, এয়া মই তোমাক গুলিয়ালো।' সেই একেই শিশুসুলভ চাৱনিৰে মোৰ চকুলৈ চাই সি ক'লে- 'মাৰা'।

এগৰাকীৰ শাৰেৰে পালন কৰা হ'লে মই মোৰ কৰ্তব্য পালন কৰিব নোৱাৰিলোহেঁতেন। পাছে পাছে মোৰ সাহস আৰু ধৈৰ্য মাৰ গৈ আছিল। লগে লগে মোৰ পিষ্টলে গুলীৰ গৰ্জি উঠিল। গুলি কটা গছৰ দৰে সি মাটিত বাগৰি পৰিল। দুয়োটা গুলিয়ে তাৰ বুকু ভেদি গৈছিল।

মই পলাই যোৱা নাছিলো এনেকৈ ভয়ত কাতৰ হৈ ইফালে-সিফালেও যোৱা নাছিলো। কন্দাও নাছিলো। বৰঞ্চ মই তাৰ ওচৰলৈ গৈ তাক কোলাত তুলি ল'লো। মুখত লাগি থকা ৰক্তসিক্ত ধূলিবোৰ আঁতৰালো। ইমান সময়ে মোৰ চকুৰে ধোৱা-কোৱা দেখিলো। তাক কোলাত তুলি লৈ তেনেকৈয়ে বহু সময় বহি আছো, ঠিক সেইদৰে যিদৰে মাকে টোপনি যোৱা শিশুটো সাৰ পাই উঠিব বুলি ভাবি নিশ্চল হৈ বহি থাকে।

মই থিয় দিলো। খৰি গোটাই চিতা সাজিলোঁ। তাক চিতাত তুলি জুই দিলো। মুহূৰ্তলৈকে মই তাতে বহি আছো।

বাৰটা গোটৰ বাৰজন দলপতি একেলগে উপস্থিত আছিল। মই গৈ পোনেই তেওঁলোকৰ ওচৰত থিয় দিলো। আমাৰ দলপতিয়ে নিঃশব্দে মোৰ পিনে হাত আগবঢ়াই পিষ্টলটো খুজিলে। গুভতাই দিলো পিষ্টলটো। সেয়া কাৰ্য সিদ্ধি হোৱাৰ সংকেত আছিল। দলপতিয়ে থিয় হৈ সেই একেই গহীন সুৰত মোক উদ্দেশ্যি ক'লে- 'তেৰ নম্বৰ গোটৰ দলপতিৰ চকীখন আমি তোমাক দিব গুলাইছো।' মই ক'লো- 'তেৰ নম্বৰ

দলপতিৰ পদমৰ্যাদাৰে মই আপোনাক সুধিছো, তাৰ অপৰাধ মোক জনোৱা হওঁক।'

তেওঁ নম্ৰ সুৰত উত্তৰ দিলে- 'সি আমাৰ হত্যা সম্বন্ধীয় ষড়যন্ত্ৰৰ বিৰোধী আছিল। আমি তাক চৰকাৰী চোৰাংচোৱা বুলি সন্দেহ কৰিছিলো।' তাৰ উত্তৰত মই একো ক'ব পৰা নাছিলো।

তেওঁ একেই সুৰত মোক উদ্দেশ্যি পুনৰ ক'লে- 'নবীন নেতা হোৱাৰ অধিকাৰত তুমি যিকোনো এটি পুৰস্কাৰ আমাৰ পৰা বিচাৰিব পাৰা।'

তেতিয়া আৰু মই চকুপানী ৰোধ কৰিব পৰা নাছিলো। মই কান্দি কান্দি ক'লো- 'মই দিয়া মোৰ প্ৰতিশ্ৰুতি মোক শুভতাই দিয়ক, মোক মোৰ প্ৰতিজ্ঞাৰ পৰা মুক্ত কৰি দিয়ক। মৰোঁ তাৰ দৰেই এজন। উদং বুকুত তৰোৱালৰ ঘাপ খাব পৰাৰ দৰেই এজন। উদং বুকুত তৰোৱালৰ ঘাপ খাব পৰাৰ পুৰুষালি নাথাকিলে আপোনালোকে নিজকে দেশভক্ত বুলি ক'বলৈ সংকোচ কৰে। আপোনালোকৰ এই কাপুৰুষালি পূৰ্ণ হত্যাবোৰক মই ঘিণ কৰো। মই হত্যাকাৰীৰ সংগী, উপদেষ্টা [illegible] থাকিব নিবিচাৰো। আপোনালোকে মোৰ [illegible] দিয়ক।'

মোৰ কথাত দলপতিৰ মুখ উঙা নাছিল। [illegible] সকলো পাথৰৰ মূৰ্তিৰ দৰে চুপচাপ বহি আছিল। [illegible] বিলাকৰ শাস্তি হয় 'মৃত্যু'। কিন্তু 'ক্ষমা' [illegible] তাৰ পৰা গুচি আহিলো।

দহ বছৰ পাৰ হৈ গ'ল। গোটেই দেশ [illegible] বোৱা নাই। ভোক, পিয়াহ, বিশ্ৰাম, শান্তি, সকলো [illegible] ভিতৰত মৰহি গৈছিলে।

[illegible] মাখোন। সেই চিঠিখনেই মোৰ দৃষ্টি [illegible] উদ্ভাসিত কৰি আছে। মোৰ নামত বাৰেন্ট ওলাইছিল [illegible] ভাবিলো, ফাঁচিকাঠত ওলমি দিও নেকি আকৌ [illegible] মৰিলে দেখোন মই তাক পাহৰি যাম, নাই মৃত্যু সহজ [illegible] জীয়াই থাকিব বিচাৰো। চিৰদিন জীয়াই থকাৰ বাসনাই [illegible] মনত বাহ লৈছিল; জীয়াই থাকিলেহে মই তাক দেখা [illegible] আৰু তাৰ কথা স্মৰণ কৰিব পাৰিম।

• • •

*লেখিকাঃ অসমীয়া বিভাগৰ অধ্যাপিকা, বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা*

# -ঃ নীলাখামৰ চিঠি ঃ-

- নীলাখামৰ চিঠি— কৃত্তিকা মেধি /৯৯
- নীলাখামৰ চিঠি— দ্বীপজ্যোতি বৈশ্য /১০০



# নীলা খামৰ চিঠি

কৃৰ্দ্ধিকা মেধি
স্নাতক প্ৰথম ষাণ্মাসিক

মৰমৰ.....

মৰমৰ বুলি কোৱাৰ অধিকাৰ মোকতো তুমি কেতিয়াও নিদিলা। তথাপিও হৃদয়ৰ কেনভাচত তুমি মোৰ মৰমৰ হৈ থাকিবা। এই সময় আৰু সেই সময়, যেন তুমি আৰু মই। আজিকালি জানা মইও তোমাৰ দৰে আকাশ চুব খোজো। কিন্তু নাজানো ডাৱৰে বাৰু কিয় বাৰে বাৰে বাধা দিয়ে। তৰাবোৰ খুলি খুলি চিঠি আনি তোমাৰ ডিঙিত মালা আঁৰি দিব খোজো। আঃ...তুমি যে এতিয়া বহুত দূৰত। মই জানো তোমাৰ সপোন জাপুকনাৰী অথবা দীঘলীপুখুৰীৰ পাৰত প্ৰেমৰ কেনভাচত ডাৱৰ আঁকিব বিচৰা। কিন্তু মই.... মই তো আছো সেই তাইৰ চোতালত। হৃদয়ৰ পাতত সেউজীয়া বুলাই ৰাতি দুপৰত প্ৰেমৰ কবিতা লিখিবাচোন। কলেজৰ গেটত ধুনীয়া ছোৱালী চাব খোজা ডেকাবোৰলৈ দলিয়াই দিবাচোন মিচিকিয়া হাঁহি। আঃ মোৰ মনৰ সুগন্ধি হাচনাহেনা, হৃদয়ৰ কুৰুক্ষেত্ৰত অভিমন্যু ৰূপী মই যে পালো মাথো তোমাৰ "বে-ৰখা"। ডাৱৰো আজিকালি ভেৰাপুখুৰীলৈ গ'ল। যোৱাৰ আগত মোক মাথো ক'লে, তোমাৰ হেনো পাখি গজিছে। ইতি-

তোমাৰ চহৰ মোৰ বিয়াদ নগৰী নাজিৰাৰ
আজন্ম প্ৰেমিক।

---

লেখিকাঃ স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী, বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা।
মহাবিদ্যালয় সপ্তাহৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত 'নীলা খামৰ চিঠি'

# নীলা খামৰ চিঠি

দীপজ্যোতি
স্নাতক দ্বিতীয়

হৃদয়ৰ দলিচাত মৰহা পাপৰি....

মোৰ হৃদয়ৰ ৰঙা গোলাপ জোপাই আজি বৰকৈ লেৰেলি গৈছে।

ফুলৰ সুবাস বিয়পি থাকোঁতে যিটো আছিল সেইটো নোহোৱা হ'ব ধৰিছে।

মৰমৰ নীলা। ফাগুন-চ'তৰ ধুমুহাৰ তাণ্ডৱ নৃত্যই আজি যেন মোক বিবুদ্ধিত পেলাইছে। দুবৰিৰ নিয়ৰ সৰা শেৱালি জোপাৰ কাষত যেন আজি অকলশৰীয়া। মৰমৰ নীলা, তুমি মোৰ উকণ্ঠা পঁজাটিৰ জোনাক ৰাতি আহিবা বুলি সদায় বাট চাই আছোঁ। আঘোণ মাহৰ সেই কুৰলীয়ে বাট আগুৰি ধৰা সোণোৱালী পথাৰখনত যে তুমি আৰু মই অকলশৰীয়াকৈ কথা পাতিছিলোঁ। তুমি যে কৈছিলা জোনৰ জোনাক কিয় ভাল পোৱা। মই যেন আজি জোন-তৰাৰে ভৰা আকাশ এখনত অকলশৰে কথা পাতি আছোঁ।

আজিলৈ এৰো মৰমৰ নীলা।

ইতি-
তোমাৰ মৰমৰ
প্ৰেমিক....

---

লেখকঃ স্নাতক দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ, বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটা।
মহাবিদ্যালয় সপ্তাহৰ দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত 'নীলা খামৰ চিঠি'

# কথাশিল্প

ককাইদেউ, এয়া যে দেখিছে, এওঁলোক বৰ শিক্ষিত আৰু ভাল মানুহ। গাঁৱৰ দুখ সংকটত পৰা মানুহবোৰৰ সৈতে লগ লাগি, কিবা উপায় চিন্তা কৰি গাঁৱৰ মানুহৰ উন্নতি সধাৰ চেষ্টা এওঁলোকে কৰে। অসমৰ বাহিৰৰ মানুহ, কিন্তু অসমীয়া শিকি আছে। এওঁলোক মাজুলীলৈ আহিছে এই দলৰে ময়ো সদস্য।

অনুৰাধা শৰ্মা পূজাৰী

## কথা শিল্প : ১০১-১০৬


- পতির প্রত্যয়— কুশল পাটগিরী /১০৩

কথা শিল্প

# গভীৰ প্ৰত্যয়

কুশল পাটগিৰী
প্ৰাক্তন ছাত্ৰ আৰু শিক্ষক,
আৰ্যতন্ত্ৰ একাডেমী, সৰুপেটা

**ফা**গুনৰ শান্ত-সমাহিত বতাহজাক কোঠাটোৰ সেউজীয়া পৰ্দাৰে আবৃত খিৰিকী দুখনৰ মাজেৰে ভিতৰলৈ সোমাই আহিছে। নীৰবে কঁপি আছে পৰ্দা দুখন। গোটেই সন্ধিয়াটো একোণৰ খিৰিকীখনৰ কাষত বহি বহি সমন্বয়ৰ আমনি লাগিল—, কোনোবা অহা হ'লে—!! কোন আহিব এই সময়ত!! নাই এনেকৈয়ে ভাল....... কোনো আহিব নালাগে এনেকুৱা নিবিড়-নিৰ্জন মুহূৰ্তবোৰ সমন্বয়ৰ এনেয়ে ভাল লাগে!! কিবা এক গভীৰ আত্মীয়তাত লীন যায় হৃদয়.... কিন্তু কিয় জানো যোৱা দুদিন ধৰি এই নিৰৱ মুহূৰ্তবোৰো সমন্বয়ৰ ভাল নলগা হৈ আহিছে...... মনটো বৰ অশান্ত হৈ পৰিছে। সন্ধিয়াৰ ৰূপটো যেন মুমূৰ্ষু ৰোগীৰ দৰে...., মনত পৰিল সমন্বয়ৰ ইংৰাজ কবি ইলিয়টৰ এটি বিখ্যাত কবিতাৰ পংক্তিবোৰ..... সঁচাকৈ আজিৰ সন্ধিয়াটো যেন ..... "Spread out against the sky like a patients etherised upon a table...." চাৰিওফালে মৃত্যু আৰু অৱক্ষয়ৰ কি যে বিবৰ্ণ ৰূপ!!..... হঠাৎ বতাহজাক খুব জোৰেৰে বলিবলৈ ধৰিলে....। খিৰিকীৰ পৰ্দবোৰেও প্ৰচণ্ড ঢৌ ঠেলি বতাহজাক কোঠাটোলৈ সোমাই আহিল.... এইবাৰ খিৰিকীখন জপাই দিলে সমন্বয়ে। আনটো কোণত থকা খিৰিকীখনো এবাৰ বহাৰ পৰা উঠি গৈ জপাই থৈ আহিল .....!! কিন্তু এই বতাহ জাকে যেন সজোৰে কঁপাই গ'ল..... সমন্বয়ৰ মনৰ পৰ্দাখন ....!!

সমন্বয়..... ডাঃ সমন্বয় দাস। স্থানীয় অসামৰিক চিকিৎসালয়খনলৈ আজি এবছৰ আগতে নতুনকৈ নিযুক্তি পাই অহা এজন ডেকা চিকিৎসক। এইখন ৫০খন বিচনাযুক্ত অসামৰিক চিকিৎসালয়। বৰ্তমানৰ চৰকাৰখনে নতুনকৈ স্থাপন কৰিছে। চিকিৎসালয়খনৰ কাষৰ গাঁওৰ সহজ-সৰল মানুহবোৰ তেওঁৰ বৰ ভাল লাগিছিল। অঞ্চলটোৰ মানুহবোৰৰ লগত বৰ সহজতে আৰু সোণকালেই পৰিচিত হৈ পৰিছিল ডাঃ সমন্বয় দাস। ঘৰখনৰ পৰা অৱশ্যে বৰ দূৰ হ'ল..... কিন্তু আজি কালি ঘৰৰ পৰা আঁতৰি থাকিবলৈ পালে অৱশ্যে বেয়াও নেলাগে সমন্বয়ৰ।

তেজপুৰৰ নামজ্বলা ব্যৱসায়ী ভাস্কৰ দাসৰ প্ৰথম পুত্ৰ সমন্বয় দাস। সৰু ভায়েক শিহৰণ দাস পদাৰ্থ বিজ্ঞানত দিল্লী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লৈ দিল্লীত অৱস্থিত এটা কোম্পানীত চাকৰি কৰি আছিল। হঠাতে গুৱাহাটী অভিযান্ত্ৰিক মহাবিদ্যালয়ত প্ৰৱক্তা হৈ অসমলৈ যিদিনাই গুচি আহিল ভাস্কৰ দাস যেন স্তম্ভিত হৈ গ'ল। ভাস্কৰ দাসৰ ক'ত কিমান উচ্চাকাংক্ষা!! পুত্ৰ বিদেশলৈ যাব এটা চাকৰি কৰি আভিজাত্যৰ জখলাত উঠি থাকিব!! দপ্-দপাই উঠিছিল ভাস্কৰ দাস। সেই দিনাই সকলোতকৈ আচৰিত হৈছিল সমন্বয় দাস। সেই একেজন দেউতাকেই যেতিয়াই সভাই সমিতিয়ে অসমৰ প্ৰত্যেক যুৱক-যুৱতীকে স্থানীয় স্বাৰ্থৰ বাবে উচ্চ শিক্ষাৰ বাবে আহ্বান জনায়.... তীব্ৰ ঘৃণাত চকু মুখ কোঁচ খাই যায়। মনত পৰে কলেজত P.U. পঢ়োতে হীৰক জ্যোতি নামৰ ল'ৰাটোলৈ..., হীৰকজ্যোতি তাৰ ভাল বন্ধু আছিল...... কি যে কথাবোৰ কৈছিল হীৰক জ্যোতিয়ে ....."জীৱন আৰু জীয়াই থকাৰ মাজত পাৰ্থক্য আছে সমন্বয়"...., "প্ৰতিশ্ৰুতি এটা বৰ সহজত উচ্চাৰণ কৰিব পৰা শব্দ....." হয়তো হীৰক জ্যোতিৰ কথাবোৰ সঁচা আছিল....!

সমন্বয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ইন্টাৰ্ণশ্বিপ কৰি থকা সময়তে কটন মহাবিদ্যালয়ত পঢ়ি থকা হীৰক জ্যোতিৰ ওচৰলৈ সি প্ৰায়ে গৈছিল। কটনৰ ছাত্ৰাবাস পোৱাৰ আগতে ...পল্টন বজাৰৰ .....ৰে'ল ষ্টেচনৰ আলিৰ কাষৰ জুপুৰিবোৰ .....! কি যে কদৰ্য ৰূপ! সি আচৰিত হ'ল ৰাজহুৱা প্ৰসাৰগাৰটো ইতিমধ্যে মানুহ থকা বাসগৃহলৈ ৰূপান্তৰ হৈছে.....

ওপৰত প্লাষ্টিক কৰা পোছাকৰ চালি...
...."এড্ভাৰটাইজমেণ্ট" কৰা নীলা বৰ্ণ। "STAR C
IS BEST CEMENT" .... PHILIPS T.V. ...
মডেলজনীৰ হাঁহীটোৱে যেন তলত বসবাস কৰি
শিশু কেইটাক উপহাস কৰিছিল। কি যে
হীৰকজ্যোতিক এইবোৰ কথা কওঁতে বিৰক্তি
হীৰকজ্যোতিয়ে!!

হাঁহি দিছিল প্ৰাবিতাই...প্ৰাবিতা দত্ত চৌধুৰী
বিশ্ববিদ্যালয়ৰ মহোৎসৱত সংগীত প্ৰতিযোগিতাত
প্ৰাবিতা দত্ত চৌধুৰীক। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়
সংগীত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল সমন্বয়
প্ৰাবিতাই যোৰহাটৰ দেৱীচৰণ ছোৱালী মহাবিদ্যালয়
অংশ গ্ৰহণ কৰিছিল। প্ৰথম চিনাকিতে ভাল লাগিছিল
প্ৰাবিতাক...। প্ৰাবিতাই এদিন তাক কৈছিল... "আমাৰ
জানা সমন্বয়..., আমি বহুত কথা কওঁ... বহুত প্ৰতিশ্ৰুতি
কিন্তু সময়ৰ কুচক্ৰৰ প্ৰভাৱত পৰি আমাৰ জিভাবোৰ
যায়, .... কলম থমকি ৰয়,.... ক্ষমতাৰ অপব্যৱহাৰত
কিয় এনে হয় ক'ব পাৰিবনে"?.... উত্তৰ দিয়া নাছিল সম
এদিন কলেজ পাৰ হৈ গৈ বিশ্ববিদ্যালয়ৰ পৰা স্নাত
ডিগ্ৰী লৈ প্লাবিতা উভতি গৈছিল নিজ গৃহ ধুবুৰীলৈ।
যেন সেইদিনা বুকুৰ মাজত খুব বেয়াকৈ আঘাত পা
সম্পৰ্কৰ প্ৰগাঢ়তা কিজানি বৰ মধুৰ আছিল সম
প্ৰাবিতাৰ। প্ৰতিশ্ৰুতি নাছিল.... কিন্তু গভীৰ প্ৰত্যয়ে
ৰাখিছিল দুখন হৃদয়..... দুয়োৰে অজানিতে...। প্ৰাবিতা

ভেউজীয়া বহুৰ পাৰি দিয়া চাদৰ পৰিধান কৰিছিল। যোৱাৰ আগদিনা সমন্বয়ে শেষবাৰৰ বাবে নমস্কাৰ জনোৱাত সমন্বয়েও প্ৰাবিতাৰ প্ৰতি নমস্কাৰ দিছিল...। "তোমালৈ সদায় মনত পৰিব... সমন্বয়"। শেষলৈ তাইৰ মাতবোৰ কঁপিবলৈ ধৰিলে। "আকৌয়ে আকৌ লগ পালে ভাল লাগিব।" আৰু শেষত প্ৰাবিতাই কৈছিল "তুমি জয়ী হোৱা সমন্বয়"— উত্তৰত সমন্বয়েো ক'বলৈ মন গৈছিল...... তুমিও জয়ী হোৱা। কোৱা নাছিল সি। ক'ব পৰা নাছিল। এইজনী প্ৰাবিতা, অসমৰ বিখ্যাত ৰাজনীতিজ্ঞ অনিল দত্ত চৌধুৰীৰ জীয়ৰী প্ৰাবিতাই সমন্বয়ক যেন জীৱনটো ন-কৈ চাবলৈ শিকালে....। দেউতাকৰ ৰাজনীতিৰ পৰা বহু আঁতৰত থাকি প্ৰাবিতাই নিজৰ জীৱনটো কেনে ধুনীয়াকৈ সজাইছিল.......। আভিজাত্যৰ মোহে কোনো দিনে শৃংখলিত কৰিব নোৱাৰা এটা সৰল মন। তীখাৰ দৰে দৃঢ় মন। মাজে সময়ে প্ৰাবিতাই সমন্বয়লৈ খা-খবৰ লয় ফোনৰ দ্বাৰা। কিমান দিন লগ পোৱা নাই প্ৰাবিতাক..... আৰু আজিৰ এই সন্ধিয়াটোত প্ৰাবিতা কাষত থকা হ'লে ....বতাহ জাক বাহিৰত খুব জোৰেৰে বলি আছে.... নিশাও কিজানি বহুত হ'ল। কিয় জানো সমন্বয়ৰ খোৱা-বোৱা কৰিবলৈ মন নগ'ল.....। একে ঠাইতে বহি থাকিল সমন্বয়..... ক'ৰ পৰা যে কি হ'ল....কিন্তু কিয় এনে হ'ল....? যোৱা পৰহি 'ইমাৰজেন্সি ডিউটি' আছিল সমন্বয়ৰ। নিশা ৮ বজাৰ পৰা পিছদিনা পুৱা ৮ বজালৈ। ঠিক সেই মুহূৰ্ত্ততেই ঘটিছিল ঘটনাটো। নিশা প্ৰায় ১১-৩০ বাজি গৈছে। তেজেৰে তুমৰলি এটা দেহ....এজন যুবকৰ মুখ। ৩২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে পৰি আছিল। অলপ আঁতৰত পালছাৰ বাইকখন চুৰ্ণ-বিচুৰ্ণ হৈ পৰি আছিল। ৰাতি সাংস্কৃতিক সন্ধিয়া উপভোগ কৰি ঘৰলৈ উভতি অহা কেইজনমান মানুহে দেখিছিল মৃতদেহটো। সেই অঞ্চলটোত ৰাস্তাৰ দুয়ো কাষে কেৱল পথাৰ.... মানুহৰ বসতিও নিচেই তাকৰ। শেষত মৃতদেহটো চাবলৈ পুলিচ আহিল.... মৃতদেহ হস্পিতাললৈ আহিল.... আৰু শেষত আহিল "পোষ্ট মৰ্টেম"ৰ ৰিপৰ্টৰ সময়... আৰু তাতেই যেন কৰকাত কেনা লাগিল। পিছদিনা পুৱা সমন্বয়ৰ "ডিউটি অফ" আছিল.... হঠাতে মাতি পঠিয়ালে হস্পিতালৰ চুপাৰিনটেনডেণ্ট ডাঃ পৰাণজিৎ বৰাই। কোঠাত সোমাই গৈ বৰ উত্তেজিত ভাৱে উভতি আহিল সমন্বয়। সেই সময়ত বাহিৰত তেতিয়া চাৰি-পাঁচখন গাড়ীত কেইবাখনো চিনাকি মুখ। সমন্বয়ে জানে এটা বিশেষ ৰাজনৈতিক দলৰ নেতা পাতি নেতা। কিন্তু কিয় আহিছে এওঁলোক? "পোষ্ট মৰ্টেম"ৰ ৰিপৰ্ট? দূৰত বৈ বৰ বিদ্ৰুপেৰে সমন্বয়লৈ চাই আছিল ৰাজনৈতিক দলটোৰ এজন নেতা পৰাগ চলিহাই....। আচৰিত হৈছিল সমন্বয়। সেই যে যোৱাকালি ডেকা ল'ৰাটো মৰিল সেইটোৱে এটা সম্পূৰ্ণ "এক্সিডেন্ট কেচ্"। তীব্ৰ বেগেৰে পালছাৰ বাইক চলাই গৈ ব্ৰেক ফেইল কৰি ৰাস্তাৰ কাষৰ বিদ্যুতৰ খুঁটাত খুন্দা খাই পৰি, বহু দূৰলৈ ছিটিকি গৈছিল চফল ডেকা— পদ্মধৰ দাস। শৰীৰৰ ক'তো দাৰে ঘপিওৱা চিন চাব নাই.... কিন্তু সিহঁতক এটা পোষ্টমৰ্টেম ৰিপৰ্ট লাগে; যিটো ৰিপৰ্টত লিখা থাকিব এইটো এটা "মাৰ্ডাৰ কেচ্"— কিন্তু কিয়? উত্তৰটো বৰ সহজ আছিল,... পুলিচৰ ডায়েৰীত সাক্ষীৰ অভাৱ। গতিকে 'কেচ্‌টো' ৰাজনৈতিক মুনাফা আদায়ৰ বাবে সজাব পাৰিব ৰাজনৈতিক

নেতা-পালিনেতাবোৰে। লাগে কেৱল পোষ্টমৰ্টেম ৰিপ'ৰ্টটো। ঘটনা আৰু কথাবোৰ ভাবি হাঁহি উঠিছিল ডাঃ সমন্বয়ৰ...। আটাইবোৰ কথাৰ উত্তৰ দিবৰ মন গৈছিল সমন্বয়ৰ "আপোনালোকৰ দৰে ক্ষমতাৰ লোভত, দুৰ্বলৈ বদলি হোৱাৰ ভয়ত ভৰিত পৰি থকা ডাঃ বোৰৰ মুৰবোৰ কিনিব পাৰে ইহঁতে"— একো নকলে সমন্বয়ে। উভতি আহিল নিজৰ কোঠালৈ....। আৰু যোৱা কালিৰে পৰা ভাবি আছে সমন্বয়ে, কি কৰিব....??... একোৱেই কৰিব নোৱাৰিলে জীৱনটোত নিজৰ ইচ্ছামতে। হঠাৎ যেন মনত পৰিল সমন্বয়ৰ প্ৰাবিতালৈ ...., হীৰকজ্যোতিলৈ,...। হাঁহি আছে সিহঁতে তাৰ অৱস্থাটো দেখি..... কি কৰিব সি......? অসমত জুই, জ্বলিছে ভাতৃ ঘাটকৰ দলৰ প্ৰলোভনত। সেইজুই কুৰা জ্বলিবলৈ প্ৰয়োজন হোৱা ধ্বংসযজ্ঞৰ সিদ্ধ পুৰোহিত (?) হ'বনে?? ৰাইজে যেতিয়া সত্যটো জানিব ....কাৰ বাবে সিহঁতৰ "ঘৰবোৰ আধা পোৰা" হ'ল.... কাৰ বাবে সিহঁতে সিহঁতৰ ভৱিষ্যতক অন্ধকাৰলৈ ঠেলি দিলে? কাৰ প্ৰৰোচনাত? নাই....নোৱাৰে..., সমন্বয়ে কেতিয়াও নোৱাৰে ....'পোষ্টমৰ্টেম ৰিপ'ৰ্ট' সলাবা এইটো এটা 'এক্সিডেন্ট' মাথোন। ...,কিন্তু....। কি কৰিব সমন্বয়ে??

....পুৱা হঠাতে সাৰ পালে সমন্বয়ে...., তাৰ মানে গোটেই নিশাটো আৰামী চকীখনতে টোপনি গৈছিল সমন্বয়ে, টেবুলত কলমটো আছিল....হাতত গুজি ল'লে সমন্বয়ে। অলপ পোহৰৰ প্ৰয়োজন অনুভৱ কৰিলে সি...। খিৰিকীখন ... দিলে...অশান্ত বতাহজাক নিশাটোৰ ভিতৰতে ... কোঠাৰ সেউজীয়া পৰ্দাখন বৰ লাহেকৈ কঁপি উঠিল ... পুৱাবলৈ বেছি পৰ নাই..., অলপ পাছতে পোহৰ ... সেই যে ...নতুন পুৱাৰ কেঁচা পোহৰত আশাৰ জুই...


ডাঃ সমন্বয়ে হাতত কলমটো তুলি ল'লে। ... পোহৰ হৈছে....দুখন বগা কাগজত কেইটামান শাৰী ... শেষত চহী কৰিলে ডাঃ সমন্বয়ে দাসে। এটা 'পোষ্টমৰ্টেম ৰিপ'ৰ্ট'ত আৰু আনটোত...., চাকৰি ইস্তাফা পত্ৰত নিজৰ ... সমন্বয়ৰ মনত পৰিল প্ৰাবিতালৈ....গোটেই নিশাটো যেন ... তেওঁৰ কাষত আছিল। "...কঁপি থকা মোৰ খিৰিকীৰ পৰ্দা... সতে জোনটি ওমলি আছিল। হঠাতে মোৰ টোপনি ভাঙিল ... খিৰিকীৰ বাহিৰৰ পৰা সপোনতে কিছুমান আঙুৰ আৰু ... বগা বগা বনৰীয়া ফুল.... তুমি মোৰ হাতত তুলি ... দেখিলো"। চহী দুটা কৰি মুখহাত ধুই বাহিৰলৈ ওলাই ... ডাঃ সমন্বয় দাসে। সন্মুখৰ সেউজীয়া ঘাঁহনি ডৰা ... সলনি হৈ গ'ল....ৰূপান্তৰিত হ'ল এখন চাদৰৰ ... চিনাকি চাদৰ....। সেইখন প্ৰাবিতাৰ শুভ্ৰবগা, সেউজীয়া ... পাৰিৰ চাদৰ। প্ৰতিশ্ৰুতি নাই... গভীৰ প্ৰত্যয় আছে ... সেউজীয়া ৰঙাটোত। এক গভীৰ প্ৰশান্তিৰে ডাঃ সমন্বয়ৰ ... হৃদয় ভৰি উপচি পৰিল। এইয়া যে সমন্বয়ৰ জীৱনৰ ... প্ৰতিবাদী খোজ।

••••••

*লেখকঃ প্ৰাক্তন ছাত্ৰ, বি. এইচ. বি. মহাবিদ্যালয় আৰু শিক্ষক, আৰ্যজ্যোতি একাডেমী বিদ্যালয়, সৰুপেটা*

# English Section

# ইংৰাজী বিভাগ



## ইংৰাজী বিভাগ : [English Section-] 107-112


- TRANSLATIONS OF A FEW ASSAMESE POEMS
  – Translator: Dr. Birinchi Kumar Das/109
- I want to be..– Silpa Pathak/112

# TRANSLATIONS OF A FEW ASSAMESE POEMS

Translator: Dr. Birinchi Kumar Das

(1)

## The Domestic Life

Original: *Sangsar*
Poet: Nilim Kumar

The girl is doing her homework. I know not when
The sound of the bathroom water reached the kitchen. That sound
Along with some other sounds will cook the breakfast.
Under the mosquito net the little girl is sleeping like a toad
Embracing the pillow. For a long time I have not trod
On the bumpy road of poetry. I am not an object from the seabed.
I am not waiting to be played upon. I am reading O' Henry
Lying on the floor on my belly. Yes, I also had a history.
Now that is totally redundant.
A cockroach has come hesitatingly, rested on the
Leaves of O' Henry
Yes, he also has a domestic life.

(2)

## *I have seen you*

Original: *Tomalokak Moi Dekhiso*
Poet: Samir Tanti

I saw you amidst the execution ground
Silent and firm like an ancient Sal tree

My heart brims with pride still at the thought of it

That uncompromising battle and incomparable courage of yours
Overlaid the whole sky
Like a never-yeilding independent flag

I looked at your faces
As if you had said in screams
We have to triumph over brutality
On behalf of humanity and democracy

My heart brims with pride still at the thought of it.

I view still in the distant paddy field and blue hilltop
The splendour of your faces
The songs of your victory

Still I hear that voice
As sacred as the chimes of the temple bells at the dawn

That diffuses everywhere like the birds' chirps
Farewell comrade. We will meet again
In a new world.

(3)

## *WHAT DO YOU HAVE*
## *WHAT DO I HAVE*

Original Poet: Pran

A flock of birds there
Will just flap their way
To one of my heart's bough

All birds are yours

The flap of their wings will waken
A shoal of fish in the big pond

All fish are yours

What do I have that's not yours

Don't I know why

On your way home from the pond-side
Your aunchal wants to fall off again and again

Don't I know why
Again and again
Your topknot wants to get untied and fall off.

What do you have that's not mine

I do have faith in you!
Yet I can't help going crazy
Have you not seen, even in this broad emptiness of *phagun*
How you're clinging to me like a mature shaon!

(4)

## <u>*EVEN BY MAKING MYSELF EMPTY*</u>

Original: Poet: Pranjit Bora

Every grey evening when she finishes her prayer
In her moist eyes
In her crumpled *chadar*
Every where I see myself growing full.

The echo of her prayer sinks in my soul
Like waves in the bosom of the sea
from the pine tree rooted in her heart
Drops on my heart the green foliage of faith
On my eyes and face her fragrant air of confidence

Every evening like a skilled artist
She sows in me seedlings of courage and trust.

She is my mother in seven lives

If I could make her full
Even by making myself empty.


(These translations were first published in M. C. College Magazines)

❋ ❋ ❋

লেখক: অধ্যক্ষ, বি. এইচ. বি. মহাবিদ্যালয়, সৰুপেটা।

# I Want To Be....

Silpa Pathak
B.A. 5th Sem.



I want to be a friend

Of someone, who will stay

With me forever, and forever,

I want to be a friend

Of them, who will give me

A burning flame of knowledge.

I want to be a friend

Of my books, which will make me

Something as my father wants.

Yes, I want to be their friend.

• • •

লেখিকাঃ বি. এইচ্. বি. মহাবিদ্যালয়, সৰুপেটাৰ, স্নাতক পঞ্চম ষাণ্মাসিকৰ ছাত্ৰী

# ::: বড়ো বিভাগ :::

Krishna Kachary
B.A. 6th Sem.

# सोरजि अनं

दैसोमुथिनि गेखोसात,
साफ्रोमतोनि जिउआव
अननाप आरो हास्थायनापा
अनजिमा गैयै बादि
सिथानपानानै दं।
खाथाबना दोनजार्दों बयबो
अननापनि नेन्दोंजो।
सिनाप जार्दों मुलुगनि बयबो
बिमा-बिका, बिन दिनानाट
बिदा फंबाइ बाइ ताहागि मछै।
दैवथिंजार्दों अबं फिसाफोर
सिमा गैयै गोतोनि हाख्यापनायजों
नाथाइ बेफोर दान्दिसेल।
धाना थानापनि सिमा गैयै
अननापनि बेन्दोझ जनों गोरलै
ंलुगनि नेहाद सुबुझ
थांफिनगोन ग्रोद देरायात
अबंनि हांखायनायजों।

Raisumai Daima
H.S. 1st Y.

# आर'ज

आंनि बे आर'ज आ गसाइनि सिम
आंफोनाथो बे बुहुमाव गसाइ गं होनना,
हैं गसाइ नोंनो लामा दिन्थिगिरि
नोनो देरसिन लावसिन मुलगनि गिरि।
गोहो हर आफा नों
बर' बिमानि मोदै हुगारनो आं,
बोहोलाव दैगालुमोन बादे
बिखा आरेदान्ना आवगायलांनों।
फोजा खांफैने नों आफा
बार दै सिखोलानी महर लाबा
नुजाफै आफा नों।
मुजा फै आफा नों।।

**Priyanka Gayari**
B.A. 5th Sem.

# गोसोनि दालां

द्रालां गंसे नांगौ
गोगोम गोलाव गुवार
गोसोनि द्रालां।
सुबुंनि गेजेराव
लांद्रां फारागखौ सभोबहोनो
गोसोनि द्रालां नांगौ।
ज्रौं मोनस' हरा।
फै सिनायलायनि मोनद्रांलायलि
गोरोबलायनि अननाय मोजां मोननाय
सोलायलायनि।
हाजो हायेन अरनबारि
बालाहामा लैथोमा दुमथे नाझा।
गोदान सुबुं हानता फै स्रेंस्रें
बिद्रिन्यानि आगानाव द्रिन्थिलां
सोदोमस्रिनि सोरां लामा।
खोमसि फैसालि उरखावलां
सोरांनि आलारि फोजोंलां
जेराव मुगैनाय गिनाय
थैनाय गैया
बुहुमा गोजोनग्लाय ईजासालि।

**Nijwam Boro**
B.Com. 5th Sem.

# उन द्राहा

जालाखारजों बुफबनाय
आय! बे फैलाव बुहुमा
सोरखौ गारना सौरखौ आंगो बुंनो
आंनि बै गोसोआव
दिनै सान्दों नोंखौ बावनौ-
गाबौन्नो नुजा फैफिनगोन
गासैबो सिमांआ बोखेवफैहगोन
सावगारि जानानै गोसोनि जांख्रायाव

मिथिंगानि बिबारबारियाव
थांदोमोन आं गोजोमनो
नाथाइ बियो ल'रहायलांदो
सहायस' हायै साननि बिदुंआव
दैजिरि दैसा सेरनि
बै जायराफ दंफांआ,
हांथोनो थोनो जादों ह'नै
दै गांहाबना उन द्राहायाव।

**Ajay Swargiary**
B.A. 5th Sem.

# उन्दै समनि खिर

निजोम हराव हारसिं जिरायनानै
सादों आ बै समखौ
जेब्लां आं बिमानि आसियाव
हमनानै थाबायदोमोन।
जेब्लाबो गुरै माहि
मिनिनाय गाबनाय
जोंथि मेगननि महिमा
बेसे समायना।
बिमानि अन्नायजों जिरिनाय
सुथानि मुसे-मुंलि गोदै सोदोब
बेसेदि मिलौदो
बै समनि बिमाजों गेलेनानै
गावखौनो गाव बावगोमायोमोन
गोसोआव मानिबा दाहा
बिबो बिमानि अन्नायाव
दान्दिक्षेनि।
एखनबा बै समनि गोसोखांथिया
दुखु आरो गोजोननाय लाबोयो
दान्दिसेनि।
बेसेदि गोथार आयनि गोबोआ
अरायथा जानानै थागोन
आंनि जोउआव
बौ समाव मोन्नाय
बिमानि अन्नायनि नेरसोन।

Dhrubajit [illegible]
BA, 5th Sem

# सानजारां

जोनोम लादोंमोन मों सानजारां
सपरबसि बे मुलुग बिशापाग,
सामजानि आ लाप अरन बादि
सोरां होफेदोंमाने नों जोंनि जिउ आव।
आखापाव बनजार लानानेगोसो मोदेम [illegible]
माजादोंमोन ओलीपश्री उन्दुना गानाय
बर' हाशिनि नुनलाइखो बोरथांनी।
नागिरबापो जां नोरंबी दानो
बुहूम बिखापाव,
खोनापोसो मानों सुबुंनि खुगा-खुगा
होलांनाप नोंनि बिहोमा।'

**Dhanjit Kalita**
H.S. 2nd Year


# दा गाबसै आयै

दा गाबसै आयै नों
मोदै रथ'-रथ'
दा थायै आयै नों
दरसि-दरसि
नायहर हनै आयै
सानजा अख'रांआव
ओंखारजेनबाय हनै
राओगोरलयैया
सोरां होनो बर'नि
अखोरांआव
फेलेंनि हांमाव
गाबनाया
फेलेंनि नङा
बेनि ओंथिया आयै
नाजाखांनायनिसो
नोंनि मोदोया आयै
जोंनिनो सदबांसा
रोजा-रोजा बर'नि दावहारु
थैनानै थांबाय जिव गोमालांबाय
रोजा-रोजा दावराहु आयै
नोनानैबो दं।


उदांस्रि नोंखौनो हास्थापनानै
नाजानाया जोंनि आयै
थुलुंगाया नोंनि
दरसि-दरसि नों थाबोला
मोदै रथ'-रथ' नों गबोला
जोंनि बिखाया गावस्रा लाङो
बोलोफोरा आखान्थियाव मिज्लौखाङो
दावहानि फोथाराव सुथुरा बोलो मोनो
दा गाबसै आयै नों
दा थासै दरसि-दरसि।

# सना नों आंनि गोसो फान्जारिनि

आय' सिनाय मोनि अनजालि सैनाय
जाखो बा नों सोरनि फान्जारिनि,
आंनि गोरलै आदोरमाला गोसोआ
नोंखौ नुना बोरैबासो आबलिलांनाया।
गोसोखौ आं हमथास्लाबहायासै,
आंनि गोरलै गोसोआव नोनि सावगारिया
गले गले जाखांफैयो
आंबो मिथिया बेयो बोरै जाखो।
अनथाव बथाव नोनि महरा आंखौ एरधुहैबाय थायो।
नोंनि फाखानि मोदोमनाया
आंनि देहापाव सोरमिजोबलाङो
आंखौ नों आनलेद नुहोयो
अब्ला आं मालाय बोरै साहायनो
जेन'ना नों आंनि गारजाथावै आंगो।
हनै उदां बोथोरनि जावलिया बाराबो आंखौ
जन्दिज जारिनायबादि जारिलांबाय
थारैनो आं नोंखौ बावनो हानाय नंलिया
मोजां मोनो आं नोखै।
नोंदि आंनि खोमसि अखोरांनि गावदां अखा फोर
सोरां होयो नों आंनि गोसो अखोरांआव,
बिदिनो आं नोंखौ बिखायाव बौज'बना लागोन
अरायबो थैस' थांस' जिव जोबजासिम।
रोदोमहोगोन नोंनि आंनि बिखानि थैजों
गेवलां गेवथां बिबारनि महर बादि,
स'ना नों आंनि गोसो फान्जारिनि।



# সম্পাদকীয় প্রতিবেদন



## সম্পাদকীয় প্রতিবেদন/

১। উপ-সভাপতি

২। সাধারণ সম্পাদক

৩। সহঃ সাধারণ সম্পাদক

৪। আলোচনী সম্পাদক

৫। সাংস্কৃতিক সম্পাদক

৬। গুরু খেল সম্পাদক

৭। লঘু খেল সম্পাদক

৮। সমাজ সেবা সম্পাদক

৯। তর্ক বিভাগ সম্পাদক

১০। ছাত্র জিরণি কোঠা সম্পাদক

১১। ছাত্রী জিরণি কোঠা সম্পাদিকা

# ছাত্ৰ একতা সভাৰ



## উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে মই সেই মহান ব্যক্তি সকললৈ শ্ৰদ্ধাৰ্ঘা নিবেদন কৰিছোঁ যিসকলৰ অহৰহ প্ৰচেষ্টাত বি, এইচ্, বি, মহাবিদ্যালয়খন গঢ়লৈ উঠিছে।

এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপসভাপতিৰ দৰে এটি গুৰুত্বপূৰ্ণ পদত মোক নিৰ্বাচন কৰাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ পদত অধিষ্ঠিত হৈ মই পৰম আনন্দ লাভ কৰিছিলোঁ আৰু মোৰ সতীৰ্থ সকলৰ সহযোগত মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত কল্যাণমূলক কাম কৰাৰ পৰিকল্পনাও কৰিছিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন দিশত যোগ্যতা আৰু পাৰদৰ্শিতা আছে; কিন্তু সেই প্ৰতিভাসমূহ বিকশিত কৰি তুলিবলৈ যি ধৰণে আগ্ৰহ প্ৰকাশ কৰিব লাগে সেই ধৰণে কৰা দেখা নাযায়। আগন্তুক দিনত ছাত্ৰ-ছাত্ৰী সকলে নৃত্য, গীত, সাহিত্য, খেল-ধেমালি, তৰ্ক, কুইজ আদি দিশ সমূহত অংশ গ্ৰহণ কৰি নিজৰ লগতে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আশা কৰিছোঁ।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে যি দিহা-পৰামৰ্শ আগবঢ়াই কাম-কাজবোৰ চলাই নিয়াত সুবিধা কৰি দিছিল তাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰ ঋণী। তাৰোপৰি মোক বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ অতিকৈ আপোন আৰু মৰমৰ বন্ধু-বান্ধৱী সকলক আন্তৰিক শুভেচ্ছা তথা অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা দোষ-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ আৰু লগতে বি,এইচ্,বি, মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ।

জয়তু বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা।

**চুনু বৰ্মন**
উপ-সভাপতি
ছাত্ৰ একতা সভা
বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা

* * *



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে মই সেই মহান ব্যক্তি সকললৈ শ্ৰদ্ধা নিবেদন কৰিছোঁ যিসকলৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত এই মহাবিদ্যালয়খন গঢ় লৈ উঠিছে আৰু সেই বৃক্ষৰ ছত্ৰছায়াত থাকি কক্ষাত জ্ঞান অৰ্জনৰ সুবিধা লাভ কৰিছে।

জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বুদ্ধি বিকাশৰ স্থল এই মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ সুযোগ লাভ কৰাটো মোৰ বাবে অতি সৌভাগ্যৰ কথা বুলি অনুভৱ কৰো আৰু যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে ২০১৬-১৭ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সম্পাদক পদত থাকি মোক সেৱা আগবঢ়াবলৈ সহায়ৰ হাত আগবঢ়াইছে সেই সকলৰ ওচৰত মই আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

ভৱানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল প্ৰয়াত ৰজনীকান্ত চৌধুৰী। তেখেতৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলতেই বৃহত্তৰ ভৱানীপুৰ সমষ্টি বাসীয়ে বি,এইচ,বি. মহাবিদ্যালয়ৰ দৰে উচ্চ শিক্ষাৰ অনুষ্ঠানক উপহাৰ স্বৰূপে লাভ কৰিবলৈ সক্ষম হৈছে আৰু এই অনুষ্ঠানটোক চিৰকাল সৰ্বাংগে সুন্দৰ কৰি ৰাখিবলৈ আমি প্ৰতিজ্ঞাবদ্ধ।

সদৌ শেষত সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্ব গ্ৰহণ কৰি সকলো ক্ষেত্ৰতে আগুৱাই যোৱাৰ পথত শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ লগতে আমাৰ ছাৰ-বাইদেউসকলৰ বদান্যতাৰ বাবে তেওঁলোকৰ ওচৰত আমি চিৰ ঋণী। তাৰোপৰি মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দক মই শ্ৰদ্ধা সহকাৰে আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলে যি ধৰণে সহায়-সহযোগিতা আগবঢ়াই মোৰ কাৰ্যকালত সুস্থ ভাৱে কাম কৰিবলৈ মোক অনুপ্ৰাণিত কৰিলে তেওঁলোকলৈও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মই মাৰ্জনা বিচাৰিছোঁ আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা।

**ৰূপাংকন দাস**
সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা
বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা

• • •



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে বি,এইচ্,বি, মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু সমন্বিতে কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী তথা সকলো ছাত্ৰ-ছাত্ৰীকে মোৰ শ্ৰদ্ধা আৰু শুভেচ্ছা যাচিছোঁ।

বি,এইচ্,বি, মহাবিদ্যালয়ৰ ২০১৬-২০১৭ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সহকাৰী সাধাৰণ সম্পাদকৰ পদত বিপুল ভোটত জয় লাভ কৰাত মোক যিসকল বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰীয়ে সহায়-সহযোগিতা আগবঢ়াইছে, এই ছেগতে তেওঁলোকৰ কষ্টক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ কাম কৰাত মই কিমান দূৰ সফল হৈছো সেইটো আপোনালোকৰ বিচাৰ্য। কিন্তু সকলোৰে সহায়-সহযোগত যিখিনি সুযোগ পাইছো কৰিছোঁ। তথাপি অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

আমাৰ মহাবিদ্যালয়খনত প্ৰতিবছৰে বিভিন্ন উন্নয়নমূলক কাম-কাজ কৰা হয়, যাৰ ফলত সকলো ছাত্ৰ-ছাত্ৰীয়ে বিশেষ অসুবিধাৰ অভাৱ অনুভৱ নকৰাকৈ সুন্দৰকৈ অধ্যয়ন কৰিব পাৰে। তাৰ ভিতৰতো কিছুমান বস্তুৰ প্ৰয়োজন হয়। যেনে- বিষয় অনুসৰি পুথিভঁৰালত পৰ্যাপ্ত পৰিমাণে কিতাপ পোৱা নাযায়। যাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে অধ্যয়নৰ ক্ষেত্ৰত নানা সমস্যাৰ সন্মুখীন হয়।

সেয়েহে মহাবিদ্যালয় কৰ্তৃপক্ষলৈ মোৰ প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়খন আগতকৈ আৰু সুন্দৰকৈ পৰিচালনা কৰাৰ চেষ্টা কৰিবলৈ অনুৰোধ জনালোঁ। যাতে আমি মূৰ দাঙি গৌৰৱেৰে ক'ব পাৰো যে আমি বি,এইচ্,বি, মহাবিদ্যালয়ৰ ছাত্ৰ।

সৰ্ব শেষত সকলো ভুলৰ ক্ষমা বিচাৰি মই মোৰ সবাতোকৈ আপোন আৰু মৰমৰ বি,এইচ্,বি, মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি ইয়াতে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা।

গুণজিৎ দাস
সহকাৰী সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা

• • •



# আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে বি,এইচ্,বি, মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দ, ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীলৈ প্ৰণাম তথা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। ছাত্ৰ একতা সভাৰ ২০১৬-১৭ ইং বৰ্ষৰ বাৰ্ষিক আলোচনীখনৰ সম্পাদক হিচাপে নিৰ্বাচিত হ'বলৈ সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু বান্ধৱীলৈ মোৰ স্নেহ যাচিছোঁ।

মোৰ এবছৰীয়া কাৰ্য্যকালত যি সপোন মনতে পুহি ৰাখিছিলোঁ সেয়া সম্পূৰ্ণ কৰিব নোৱাৰিলো যদিও কিছু পলমকৈ হ'লেও আলোচনীখন প্ৰকাশৰ প্ৰস্তুতিত আগবাঢ়িলোঁ।

এটা ভাষাক জীয়াই ৰাখিবলৈ হ'লে সেই ভাষাৰ পৰ্যাপ্ত সাহিত্য থকাটো অতিকৈ প্ৰয়োজন। তাৰ বাবে প্ৰতিজন ব্যক্তিৰ অনুসন্ধিৎসু মন আৰু সচেতনতা নিতান্তই আৱশ্যক। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মহাবিদ্যালয়খন মঞ্চসদৃশ। এই মঞ্চতেই ছাত্ৰ-ছাত্ৰী সকলে অনুভৱশীল মানসিকতা গঢ়ি তুলি চিন্তাৰ ন ন উদ্ভাৱনেৰে পৰৱৰ্তী সময়ত বিৰাট বৃক্ষৰ ছাঁত জিৰণি লোৱাৰ কছৰৎ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ বিকশিত প্ৰতিভাৰ সাফল্যমণ্ডিত মাধ্যম হ'ল মহাবিদ্যালয়ৰ আলোচনীখন। সেয়েহে ছাত্ৰ-ছাত্ৰী সকলে সাহিত্য-চৰ্চাৰ দিশটোৰ প্ৰতি গভীৰ দৃষ্টি ৰাখি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক ৰক্ষা কৰাৰ মানসিকতা গঢ়ি তুলিলে আমাৰ দেশ নিশ্চয় উন্নতিৰ পথত আগবাই যাব।

সদৌ শেষত মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত আমাৰ ছাৰ-বাইদেউ তথা বন্ধু-বান্ধৱীসকলৰ পৰা যি সহায়-সহযোগিতা লাভ কৰিছোঁ তাৰ বাবে মই সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিশেষকৈ আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন কুমাৰ শৰ্মাদেৱৰ তৎপৰতা আৰু স্নেহসিক্ত উপদেশে আমাক প্ৰতিটো খোজতে আপ্লুত কৰিছিল আৰু তেখেতৰ ওচৰতো আমি চিৰ কৃতজ্ঞ। লগতে আমাক প্ৰতিটো খোজতে সহায়-সহযোগিতা আগবঢ়োৱা তত্বাৱধায়িকা ড° কল্পনা বৈশ্য বাইদেউলৈও একাঁজলি শ্ৰদ্ধা নিবেদন কৰিছোঁ।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ আৰু বি,এইচ্,বি, মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা।

অভিজিৎ তালুকদাৰ
আলোচনী সম্পাদক
ছাত্ৰ একতা সভা
বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা

• • •



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

বি,এইচ,বি, মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক হিচাপে প্ৰতিবেদনৰ পাতনিতে মই মহাবিদ্যালয়খন প্ৰতিষ্ঠা আৰু উন্নতিত যিসকল মহান ব্যক্তিয়ে শ্ৰম আৰু প্ৰচেষ্টা আগবঢ়াইছিল তেখেতসকললৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। ২০১৬-১৭ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক পদত মোক নিৰ্বাচিত কৰি সুযোগ দিয়াৰ বাবে মই ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্য্যকালত তত্বাৱধায়িকাৰ দায়িত্বত থকা ড° নমিতা দাস গুৰুং বাইদেৱে যিদৰে মোক সহায়-সহযোগিতা কৰিলে তাৰ বাবে মই বাইদেউৰ ওচৰত চিৰ কৃতজ্ঞ।

মহাবিদ্যালয়খনৰ সাংস্কৃতিক দিশটো উন্নত কৰিবলৈ আৰু সাংস্কৃতিক অনুষ্ঠান সমূহ সুন্দৰ ভাবে চলাই নিবলৈ হ'লে এই বিভাগটো আৰ্থিক দিশত টনকীয়াল হোৱাটো নিতান্তই প্ৰয়োজন।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠান সমূহ সুকলমে চলাই নিয়াৰ যৎপৰোনাস্তি চেষ্টা কৰিছিলো আৰু সেই ক্ষেত্ৰত সফলতাও লাভ কৰিছিলোঁ।

মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা ৰাভা সংগীত, জ্যোতি সংগীত, ভূপেন্দ্ৰ সংগীত আৰু আধুনিক নৃত্য প্ৰতিযোগিতাকে আদি কৰি বিভিন্ন প্ৰতিযোগিতা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা হৈছিল যদিও প্ৰতিযোগীৰ সংখ্যা নিচেই তাকৰ আছিল। সেয়েহে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে এই ক্ষেত্ৰত অনুৰোধ জনাওঁ যে তেওঁলোকে এনে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নিজৰ নিজৰ প্ৰতিভা সমূহত বিকশিত কৰি তোলাৰ লগতে উন্নতিৰ দিশত আগবাঢ়ি যাওঁক।

মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়োৱা মোৰ মৰমৰ বন্ধু-বান্ধৱীসকলক আন্তৰিক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্য্যকালত অজানিতে কৰা দোষ-ক্ৰটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ আৰু বি,এইচ,বি, মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু বি.এইচ.বি. মহাবিদ্যালয়, সৰুপেটা।

কংকণ ডেকা
সাংস্কৃতিক সম্পাদক
ছাত্ৰ একতা সভা
বি.এইচ.বি. মহাবিদ্যালয়, সৰুপেটা

* * *



# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

বি.এইচ্.বি. মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন যুগুতি কৰাৰ প্ৰাকমুহূৰ্তত যিসকল মহান ব্যক্তিয়ে মহাবিদ্যালয়খন স্থাপিত কৰাৰ ক্ষেত্ৰত অক্লান্ত শ্ৰম আৰু ত্যাগ আগবঢ়াইছিল সেই লোকসকললৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ।

ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ ল'বলৈ পাই মই নিজকে পৰম সুখী অনুভৱ কৰিছোঁ। যিসকল বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়াইছে তেওঁলোকলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনত খেল-ধেমালি অন্যতম আহিলা আৰু এই খেল-ধেমালিয়ে এক বিশেষ তাৎপৰ্য বহন কৰে। বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ এনে প্ৰতিভাক জগাই তোলাৰ পৰিবৰ্তে এৰাই চলাৰ মনোভাৱ পোষণ কৰে। এয়া কেতিয়াও ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শুভ লক্ষণ নহয়। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনাওঁ যাতে মহাবিদ্যালয়ৰ খেল-ধেমালি আদি বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি নিজকে বিকশাই তোলাৰ লগতে মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনে।

মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন খেল-ধেমালি সমূহ নিয়াৰিকৈ চলাই নিয়াৰ ক্ষেত্ৰত মোক উপসভাপতি, সম্পাদকৰ লগতে বিভিন্নজনে বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়াইছে। তেওঁলোকলৈ কৃতজ্ঞতা জনাইছোঁ। লগতে তত্বাৱধায়কৰ দায়িত্বত থকা মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকলে তেখেতসকলৰ বহুমূলীয়া সময় খৰচ কৰি মোক দিহা পৰামৰ্শ দিয়াৰ বাবে সকলোৰে ওচৰত মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ জ্ঞাত-অজ্ঞাতভাৱে কৰি অহা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা।

**বাবন পাঠক**
গুৰু খেল বিভাগৰ সম্পাদক
ছাত্ৰ একতা সভা
বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা

• • •



# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

বি,এইচ,বি, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদক হিচাপে প্ৰতিবেদনৰ আৰম্ভণীতে যি সকলৰ শ্ৰম আৰু নিৰন্তৰ প্ৰচেষ্টাত এই মহাবিদ্যালয়খন স্থাপন হৈ আজি এক পূৰ্ণাৱস্থাত উপনীত হৈছে সেইলোক সকললৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। যি সকল বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰীয়ে ২০১৬-১৭ ইং বৰ্ষৰ লঘু খেল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মোক কাম কৰাৰ সুযোগ দিছিল তেওঁলোকলৈও মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

বিগত বছৰৰ দৰে মোৰ কাৰ্যকালতো মহাবিদ্যালয়ৰ অনুষ্ঠানসমূহ সুচাৰুৰূপে পৰিচালিত হয় আৰু এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকলৰ মহানুভৱতাৰ শলাগ লৈছোঁ। মোৰ কাৰ্যকালৰ এটি উল্লেখনীয় অনুষ্ঠান হ'ল মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহত সীমিত সংখ্যক ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰিছিল যদিও ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহজনক সহযোগিতাৰ বাবে মোৰ বিভাগৰ খেল-ধেমালিবোৰ চলাই নিয়াত সুবিধা হৈছিল। মোক বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱীসকললৈ কৃতজ্ঞতা যাচিছোঁ। বন্ধু বৰ্গৰ এনে সহায়-সহযোগিতা অতিকৈ প্ৰশংসনীয়।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে হৈ যোৱা দোষ-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ আৰু বি,এইচ,বি, মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰে উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি.এইচ.বি. মহাবিদ্যালয়, সৰুপেটা।

সৌৰভ কলিতা
লঘু খেল বিভাগৰ সম্পাদক
ছাত্ৰ একতা সভা
বি.এইচ.বি. মহাবিদ্যালয়, সৰুপেটা

* * *



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে বি.এইচ্.বি. মহাবিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত যি সকল মহান ব্যক্তিয়ে শ্ৰম হ... ত্যাগ স্বীকাৰ কৰি থৈ গ'ল সেইলোকসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰি যিসকল ছাত্ৰ-ছাত্ৰীয়ে ... কাম কৰাৰ সুযোগ দিলে সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

সমাজ সেৱাৰ দৰে বৃহৎ ক্ষেত্ৰখনৰ দায়িত্ব গ্ৰহণ কৰি মই নিঃস্বাৰ্থভাৱে সেৱা কৰাৰ বাবে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাছিলোঁ। পবিত্ৰ জ্ঞানৰ মন্দিৰ হিচাপে মহাবিদ্যালয়খনক জ্ঞান কৰি মহাবিদ্যালয়খন বাহ্যিক দিশতে নহয় ... আভ্যন্তৰীণ দিশতো পৰিষ্কাৰ-পৰিচ্ছন্ন হোৱাটো কামনা কৰিছিলোঁ আৰু যত্নপৰ হৈছিলোঁ। এই ক্ষেত্ৰত বিভিন্ন ... দিশত দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ চাৰ-বাইদেউসকলৰ ওচৰত আমি চিৰ ঋণী।

বিগত বছৰৰ দৰে এইবছৰো মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈ যায়। এই মহাবিদ্যালয় সপ্তাহত মোৰ ... সমাজ সেৱা বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত হোৱা খেল-ধেমালিত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে আৰু পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ-ছাত্ৰীসকলক 'বঁটা বিতৰণী সভা'ৰ জৰিয়তে পুৰস্কৃত কৰা হৈছে। ... ছাত্ৰ-ছাত্ৰীসকলে এটি নিকা মনলৈ অধ্যয়নৰ পথত অগ্ৰসৰ হোৱাৰ লগতে নিজৰ নিজৰ প্ৰতিভাক বিকশিত হোৱাৰ এক মঞ্চ এই মহাবিদ্যালয়তে তৈয়াৰ কৰাৰ প্ৰয়াস কৰিব লাগে।

সদৌ শেষত মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলৰ বাবে ক্ষমা ... বিচাৰিছোঁ আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা।


সঞ্জীৱ কলিতা
সমাজ সেৱা বিভাগৰ সম্পাদক
ছাত্ৰ একতা সভা
বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা



# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে মই বি,এইচ্,বি, মহাবিদ্যালয়ৰ সমূহ শ্বাৰ-বাইদেউলৈ শ্ৰদ্ধা নিবেদন কৰিছো আৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগৰ দৰে এটা গুৰুত্বপূৰ্ণ বিভাগত মোক কাম কৰিবলৈ সুযোগ দিয়া বাবে মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক মোৰ স্নেহ যাচিছোঁ। এনে গুৰু দায়িত্ব লাভ কৰি মই নিষ্ঠা সহকাৰে কাম কৰাৰ চেষ্টা অব্যাহত ৰাখিছিলোঁ। তৰ্ক বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতা সমূহ তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা আৰু স্মৃতি পৰীক্ষা প্ৰতিযোগিতা সমূহ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হৈছিল যদিও আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতা আশা ব্যঞ্জক নাছিল। এটা বিষয়ত সপক্ষে আৰু বিপক্ষে যুক্তি দাঙি ধৰি নিজৰ বৌদ্ধিক দিশত পাৰদৰ্শিতা দেখুৱাব পৰাটো অতিকৈ গৌৰৱৰ বিষয়। এনে দিশত প্ৰতিযোগিতাৰে আগবাঢ়ি গ'লে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উন্নয়নৰ ক্ষেত্ৰখনত বিশেষভাৱে বৰঙণি যোগায় আৰু সমাজত নিজকে প্ৰতিষ্ঠা কৰাত সহায়ক হয়। অনাগত দিনবোৰত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এনে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিব বুলি আশা ৰাখিছোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত বিভিন্ন দিহা-পৰামৰ্শ দি সহায় কৰা শ্বাৰ-বাইদেউৰ লগতে মোৰ বন্ধু-বান্ধৱীসকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো। লগতে মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা।

কংকণ দাস
তৰ্ক বিভাগৰ সম্পাদক
ছাত্ৰ একতা সভা
বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা

* * *



# ছাত্ৰ জিৰণি কোঠাৰ

# সম্পাদকৰ প্ৰতিবেদন

বি,এইচ্,বি, মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে প্ৰতিবেদনৰ পাতনিতে যিসকল ব্যক্তিৰ শ্ৰম আৰু ত্যাগৰ বিনিময়ত বি,এইচ,বি, মহাবিদ্যালয়ে পূৰ্ণতা লাভ কৰিলে সেইসকল শ্ৰদ্ধাৰ ব্যক্তিক ভক্তি অৰ্ঘ্য নিবেদন কৰিছোঁ।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি এই বিভাগটোৰ হকে নিঃস্বাৰ্থভাৱে কাম কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। ছাত্ৰ জিৰণি কোঠাৰ ফালৰ পৰা অনুষ্ঠিত হোৱা বিভিন্ন খেল-ধেমালিত আমাৰ মহাবিদ্যালয়ৰ অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কথা প্ৰত্যক্ষ কৰিছিলোঁ। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে অনুৰোধ জনাওঁ যাতে আগন্তুক দিনত খেল-ধেমালিসমূহত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ বাবে গৌৰৱ কঢ়িয়াই আনে।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে দায়িত্ব গ্ৰহণ কৰা কাৰ্যকালত বিভিন্ন দিহা-পৰামৰ্শেৰে আমাক আগবঢ়াই নিয়া শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ ওচৰত আমি চিৰঋণী। লগতে যিসকল ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীয়ে মোক এই কাৰ্যক্ৰমণিকাত সহায়-সহযোগিতা আগবঢ়ালে বাবে তেওঁলোকৰ প্ৰতিও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা দোষ-ত্ৰুটিৰ বাবে মোৰ শিক্ষাগুৰুৰ লগতে কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা।

মৌচম সাউদ
ছাত্ৰ জিৰণি কোঠা, সম্পাদক
ছাত্ৰ একতা সভা
বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা



# ছাত্ৰী জিৰণি কোঠাৰ

## সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে যিসকল কৰ্তব্য পৰায়ণ ব্যক্তিৰ সৌজন্যত বি,এইচ্,বি, মহাবিদ্যালয়খনে জন্ম লাভ কৰিলে, সেইসকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

বি,এইচ্,বি, মহাবিদ্যালয়ৰ ২০১৫-২০১৬ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত যিসকল বন্ধু-বান্ধৱী, দাদা-বাইদেৱে সহযোগিতা আগবঢ়ালে তেওঁলোকলৈ মই ধন্যবাদ জ্ঞাপন কৰিলোঁ।

অইন বছৰৰ দৰে মোৰ কাৰ্য্যকালতো পালন কৰা হয় মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ লগতে ছাত্ৰী জিৰণি কোঠাৰ পৰাও মেজিক চিয়াৰ, কেৰম, কেশ সজ্জা, পুষ্প সজ্জা, বিং দলিওৱা, লঙ্কাষ্টিৰ আদি বিভিন্ন খেল-ধেমালিৰ আয়োজন কৰা হয়। অৱশ্যে অংশগ্ৰহণকাৰী ছাত্ৰীৰ সংখ্যা আশানুৰূপ বুলি ক'ব নোৱাৰি। খেল-ধেমালিয়ে অকল আমোদ-প্ৰমোদেই যে দিয়ে এনে নহয়, বহু ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ গঢ়াত সহায়ক হয়। লগতে শাৰীৰিক আৰু মানসিক দুয়োটা দিশৰে বিকাশ সাধন কৰে। আশা ৰাখিছো আগন্তুক বৰ্ষত ছাত্ৰ-ছাত্ৰীৰ দুগুণ উপস্থিতিয়ে মহাবিদ্যালয় সপ্তাহ অধিক ফলপ্ৰসু কৰি তোলক।

সদৌ শেষত মোৰ কাৰ্য্যকালত সহায়-সহযোগিতা আগবঢ়োৱা ছাৰ-বাইদেউসকলৰ লগতে বন্ধু-বান্ধৱীসকললৈ মোৰ কৃতজ্ঞতা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা।

পিংকী মণি পাঠক
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
ছাত্ৰ একতা সভা
বি.এইচ্.বি. মহাবিদ্যালয়, সৰুপেটা

• • •

# সম্পাদনা সমিতি



ড° বিৰিঞ্চি কুমাৰ দাস
অধ্যক্ষ



বীণা ৰাণী ডেকা
উপদেষ্টা



ড° দুৰ্গেশ্বৰ বৰ্মন
উপদেষ্টা



ড° নমিতা দাস
উপদেষ্টা




ড° দিপুল তালুকদাৰ
উপদেষ্টা



ড° কল্পনা বৈশ্য
তত্বাৱধায়ক



অভিজিৎ তালুকদাৰ
সম্পাদক



দেবজিৎ তালুকদাৰ
সদস্য




ৰূপাঞ্জন দাস
সদস্য



প্ৰণৱ কলিতা
সদস্য

## বি. এইচ্. বি. মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক আৰু অধ্যাপিকা (কলা-শা



ড° ভূপেন কুমাৰ শৰ্মা
(২০১৬-১৭ বৰ্ষৰ অধ্যক্ষ)



ড° বিৰিঞ্চি কুমাৰ দাস
(বৰ্তমানৰ অধ্যক্ষ)



বীণা ৰাণী ডেক



ড° দুৰ্গেশ্বৰ বৰ্মন



মোফাজ্জুল হুছেইন



ধৰণীধৰ বৰ্মন



উপেন্দ্ৰ নাথ বৰ্মন



প্ৰণীতা কলিতা



মদন চন্দ্ৰ কাকতি



ড° বিপুল তালুকদাৰ



ড° দীপ্তি কলিতা



প্ৰবোধ কলিতা

# বি. এইচ্. বি. মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা (কলা-শাখা)



ড° কল্পনা বৈশ্য


ফণীশ্বৰ মেচ


ড° পূৰবী হাজৰিকা


মৃণাল দত্ত


ড° দীপ্তি মনি গোস্বামী


হিমেন্দ্ৰ কলিতা


মোঃ ৰিয়াজ উদ্দিন


ড° নমিতা দাস (গুৰুং)


কৃপাৰাম বড়ো


আনন্দ লাহাৰী


নয়নজ্যোতি তালুকদাৰ


ভাস্কৰ কাকতি

# বি. এইচ্. বি. মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা (কলা- বাণিজ্য শাখা)



নীল কমল কলিতা



ৰাতুল কুমাৰ দাস



আনোৱাৰ উদ্দিন আহমেদ



ৰূপা বসুমতাৰী



অমলেন্দু গোস্বামী



ৰুমী ডেকা



প্ৰাঞ্জল ডেকা




ৰীতুপৰ্ণা দাস



ৰুমী বৰুৱা



ভাস্কৰজ্যোতি চলিহা



কঙ্কনা দাস



জয়ন্ত সৰকাৰ

বাণিজ্য শাখা




অঞ্জন শৰ্মা

বাণিজ্য শাখা

# বি. এইচ্. বি. মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দ



বিবেকানন্দ চৌধুৰী



সুৰেণ শৰ্মা



গোবিন্দ ৰাম দাস



ডালিম চন্দ্ৰ ডেকা




অমল কুমাৰ চৌধুৰী



দেৱজিৎ তালুকদাৰ



মিণ্টু কুমাৰ দাস




ডিম্পল মেধি



বিজন শালৈ



কামেশ্বৰ বড়ো



সুৰেণ বায়ন



গীতা বালা দাস

পুথিভঁড়ালৰ কৰ্মচাৰী



নিত্যানন্দ পাঠক



কবি[illegible] ডেকা



মুনীন্দ্ৰ দাস



পুতুলী দাস

# মহাবিদ্যালয়ৰ বিশেষ মুহূৰ্তৰ স্থিৰ চিত্ৰ




গ্ৰন্থ উন্মোচনৰ
এক মুহূৰ্ত



নৱাগত আদৰণি সভাৰ
এক মুহূৰ্ত



প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহত
সমবেত সংগীত পৰিৱেশন
কৰা এক মুহূৰ্ত



সু-খ্যাতিৰে স্নাতক পৰীক্ষাত উত্তীৰ্ণ
ছাত্ৰক মানপত্ৰ প্ৰদানৰ এক মুহূৰ্ত

# মহাবিদ্যালয়ৰ বিশেষ মুহূৰ্তৰ স্থিৰ চিত্ৰ



পতাকা উত্তোলনৰ
এক মুহূৰ্ত



শ্বহীদ তৰ্পনৰ এক মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহ আৰম্ভণি
অনুষ্ঠানৰ এক দৃশ্য



পুথি ভঁৰালত উপস্থিত থকা
ছাত্ৰ-ছাত্ৰীৰ এক দৃশ্য

# মহাবিদ্যালয়ৰ বিশেষ মুহূৰ্তৰ স্থিৰ চিত্ৰ



সাংস্কৃতিক শোভাযাত্ৰাৰ
এক মুহূৰ্ত






নৱাগত আদৰণি সভাত উপস্থিত
থকা শিক্ষাগুৰু
আৰু ছাত্ৰ-ছাত্ৰীৰ এক মুহূৰ্ত



মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস
উদ্‌যাপনৰ এক দৃশ্য

# মহাবিদ্যালয়ৰ বিশেষ মুহূৰ্তৰ স্থিৰ চিত্ৰ

স্বাধীনতা দিৱস উপলক্ষে পৰিস্কাৰ আৰু গছ পুলি ৰোপণৰ অংশগ্ৰহণকাৰীৰ এক দৃশ্য





বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছ পুলি ৰোপণৰ এক মুহূৰ্ত

এ.পি.জে. আব্দুল কালাম দেৱৰ প্ৰথম মৃত্যু বাৰ্ষিকী উদ্‌যাপনৰ এক দৃশ্য





মহাবিদ্যালয়ত যোগ প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানৰ এক দৃশ্য

# মহাবিদ্যালয়ৰ বিশেষ মুহূৰ্তৰ স্থিৰ চিত্ৰ

স্বাধীনতা দিৱস উপলক্ষে
উলিওৱা প্ৰভাতফেৰীৰ এক দৃশ্য





বি.এইচ্. বি. মহাবিদ্যালয়ৰ মহিলা
কোষৰ পৰা কাহিলীপাৰাস্থিত
চেনেহ বৃদ্ধাশ্ৰমলৈ যোৱা এটি দৃশ্য






NAAC PEER TEAM এ মহাবিদ্যালয় পৰিদৰ্শন কৰিবলৈ অহা
EXIT MEETING ৰ আলোক চিত্ৰ

# মহাবিদ্যালয়ৰ বিশেষ মুহূৰ্তৰ স্থিৰ চিত্ৰ



মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাত
শিক্ষা গ্ৰহণৰ এক মুহূৰ্ত








মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী
ইউ.এচ্. টি.এম. মেঘালয়ত তৰ্ক
আৰু কুইজ প্ৰতিযোগিতাত অংশ গ্ৰহণ
কৰিবলৈ যোৱা কেইটামান দৃশ্য

যোগ প্ৰশিক্ষণ শিবিৰত উন্মোচন কৰা প্ৰাচীৰ পত্ৰিকাৰ দৃশ্য









পতঞ্জলি যোগ সমিতি বৰপেটা জিলাৰ উদ্যোগত মহাবিদ্যালয়ত যোগ প্ৰশিক্ষণ শিৱিৰৰ কেইটামান দৃশ্য






এন.চি.চি. কেডেট সকলে পেৰেড কৰা এক দৃশ্য



সাংস্কৃতিক শোভাযাত্ৰাৰ অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ এক দৃশ্য



সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰা ছাত্ৰসকলৰ এক দৃশ্য



CENTRAL LIBRARY
B.H.B. College, Sarupeta